সপ্তম খণ্ড, দশম সংখ্যা

১৬-৩১ নৱেম্বৰ, ২০২৬

বিনামূলীয়া বিতৰণৰ বাবে

নিউ ইণ্ডিয়া সমাচাৰ



দ্বাদশ সংবিধান দিৱস

বিস্মৃতিৰ পৰা উদযাপনলৈ

২৬ নৱেম্বৰ দিনটো-এসময়ত ইতিহাসৰ প্ৰান্তত হেৰাই যোৱা তাৰিখ আছিল-আজি সমগ্ৰ দেশতে প্ৰতিধ্বনিত হোৱা এক উদযাপন দিৱস হিচাপে উজলি উঠিছে। ভাৰতবৰ্ষই দ্বাদশ সংবিধান দিৱস পালন কৰাৰ সময়তে ৭৭ বছৰীয়া এই যাত্ৰাই দেশৰ সংবিধানৰ চিৰস্থায়ী প্ৰভাৱৰ প্ৰমাণ হিচাপে থিয় দিছে। "আমি, ভাৰতৰ জনসাধাৰণ" এতিয়া আৰু প্ৰস্তাৱনাত থকা এটা বাক্যাংশ হৈ থকা নাই; ই ১৪০ কোটি ভাৰতীয়ই আঁকোৱালি লোৱা এক জীৱন্ত প্ৰতিশ্ৰুতিলৈ বিকশিত হৈছে, য'ত তেওঁলোকৰ ন্যায়, সমতা আৰু আত্মনিৰ্ভৰশীলতাৰ আকাংক্ষা প্ৰতিফলিত হৈছে।

মন কী বাত

লোক-শক্তিলৈ শ্ৰদ্ধা নিবেদন



১২ বছৰ পূৰ্বে বিজয় দশমীৰ শুভক্ষণ উপলক্ষে আৰম্ভ হোৱা 'মন কী বাত'ৰ এই যাত্ৰা অবিৰতভাৱে অব্যাহত আছে। ৰাষ্ট্ৰৰ জনসাধাৰণ এই যাত্ৰাৰ সহযাত্ৰী আৰু পথ প্ৰদৰ্শকো। দেশৰ সাধাৰণ নাগৰিকৰ কঠোৰ পৰিশ্ৰম, সাহস, দায়বদ্ধতা, নিষ্ঠা, সেৱাৰ মনোভাৱক উদযাপনৰ এক সুন্দৰ সুযোগ হিচাপে কাম কৰে 'মন কী বাতে'। ২৫ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছিল যে, তেওঁৰ বাবে 'মন কী বাত' কাৰ্যসূচী এটা 'তীৰ্থযাত্ৰা'ৰ দৰেই - দেশ বাসীৰ প্ৰচেষ্টাক নিবিড় ভাৱে বুজি পোৱা আৰু তেওঁলোকৰ অৱদানক প্ৰণাম জনোৱাৰ ই এক সুযোগ।

- **অগণন প্ৰেৰণাদায়ক কাহিনীঃ** এই ১২ বছৰত দেশৰ প্ৰতিটো কোণৰ পৰা বহু ব্যক্তিয়ে দেশৰ নাগৰিকৰ সন্মুখলৈ ওলাই আহিবলৈ সুযোগ পাইছে, যিসকলৰ অসাধাৰণ কামবোৰ প্ৰায়ে সামগ্ৰিকভাৱে সমাজৰ দৃষ্টিগোচৰ নোহোৱাকৈ ৰৈ গৈছিল। 'মন কী বাত' য়ে আপোনালোক সকলোৰে মাজলৈ এনে অগণন, প্ৰেৰণাদায়ক কাহিনী কঢ়িয়াই অনাৰ কাম কৰিছে।"

- **লোক-শক্তিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছো:** মই এক অৰ্থত 'ৰাইজৰ সামূহিক শক্তি', আমাৰ ৰাষ্ট্ৰৰ লোক-শক্তিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছো। ই মোক সমগ্ৰ দেশৰ প্ৰতিটো পৰিয়ালৰ সৈতে সংযোগ স্থাপনৰ সুযোগ প্ৰদান কৰে।

- **খেতি বিৰাসত অভিযানঃ** পাঞ্জাৱত কিছুদিনৰ পৰা এনে এটা পদক্ষেপ চলি আছে; খেতি বিৰাসত মিছন' নামৰ এটা সংস্থাই জৈৱিক কৃষি আৰু পৰম্পৰাগত কৃষি পদ্ধতিত নতুন প্ৰাণ সঞ্চাৰ আৰম্ভ কৰিছে।

- **হেভাল নদীৰ পুনৰুজ্জীৱন:** প্ৰকৃতিক সম্মান কৰাৰ আমাৰ দীৰ্ঘদিনীয়া পৰম্পৰা আছে। উত্তৰাখণ্ডৰ তেহৰী গড়ৰাল অঞ্চলতো সেই একে আৱেগ দেখা যায়। কিছুদিনৰ আগতে হেভাল নদীৰ জলপৃষ্ঠ কমিবলৈ আৰম্ভ কৰিছিল... চাৰিওফালৰ অঞ্চলৰ প্ৰাকৃতিক পানীৰ উৎসবোৰো শুকাই গৈছিল। এই দৃশ্যপটত স্থানীয় প্ৰশাসন আৰু গাঁওবাসীয়ে একত্ৰিত হৈ হেভাল নদীক বচাবলৈ অভিযান আৰম্ভ কৰে। বৰষুণৰ পানী ধৰি ৰখা, ভূগৰ্ভস্থ পানী পুনৰ পূৰণৰ সুবিধা প্ৰদান কৰা আৰু বৃহৎ সংখ্যক গছ ৰোপণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ইয়াৰ ফলশ্ৰুতিত আজি হেভাল নদীখন পুনৰ সজীৱ হৈ উঠিছে, আৰু একে সময়তে বহু প্ৰাকৃতিক পানীৰ উৎসই ইয়াৰ পুনৰুদ্ধাৰৰ ক্ষেত্ৰত সহায় লাভ কৰিছে।

- **ভ'কেল ফৰ লোকেল:** উৎসৱৰ বতৰত সকলোৱে নিশ্চয় নিজৰ চৌপাশৰ পৰিৱৰ্তন লক্ষ্য কৰিছে। মানুহে এতিয়া বজাৰ কৰাৰ সময়ত থলুৱা সামগ্ৰীক অতি গুৰুত্ব দিয়ে, 'ভ'কেল ফৰ লোকেল'ৰ এই মনোভাৱে এতিয়া আমাৰ সামগ্ৰীসমূহ বিশ্বৰ বজাৰলৈ আগু�ৱাইলৈ গৈছে।

- **খাদী আৰু গ্ৰামোদ্যোগঃ** এইবাৰ কেৱল গান্ধী জয়ন্তীৰ দিনা খাদী আৰু গ্ৰামোদ্যোগৰ সামগ্ৰীৰ বিক্ৰী ২৮ কোটি অতিক্ৰম কৰিলে, যিটো পূৰ্বৰ বছৰৰ তুলনাত ১.৫ কোটি বৃদ্ধি হৈছে। ইয়াৰ দ্বাৰা খাদীৰ জনপ্ৰিয়তা ক্ৰমাৎ বৃদ্ধি পোৱাৰ প্ৰতিফলন ঘটিছে।

- **ৰাষ্ট্ৰৰ আস্থাঃ** 'ই-সঞ্জীৱনী' আঁচনিৰ জৰিয়তে এতিয়ালৈকে প্ৰায় ৫০ কোটি টেলি-কনচালটেচন কৰা হৈছে। ই প্ৰযুক্তিৰ শক্তি, আমাৰ চিকিৎসকৰ নিষ্ঠাবান সেৱা, আৰু আমাৰ দেশৰ জনসাধাৰণে ব্যৱস্থাটোৰ ওপৰত যি আস্থা ৰাখিছে তাৰ এক উৎকৃষ্ট উদাহৰণ হিচাপে কাম কৰে।

- **আয়ুষ্মান আৰোগ্য মন্দিৰঃ** আজি সমগ্ৰ দেশৰ প্ৰায় ১.৯ লাখ 'আয়ুষ্মান আৰোগ্য মন্দিৰ'য়ে মানুহৰ জীৱনলৈ নতুন স্বাস্থ্যসেৱাৰ সুবিধা আনিছে। এই কেন্দ্ৰসমূহ ফলপ্ৰসূভাৱে গাঁও পঞ্চায়ত সমূহৰ বাবে সুস্থতা কেন্দ্ৰলৈ পৰিণত হৈছে।

- **অসাধাৰণ প্ৰচেষ্টাঃ** আমাৰ যুৱক-যুৱতীসকলে বৰ্তমান এনে কিছু বিষয়ৰ ওপৰত কাম কৰি আছে যিবোৰে মানৱতাৰ ভৱিষ্যতক নতুন ৰূপ দিয়াৰ সম্ভাৱনা আছে- 'মগজুৰ গৱেষণা' এনে এটা ক্ষেত্ৰ। এই প্ৰেক্ষাপটত মই আই আই টি মাদ্ৰাজত 'সুধা গোপালকৃষ্ণন মগজু কেন্দ্ৰ' টি উদ্বোধন কৰিলোঁ। এই কেন্দ্ৰটোৱে বিশ্বব্যাপী মাপকাঠী হিচাপে কাম কৰা ব্ৰেইন-ইমেজিং প্ৰযুক্তিৰ এক মঞ্চ গঢ়ি তুলিছে।

- **মহৰ্ষি বাল্মীকিঃ** হাজাৰ হাজাৰ বছৰ পাৰ হৈ গ'লেও মহৰ্ষি বাল্মিকীৰ দ্বাৰা প্ৰণীত ৰামায়ণে আমাক নতুন নতুন অন্তৰ্দৃষ্টি আগবঢ়াই আহিছে। ই গভীৰ জীৱনৰ পাঠ প্ৰদান কৰে, অহৰহ প্ৰচেষ্টা, সেৱা, মমতা আৰু সামাজিক সম্প্ৰীতিৰ মূল্যৰ ওপৰত ই গুৰুত্ব আৰোপ কৰে।

- **অযোধ্যাৰ মঠ-মন্দিৰঃ** অযোধ্যাত মহৰ্ষি বাল্মীকি, নিষাদৰাজ, আৰু মাতা শৱৰীৰ বাবে উৎসৰ্গিত মন্দিৰ স্থাপন কৰা হৈছে। লগতে অযোধ্যাৰ বিমানবন্দৰটো মহৰ্ষি বাল্মীকিৰ নামত ৰখাত মই আনন্দিত হৈছো।

'মন কী বাত' শুনিবলৈ কিউ আৰ কোড স্কেন কৰক।

নিউ ইণ্ডিয়া সমাচাৰ

৭ম বর্ষ, সংখ্যা ১০, নৱেম্বৰ ১৬-৩১, ২০২৬

মুখ্য সম্পাদক
ধীৰেন্দ্ৰ ওঝা
মুখ্য সঞ্চালক প্ৰধান
প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰো, নতুন দিল্লী

জ্যেষ্ঠ পৰামৰ্শদাতা সম্পাদক
সন্তোষ কুমাৰ

জ্যেষ্ঠ সহকাৰী পৰামৰ্শদাতা সম্পাদক
পৱন কুমাৰ

সহকাৰী পৰামৰ্শদাতা সম্পাদক
অখিলেশ কুমাৰ
চন্দন কুমাৰ চৌধুৰী

ভাষা সম্পাদক
সুমিত কুমাৰ (ইংৰাজী)
ৰজনীশ মিশ্ৰ (ইংৰাজী)
নাদীম আহমেদ (উৰ্দু)

জ্যেষ্ঠ ডিজাইনাৰ
ফুল চন্দ তিৰাৰী

ডিজাইনাৰ
সত্যম সিং
অনিল কুমাৰ



১৩টা ভাষাত উপলব্ধ নিউ ইণ্ডিয়া সমাচাৰ পঢ়িবলৈ ক্লিক কৰক
https: //newindiasamachar.pib.gov.in/news.aspx

নিউ ইণ্ডিয়া সমাচাৰৰ আৰ্কাইভ সংস্কৰণবোৰ পঢ়িবলৈ ক্লিক কৰক
https://newindiasamachar.pib.gov.in.archive.aspx

'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া আপডেটৰ বাবে টুইটাৰ @NISPIBIndia ত অনুসৰণ কৰক

ভিতৰৰ পৃষ্ঠাসমূহত...

'আমি, ভাৰতৰ জনগণ' প্ৰতিগৰাকী নাগৰিকৰ বাবে উদযাপনৰ বিষয় হৈ পৰাৰ কাহিনী

দ্বাদশ সংবিধান দিৱস বিশেষ

প্ৰচ্ছদ নিবন্ধ



দেশৰ জনসংখ্যা আছিল মাত্ৰ ৩৬ কোটি; সম্পদ সীমিত আছিল, আৰু প্ৰত্যাহ্বানবোৰ অন্তহীন আছিল। তথাপিও অক্লান্ত প্ৰচেষ্টাৰ জৰিয়তে সংবিধান সভাই ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ৰাষ্ট্ৰৰ সম্মুখত এখন অমৰ নথি দাখিল কৰে। সেই সময়ত কোনেও কল্পনা কৰা নাছিল যে এই ঐতিহাসিক তাৰিখটো অৱশেষত ইতিহাসৰ পৃষ্ঠাত হেৰাই যাব। কিন্তু ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই পাহৰি যোৱা তাৰিখটোক পুনৰুজ্জীৱিত কৰি 'সংবিধান দিৱস'ক প্ৰতিজন নাগৰিকৰ বাবে প্ৰকৃত উদযাপনলৈ ৰূপান্তৰিত কৰিলে... |১০-২৫

ৰাষ্ট্ৰীয় ঐক্য দিৱস



চৰ্দাৰ পেটেলৰ ১৫১ সংখ্যক জন্ম জয়ন্তীত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ৰাষ্ট্ৰৰ ঐক্য, অখণ্ডতা, আৰু নিৰাপত্তা শক্তিশালী কৰাত চৰ্দাৰ চাহেবৰ ভূমিকা আছিল ঐতিহাসিক... |৮-৯

সংক্ষিপ্ত সংবাদ |৪-৫

ব্যক্তিত্বঃ জগদীশ চন্দ্ৰ বসু
উদ্ভিদবোৰ প্ৰাণ আছে বুলি প্ৰমাণ কৰা মহান ব্যক্তিজন |৬

গোলকীয় অংশীদাৰিত্ব শক্তিশালীকৰণ
ইণ্ডিয়া কেম ২০২৬-ৰ চতুৰ্দশ সংস্কৰণ মুম্বাইত অনুষ্ঠিত হৈছিল |৭

'বিকশিত গ্ৰাম স্বৰাজ আৰু কণ্টেইনাৰ নিৰ্মাণৰ প্ৰসাৰৰ বাবে অনুমোদন প্ৰদান
কেন্দ্ৰীয় কেবিনেটৰ বৈঠক... উল্লেখযোগ্য সিদ্ধান্তসমূহ লোৱা হৈছে |২৮-২৯

স্থিতিশীলতা... সুযোগ... ভৱিষ্যতৰ বাবে আশাৰ ভেঁটি
প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ ১০ বছৰ পূৰ্ণ |৩০-৩১

সুশাসনৰ জৰিয়তে সুষম উন্নয়ন
আৰ বি আই এছ ডি চি চি টি আইৰ উদ্বোধন |৩২-৩৩

ভাৰতৰ শক্তিয়ে বিশ্বব্যাপী সামৰ্থ্যক শক্তিশালী কৰিব
প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এন ডি টি ভিৰ বিশ্ব সম্মিলন ২০২৬ত ভাষণ প্ৰদান কৰে |৩৪-৩৫

বিকশিত ভাৰতৰ মূল আধাৰ: বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱন
বিজ্ঞান আৰু উদ্ভাৱন সম্মিলন উদ্বোধন কৰে প্ৰধানমন্ত্ৰী মোদীয়ে |৩৬-৩৭

২০২৯ চনৰ ভিতৰত পৰিষ্কাৰ হ'ব যমুনা
দিল্লীত যমুনাৰ পুনৰুজ্জীৱনৰ সৈতে জড়িত প্ৰকল্পৰ বাবে উদ্বোধনী আৰু আধাৰশিলা স্থাপন |৩৮-৩৯

সৌৰশক্তিৰ বিশ্বব্যাপী সম্প্ৰসাৰণৰ বাবে আশাৰ ৰশ্মি
আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰতাৰ ১১ বছৰ সম্পূৰ্ণ |৪০-৪১

ভাৰতীয় বায়ু সেনাৰ শৌৰ্য্য প্ৰদৰ্শন
নমো ঘাটত বায়ু সেনা দিৱসৰ অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীৰ অংশগ্ৰহণ |৪২

বিজয়া দশমী



'ৰাম সে ৰাষ্ট্ৰ' আৰু দেৱ সে দেশ'ৰ দৃষ্টিভংগী বাস্তৱায়িত হ'ব

বিজয়া দশমী উপলক্ষে প্ৰধানমন্ত্ৰী মোদীয়ে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰি কয় যে অযোধ্যাত 'প্ৰাণ প্ৰতিষ্ঠা' (অভিষেক) অনুষ্ঠানৰ সময়ত গ্ৰহণ কৰা -'ৰাম সে ৰাষ্ট্ৰ' আৰু 'দেৱ সে দেশ' ৰ প্ৰতিশ্ৰুতিসমূহ আমাৰ সামূহিক প্ৰচেষ্টাৰ জৰিয়তে নিশ্চিতভাৱে পূৰণ হ'ব... |২৬-২৭

Published: Kanchan Prasad, Director General, on behalf of Central Bureau of Communication
Communication Address : Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003.
E-Mail : response-nis@pib.gov.in, RNI No. : DELENG/2020/78811

সম্পাদকৰ মেজৰ পৰা...

আমি, ভাৰতৰ জনগণ
সংবিধানৰ শক্তি, ৰাষ্ট্ৰৰ আত্মা

উষ্ম আদৰণি,

১৯৪৯ চনৰ ২৬ নৱেম্বৰত সংবিধান সভাই ভাৰতৰ সংবিধান গৃহীত কৰিছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ই কার্যকৰী হয়। এয়া কেৱল আইনী নথি নহয় ৰৱঞ্চ সকলো ভাৰতীয়ৰ আকাংক্ষা, অধিকাৰ আৰু কর্তব্যৰ চিৰস্থায়ী ঘোষণা। ২০১৫ চনৰ পৰা এই তাৰিখটো 'সংবিধান দিৱস' হিচাপে উদযাপন কৰা হৈছে যি এতিয়া প্ৰতিজন ভাৰতীয়ৰ বাবে এক উৎসৱত পৰিণত হৈছে। এই বছৰ ২৬ নৱেম্বৰত দ্বাদশবাৰৰ বাবে পালন কৰা এই স্মৰণীয় দিৱসে আমাক সোঁৱৰাই দিয়ে যে সংবিধানৰ প্ৰকৃত শক্তি ইয়াৰ লিখিত শব্দাৱলীত নহয়, ৰৱং জনসাধাৰণৰ জীৱনৰ প্ৰতিটো স্তৰতে বিৰাজ কৰা ইয়াৰ অন্তর্নিহিত আদর্শ আৰু চেতনাতহে নিহিত হৈ আছে। আমাৰ সংবিধানৰ আৰম্ভণি ঘটিছে "আমি, ভাৰতৰ জনসাধাৰণ" বাক্যাংশৰে। আমিয়েই হৈছো ইয়াৰ শক্তি, ইয়াৰ প্ৰেৰণা আৰু ইয়াৰ সত্তা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথাটো সহজ ভাষাত সামৰি লৈ কৈছে: "ই ভাৰতীয়ৰ বাবে মর্যাদা আৰু ভাৰতৰ বাবে ঐক্য।" ই আমাক আমাৰ অধিকাৰৰ প্ৰতি সচেতন আৰু আমাৰ কর্তব্যৰ প্ৰতি সচেতন হ'বলৈ ক্ষমতা প্ৰদান কৰে।

বিগত কেইবছৰমানৰ পৰা 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস'ৰ মন্ত্ৰই সংবিধানৰ মনোভাৱৰ আটাইতকৈ শক্তিশালী প্ৰভাৱ হিচাপে আত্মপ্ৰকাশ কৰি সামাজিক ন্যায়, অর্থনৈতিক অন্তর্ভুক্তি, জনকল্যাণৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। জন ধনৰ পৰা আৱাস যোজনালৈকে, আৰু আয়ুষ্মান ভাৰতৰ পৰা কিষাণ সম্মান নিধিলৈকে প্ৰতিটো পদক্ষেপে সমতা আৰু মর্যাদাৰ আদর্শক মানুহৰ জীৱনত স্পষ্ট ফলাফললৈ ৰূপান্তৰিত কৰি আছে। ৩৭০ অনুচ্ছেদ বাতিলৰ ফলত সংবিধানৰ আধিপত্য পুনৰ ঘূৰাই অনা হৈছে। বিধায়িনী দল, কার্যবাহী আৰু ন্যায়পালিকাই সুস্থ ভাৰসাম্য বজাই ৰাখি এক শক্তিশালী ব্যৱস্থা হিচাপে কাম কৰি 'ভাৰতীয় ন্যায় সংহিতা'কে ধৰি নতুন আইন প্ৰণয়নে ন্যায় ব্যৱস্থাক অধিক সহজ, আধুনিক, আৰু নাগৰিক কেন্দ্ৰিক কৰি তুলিছে।

গণতন্ত্ৰ ৰক্ষাৰ বাবে অহৰহ সতর্কতাৰ প্ৰয়োজন। নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ সমান্তৰালকৈ নিজৰ কর্তব্য পালন কৰাটো সংবিধানৰ প্ৰতি প্ৰকৃত আনুগত্য বুলি গণ্য কৰা হয়। আমি জনগণ' বাক্যাংশটো এতিয়া কেৱল প্ৰস্তাৱনাৰ এটা অংশ নহয়; ই আমাৰ জাতীয় জীৱনৰ বাবে এক পথ প্ৰদর্শক সংকল্প হৈ পৰিছে। সংবিধানৰ আদর্শ আৰু মনোভাৱক আকোৱালি লৈ প্ৰতিজন নাগৰিক ভাৰতৰ স্বর্ণিম যাত্ৰাত বিকশিত ভাৰতৰ দৃষ্টিভংগীৰ অংশীদাৰ হৈ পৰে। আমাৰ এইবাৰৰ বিশেষ সংস্কৰণৰ প্ৰচ্ছদ নিৱন্ধৰ কেন্দ্ৰবিন্দু এইটোৱেই।

ব্যক্তিত্বৰ শিতানত জগদীশ চন্দ্ৰ বসুৰ বিষয়ে পঢ়ক -যিজনে প্ৰমাণ কৰিছিল যে উদ্ভিদৰো জীৱন আছে। লগতে দহ বছৰীয়া প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ, কেন্দ্ৰীয় কেবিনেটৰ সিদ্ধান্ত, আৰু বিগত পযেকটোৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাজহুৱা অনুষ্ঠানসমূহো এই সংখ্যাৰ বিশেষ অংশ হৈ পৰিছে।

ভিতৰৰ পৃষ্ঠাত মন কী বাত আৰু পিছফালৰ প্ৰচ্ছদত ২২ নৱেম্বৰত পালন কৰা ৰাষ্ট্ৰীয় কেডেট কর্পছ (এন চি চি) দিৱস উপলক্ষে প্ৰকাশিত বিশেষ সমল এই সংখ্যাৰ আন কেইটামান উল্লেখযোগ্য আকর্ষণ।

আপোনাৰ পৰামর্শ আমালৈ প্ৰেৰণ কৰি থাকিব।

(ধীৰেন্দ্ৰ ওঝা)

হিন্দী, ইংৰাজী আৰু আন ১১টা ভাষাত উপলব্ধ আলোচনীখন পঢ়ক/ডাউনলোড কৰক।
https://newindiasamachar.pib.gov.in/

মেইল বক্স



চৰকাৰৰ পদক্ষেপ সমূহৰ তথ্য প্ৰদান কৰাত অতি সহায়ক

মোৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে চৰকাৰৰ শেহতীয়া পদক্ষেপ, নীতি, আঁচনি, সাম্প্ৰতিক পৰিস্থিতিৰ বিষয়ে অৱগত হৈ থাকিবলৈ মই নিয়মিতভাৱে 'নিউ ইণ্ডিয়া সমাচাৰ' আলোচনীখন পঢ়ো। এই উৎকৃষ্ট আলোচনীখন আগবঢ়াই দিয়াৰ বাবে সমগ্ৰ দলটোক মোৰ ধন্যবাদ। আলোচনীখনৰ শেহতীয়া আৰু পূৰ্বৰ দুয়োটা সংখ্যা পাবলৈ মই অফিচিয়েল ৱেবছাইটলৈ যাওঁ।

প্ৰণৱ পট্টানি
papattani264@gmail.com

ই মোৰ জ্ঞান সমৃদ্ধ কৰে

মোৰ নাম চিন্তন। 'নিউ ইণ্ডিয়া সমাচাৰ আলোচনীখন নিয়মিতভাৱে পঢ়োঁ। মই আলোচনীখনৰ সমগ্ৰ বিষয়বস্তু এবাৰ চকু ফুৰাই চাওঁ। ইয়াত দিয়া তথ্যই মোক কিছুমান উপযোগী অন্তৰ্দৃষ্টি প্ৰদান কৰে যিয়ে মোৰ জ্ঞান পৰিবৰ্ধন কৰাত সহায় কৰে।

chintanr390@gmail.com

ৰাষ্ট্ৰীয় উন্নয়নসমূহৰ বিষয়ে অৱগত হৈ থকাৰ বাবে গুৰুত্বপূৰ্ণ আলোচনী

কেন্দ্ৰীয় চৰকাৰৰ চৰকাৰী আলোচনী 'নিউ ইণ্ডিয়া সমাচাৰ'ৰ তেলেগু সংস্কৰণৰ মই নিয়মীয়া পাঠক। ৰাজহুৱা নীতিৰ সৈতে জড়িত তথ্যক মই অতিশয় মূল্য দিওঁ। 'বিকশিত ভাৰত'ৰ লক্ষ্যত উপনীত হোৱাৰ দিশত আমি আগবাঢ়ি যোৱাৰ সময়ত, মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আগবঢ়োৱা উন্নয়নৰ ৰূপৰেখা, ৰাষ্ট্ৰীয় সাফল্যসমূহ আৰু শাসন-সম্পৰ্কীয় ধাৰণাসমূহ গভীৰভাৱে অধ্যয়ন কৰিবলৈ মই আগ্ৰহী। এই আলোচনীখনে এই ক্ষেত্ৰত অতি সহায়ক হোৱা বুলি প্ৰমাণিত হৈছে।

জি অশোক
cscashok1399@gmail.com

শেহতীয়া তথ্যৰ বিষয়ে অৱগত হৈ থকাৰ বাবে এখন অতি উপযোগী আলোচনী

মই 'নিউ ইণ্ডিয়া সমাচাৰ'ৰ নিয়মীয়া পাঠক। ভাৰত চৰকাৰৰ আঁচনি, নীতি, সাম্প্ৰতিক পৰিস্থিতিৰ বিষয়ে অৱগত হৈ থকাৰ বাবে এই আলোচনীখন মই অত্যন্ত উপযোগী বুলি বিবেচনা কৰোঁ। ই ৰাষ্ট্ৰৰ প্ৰগতিৰ বিষয়ে মোৰ জ্ঞান বৃদ্ধি কৰে আৰু মোক এজন দায়িত্বশীল নাগৰিক হিচাপে দেশৰ উন্নয়নক ভালদৰে বুজিবলৈ আৰু অংশগ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰে।

নিৱেশ গোৱেল
goyalnivesh98@gmail.com

Communication Address : Room No–1077, Soochna Bhawan, CGO Complex, New Delhi -110003

E-Mail: response-nis@pib.gov.in

সংক্ষিপ্ত সংবাদ



২০২৬ চনৰ এছিয়ান পেৰা গেমছত ভাৰতৰ শ্ৰেষ্ঠ প্ৰদৰ্শন

জাপানৰ আইচি-নাগোয়াত অনুষ্ঠিত ২০২৬ চনৰ এছিয়ান পেৰা গেমছত ভাৰতে এতিয়ালৈকে সৰ্বোত্তম প্ৰদৰ্শন আগবঢ়াইছে। ভাৰতে মুঠ ১১৪টা পদক লাভ কৰে- য'ত ৩০টা স্বৰ্ণ, ৩৫টা ৰূপ, আৰু ৪৯টা ব্ৰঞ্জৰ পদক লাভ কৰি পদকৰ সংখ্যাত চতুৰ্থ স্থান দখল কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰা এথলীটসকলক অভিনন্দন জনাই তেওঁলোকৰ এই অসাধাৰণ কৃতিত্বৰ প্ৰশংসা কৰে। তেওঁ উল্লেখ কৰে যে এইটো সমগ্ৰ ৰাষ্ট্ৰৰ বাবে অপৰিসীম গৌৰৱ আৰু আনন্দৰ মুহূর্ত, প্ৰতিজন খেলুৰেয়ে এই ঐতিহাসিক মাইলৰ খুঁটিত অৰিহণা যোগাইছে আৰু তেওঁলোকৰ সাফল্যৰ জৰিয়তে অগণন ভাৰতীয়ক অনুপ্ৰাণিত কৰিছে।

ভাৰতে ২০২২ চনৰ এছিয়ান পেৰা গেমছত স্থাপন কৰা ১১১টা পদকৰ পূৰ্বৰ অভিলেখ অতিক্ৰম কৰিলে। সেইবাৰো পেৰা এথলেটিকছে আটাইতকৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছিল, ২২টা সোণকে ধৰি ৬৫টা পদক লাভ কৰিছিল। শীতল দেৱীয়ে তিনিটা পদক (দুটা স্বৰ্ণ আৰু এটা ৰূপৰ পদক) লাভ কৰি ভাৰতৰ সফল খেলুৰে হিচাপে আত্মপ্ৰকাশ কৰিছিল।

নিৰাপত্তাজনিত প্ৰত্যাহ্বানসমূহৰ মোকাবিলা
এটা গতিশীল অসামৰিক প্ৰতিৰক্ষা নেটৱৰ্ক

ভাৰতত 'গতিশীল অসামৰিক প্ৰতিৰক্ষা নেটৱৰ্ক' স্থাপনৰ বাবে ভাৰতীয় সেনাৰ সহযোগত এক বিশেষ প্ৰশিক্ষণ পদক্ষেপৰ আৰম্ভ কৰা হৈছে। প্ৰথম পৰ্যায়ত ১২খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৬০০জন অসামৰিক প্ৰতিৰক্ষা মাষ্টাৰ প্ৰশিক্ষকে তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৫ আগষ্টত লালকিল্লাৰ পৰা এই নেটৱৰ্ক সৃষ্টিৰ দৃষ্টিভংগী প্ৰকাশ কৰিছিল।


প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে এই পদক্ষেপত ৫০জন মাষ্টাৰ ট্ৰেইনাৰৰ অৱদান আগবঢ়াব। এই প্ৰশিক্ষণত ভাবুকিৰ প্ৰতি সজাগতা, সুৰক্ষা আৰু জৰুৰীকালীন সঁহাৰিৰ লগতে যোগাযোগ আৰু সমন্বয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। মূল বিষয়সমূহৰ ভিতৰত আছে আধুনিক আৰু হাইব্ৰিড যুদ্ধ, ড্ৰোন আৰু আকাশী আক্ৰমণৰ পৰা হ'ব পৰা ভাবুকি, অগ্নিনিৰ্বাপক সুৰক্ষা, অনুসন্ধান আৰু উদ্ধাৰ অভিযান, চাইবাৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা, আৰু অসামৰিক-সামৰিক সমন্বয়। এই প্ৰশিক্ষণৰ পিছত প্ৰতিজন মাষ্টাৰ ট্ৰেইনাৰে ১০০জন অসামৰিক প্ৰতিৰক্ষা স্বেচ্ছাসেৱকক প্ৰশিক্ষণ দিবলৈ আগবাঢ়ি আহিব।





ই৮৫/ই১০০-ইন্ধনচালিত বাহনৰ বাবে
সংশোধিত নিয়মাবলী

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ই৮৫ আৰু ই১০০ ফ্লেক্স-ফুৱেল বাহনৰ প্ৰচাৰৰ বাবে কেন্দ্ৰীয় মটৰ গাড়ী নিয়ম, ১৯৮৯ৰ সংশোধন কৰিছে। এই পৰিৱেশ-অনুকূল ইন্ধনৰ বাবে প্ৰমাণিত বাহনসমূহে প্ৰযোজ্য নিৰ্গমন আৰু সুৰক্ষাৰ মানদণ্ড মানি চলিব লাগিব। ই৮৫ত আয়তনৰ হিচাপত ৮৫ শতাংশ পৰ্যন্ত ইথানল থাকে। মন্ত্ৰালয়ৰ মতে, ঘৰুৱা ভাৱে উৎপাদিত ইথানলৰ ব্যৱহাৰ বৃদ্ধি কৰিলে আমদানিকৃত খাৰুৱা তেলৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাত সহায়ক হ'ব পাৰে। এই ইন্ধনৰ বাবে বিশেষভাৱে ডিজাইন আৰু প্ৰমাণিত বাহনতহে ই৮৫/ই১০০ ব্যৱহাৰ কৰিব পাৰিব। বৰ্তমানৰ বাহনৰ মালিকসকলে নিজৰ বাহনত কোনো ধৰণৰ পৰিৱৰ্তন কৰিব নালাগে।



‘কৃষি-কল্যাণ পৰ্টেল’
মোবাইলতে কৃষি সম্পৰ্কীয় তথ্য

কৃষি আৰু জনকল্যাণমূলক সেৱা-সংক্ৰান্তিয় তথ্যৰ বাবে দেশৰ কৃষকসকলে এতিয়াৱে পৰা আৰু চৰকাৰী কাৰ্যালয়লৈ দৌৰা-দৌৰি কৰিব নালাগে। সাৰ, বীজ আৰু বিভিন্ন চৰকাৰী আঁচনিৰ বিশদ বিৱৰণ এতিয়া তেওঁলোকে নিজ ঘৰতে বহি লাভ কৰিব পাৰিব। কৃষি মন্ত্ৰালয়ৰ সকলো সেৱা একেটা স্থানতে উপলব্ধ কৰি এই প’ৰ্টেলৰ জৰিয়তে কৃষকসকলক ডিজিটেলী সবলীকৰণ কৰাৰ লক্ষ্য লোৱা হৈছে। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কৃষকসকলৰ বাবে সংশোধিত ‘কৃষি-কল্যাণ পৰ্টেল’ (এগ্ৰি ৱেলফেয়াৰ পৰ্টেল) মুকলি কৰে। চৰকাৰী আঁচনি, বিত্তীয় সাহায্য আৰু প্ৰয়োজনীয় কৃষি সম্পৰ্কীয় তথ্যসমূহ পোনে পোনে কৃষকৰ ম’বাইল ফোনত যোগান ধৰাই হ’ল ইয়াৰ মূল উদ্দেশ্য। এই প’ৰ্টেলটোৰ জৰিয়তে মন্ত্ৰালয়ৰ বিভিন্ন আঁচনি, ৰাজসাহায্য, নিয়ম-নীতি, ডিজিটেল সেৱা, বতৰৰ আগজাননী, বীজ আৰু সাৰৰ উপলব্ধতা, বজাৰ দৰ আৰু বৈজ্ঞানিক কৃষি প্ৰণালীৰ বিষয়ে তথ্য লাভ কৰিব পৰা যাব। সীমিত ইণ্টাৰনেট সংযোগ আৰু সাধাৰণ স্মাৰ্টফোনতো যাতে এই প’ৰ্টেলটো সুচাৰু ৰূপে চলিব পাৰে, সেইদৰে ইয়াক প্ৰস্তুত কৰা হৈছে।




আয়ুষ উদ্ভাৱন ঃ
পেটেণ্টৰ আবেদন ৮ গুণ বৃদ্ধি

বিগত দশকটোত আয়ুষ খণ্ডত উদ্ভাৱন আৰু বৌদ্ধিক সম্পত্তি সম্পৰ্কীয় কাৰ্যসূচী অভূতপূৰ্বভাৱে বৃদ্ধি পাইছে। ২০১৪-১৫ৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষৰ ভিতৰত আয়ুষৰ সৈতে জড়িত ৪,০৭৭টা পেটেণ্টৰ আবেদন দাখিল কৰা হৈছে আৰু ইয়াৰে ৭১১টা পেটেণ্ট মঞ্জুৰ কৰা হৈছে। আয়ুষ সম্পৰ্কীয় উদ্ভাৱনৰ (২০১৪-২০২৬) এক প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্য অনুসৰি, এই সময়ছোৱাত বাৰ্ষিক আবেদনৰ সংখ্যা ৬৩ৰ পৰা ৫৯০টালৈ বৃদ্ধি পাইছে, যিটো প্ৰায় ৮৩৬.৫ শতাংশ বৃদ্ধিৰ সমান।
বিশেষকৈ ক’ভিড-১৯ মহামাৰীৰ প্ৰাদুৰ্ভাৱৰ পৰৱৰ্তী ছয় বছৰত ২,৮৫৪টা পেটেণ্টৰ আবেদন দাখিল কৰা হৈছে, যিটো মুঠ আবেদনৰ ৭০ শতাংশ। একে সময়তে ৬৫৭টা পেটেণ্ট মঞ্জুৰ কৰা হয়। আবেদনকাৰীসকলৰ ভিতৰত ব্যক্তিগতভাৱে দাখিল কৰা আবেদনৰ সংখ্যা সকলোতকৈ বেছি (২,১১৩ খন), আনহাতে বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানসমূহৰ ফালৰ পৰা ৯৯৫খন আবেদন দাখিল কৰা হৈছে।

দেশত ৰামছাৰ ক্ষেত্ৰৰ সংখ্যা ১০৩ খনলৈ বৃদ্ধি

ভাৰতত আন্তৰ্জাতিকভাৱে সংৰক্ষিত ‘ৰামচাৰ ক্ষেত্ৰ’ৰ সংখ্যা ১০৩ টালৈ বৃদ্ধি পাইছে। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে এই তালিকাত চণ্ডীগড়ৰ ‘সুখনা জলাশয়’ আৰু উত্তৰ প্ৰদেশৰ ‘সৌজ হ্ৰদ’ অন্তৰ্ভুক্ত কৰাৰ কথা ঘোষণা কৰে। ২০১৪ চনত ভাৰতত কেৱল ২৬টা ৰামচাৰ ক্ষেত্ৰ আছিল, যি সংখ্যা এতিয়া প্ৰায় চাৰিগুণ বৃদ্ধি পালে। জৈৱ-বৈচিত্ৰ্য সংৰক্ষণ, বানপানীৰ প্ৰভাৱ হ্ৰাস কৰা, ভূগৰ্ভস্থ পানী পুনৰসংৰক্ষণ আৰু স্থানীয় লোকৰ জীৱিকা সুৰক্ষিত কৰাত ৰামচাৰ ক্ষেত্ৰসমূহে অত্যন্ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। উল্লেখযোগ্য যে, ভাৰতে ১৯৮২ চনৰ ১ ফেব্ৰুৱাৰীত ৰামচাৰ সন্মিলনত আনুষ্ঠানিকভাৱে স্বাক্ষৰ কৰি যোগদান কৰিছিল।



মুঠ ৰামচাৰ ক্ষেত্ৰ **১০৩**টা (২০২৬ৰ ১৫ অক্টোবৰ পৰ্যন্ত)

২০১৪ চনৰ **২৬**টাৰ পৰা ১০৩টালৈ বৃদ্ধি

সৰ্বমুঠ **১৩.৮৭** লাখ হেক্টৰতকৈ অধিক ভূমি।

এই ৰামচাৰ ক্ষেত্ৰসমূহ **২৮**খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জুৰি বিস্তৃত

ৰামচাৰ ক্ষেত্ৰৰ দিশত ভাৰতৰ বিশ্বজনীন স্থান: এছিয়াত প্ৰথম আৰু বিশ্বৰ ভিতৰত তৃতীয় স্থান

দেশৰ প্ৰতিৰক্ষা সক্ষমতা অধিক শক্তিশালী কৰা

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ অধ্যক্ষতাত ২০২৬ চনৰ ২৬ অক্টোবৰত অনুষ্ঠিত প্ৰতিৰক্ষা অধিগ্ৰহণ পৰিষদৰ (ডি এ চি) এক বৈঠকত সশস্ত্ৰ বাহিনীৰ বাবে ২.১২ লাখ কোটি টকাৰ মূলধনী অধিগ্ৰহণ প্ৰস্তাৱসমূহ অনুমোদন জনোৱা হৈছে। এই ক্ৰয়সমূহৰ প্ৰায় ৮২ শতাংশ দেশীয় উদ্যোগৰ পৰা সংগ্ৰহ কৰা হ’ব, যিয়ে স্বদেশী প্ৰতিৰক্ষা উৎপাদনক নতুন গতি প্ৰদান কৰিব। ভাৰতীয় সেনাৰ বাবে ড্ৰোন, নিৰীক্ষণ ইউ এ ভি, কাউণ্টাৰ-ড্ৰোন চিষ্টেম, দীৰ্ঘ দূৰত্ব অতিক্ৰম কৰিব পৰা কামিকাজে ড্ৰোন আৰু স্বয়ংক্ৰিয় তোপ প্ৰণালীকে ধৰি আধুনিক সঁজুলি ক্ৰয় কৰা হ’ব। নৌসেনাই এণ্টি-শ্বিপ মিছাইলৰ বিৰুদ্ধে সুৰক্ষা প্ৰদানকাৰী উন্নত প্ৰণালী লাভ কৰিব, আনহাতে বায়ুসেনাই হেলিকপ্টাৰ, বায়ু প্ৰতিৰক্ষা ব্যৱস্থা, অস্ত্ৰ-শস্ত্ৰ আৰু বতৰৰ ৰাডাৰ লাভ কৰিব। এই অধিগ্ৰহণে সশস্ত্ৰ বাহিনীৰ নিৰীক্ষণ, গতিশীলতা আৰু আক্ৰমণাত্মক ক্ষমতা অধিক শক্তিশালী কৰিব।





জন্মঃ ৩০ নৱেম্বৰ, ১৮৫৮
মৃত্যুঃ ২৩ নৱেম্বৰ, ১৯৩৭

উদ্ভিদৰো যে প্ৰাণ আছে,

সেই কথা প্ৰমাণ কৰা পুৰোধা ব্যক্তিগৰাকী

ৰেডিঅ' বিজ্ঞানৰ ভেটি স্থাপন কৰাৰ লগতে উদ্ভিদৰ অৱয়ৱ প্ৰক্ৰিয়াৰ অস্তিত্ব প্ৰমাণ কৰি দেশৰ গৌৰৱান্বিত কৰি তোলা এগৰাকী ব্যতিক্ৰমী বিজ্ঞানী আছিল ছাৰ জগদীশ চন্দ্ৰ বসু। গছ-গছনিয়েও অনুভৱ আৰু সঁহাৰি দিব পাৰে, আনকি তেওঁলোকৰ সৈতে মৰম আৰু সমবেদনাৰ সম্পৰ্ক গঢ়ি তোলাও সম্ভৱ বুলি তেওঁ সমগ্ৰ বিশ্বক পতিয়ন নিয়াইছিল। তদুপৰি, বেতাঁৰ যোগাযোগৰ ক্ষেত্ৰত তেওঁ চলোৱা যুগান্তকাৰী পৰীক্ষাসমূহে তেওঁক সমগ্ৰ বিশ্বতে স্বীকৃতি আনি দিছিল। আৱিষ্কাৰ আৰু উদ্ভাৱনৰ প্ৰতি তেওঁৰ আজীৱন উৎসৰ্গিত প্ৰচেষ্টা আজিও নৱপ্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছে।

এবাৰ এগৰাকী শিশুৱে খেলি খেলি গছৰ ডাল এটা জোৰেৰে জোকাৰি ফুল আৰু পাত ছিঙিবলৈ ধৰিছিল। তেওঁৰ মাকে মৰমেৰে বাধা দি বুজালে যে এয়া গধূলি সময়, গতিকে গছ-গছনি চুব নালাগে বা তাৰ পাত ছিঙিব নালাগে। মাকে তেওঁক ক'লে যে আমাৰ দৰেই গছ-গছনিও ৰাতি শুৱে আৰু এই সময়ত তেওঁলোকক আমনি কৰিলে তেওঁলোকে ভীষণ কষ্ট পায়। শৈশৱতে মাকে কৰা এই মন্তব্যই ল'ৰাজনৰ মনত গভীৰ সাঁচ বহুৱালে। ই তেওঁৰ মনত এক গভীৰ কৌতূহলৰ সৃষ্টি কৰিলে: আমাৰ দৰেই গছ-গছনিয়েও সঁচাকৈয়ে দুখ, সুখ আৰু বেদনা অনুভৱ কৰেনে? ডাঙৰ হৈ তেওঁ বৈজ্ঞানিক অনুসন্ধানৰ জৰিয়তে এই প্ৰশ্নটোৰ পৰীক্ষা কৰিবলৈ লাগি পৰিল। তেওঁ 'ক্ৰেস্ক'গ্ৰাফ' নামৰ এবিধ অতি সংবেদনশীল যন্ত্ৰ উদ্ভাৱন কৰিলে, যিয়ে উদ্ভিদৰ অতি সূক্ষ্ম বৃদ্ধিও জুখিব পাৰিছিল। উদ্ভিদৰো যে প্ৰাণ আৰু চেতনা আছে, সেই কথা তেওঁ সমগ্ৰ বিশ্বৰ সন্মুখত প্ৰমাণ কৰি দেখুৱালে। সেইগৰাকী ব্যক্তি আন কোনো নাছিল, তেওঁ আছিল মহান বিজ্ঞানী জগদীশ চন্দ্ৰ বসু।

১৮৫৮ চনৰ ৩০ নৱেম্বৰত বংগৰ মৈমনসিংহ গাঁৱত (বৰ্তমানৰ বাংলাদেশ) জন্মগ্ৰহণ কৰা জগদীশ চন্দ্ৰ বসু আছিল ৰেডিঅ' আৰু মাইক্ৰ'ৱেভৰ অপ্টিকছৰ সন্দৰ্ভত কাম কৰা প্ৰথমগৰাকী বিজ্ঞানী। বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মতে, বসু বেতাঁৰ ৰেডিঅ' সংকেত প্ৰেৰণৰ সহ-আৱিষ্কাৰক আছিল। তেওঁ এই সংকেত উৎপন্ন কৰিবলৈ ব্যৱহাৰ কৰা যন্ত্ৰসমূহৰ যথেষ্ট উন্নতি সাধন কৰিছিল...তেওঁ বিজ্ঞানৰ এই ক্ষেত্ৰখনলৈ উল্লেখযোগ্য প্ৰগতি কাঢ়িয়াই আনিছিল; সেইবাবেই তেওঁক ৰেডিঅ' বিজ্ঞানৰ জনক বুলিও গণ্য কৰা হয়। বৰ্তমান সময়ত ব্যৱহৃত বহুতো মাইক্ৰ'ৱেভ সঁজুলি, যেনে- ৰেভগাইড, প'লাৰাইজাৰ, ডাইইলেক্ট্ৰিক লেন্স আৰু বিদ্যুৎ-চুম্বকীয় বিকিৰণ ধৰা পেলোৱা ছেমিকণ্ডাক্টৰ ডিটেক্টৰ আদি ১৯ শতিকাৰ শেষৰ দশকত জগদীশ চন্দ্ৰ বসুৱেই আৱিষ্কাৰ কৰিছিল।

১৯১৭ চনত জগদীশ চন্দ্ৰ বসুক 'নাইট' (Sir) উপাধিৰে সন্মানিত কৰা হয়। ইয়াৰ কিছুদিন পাছতে পদাৰ্থ বিজ্ঞান আৰু জীৱবিজ্ঞানলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে তেওঁ লণ্ডনৰ 'ৰয়েল ছ'চাইটি'ৰ ফেলো নিৰ্বাচিত হয়। কোনো অত্যাধুনিক বা ব্যয়বহুল সঁজুলি তথা উন্নত গৱেষণাগাৰ নোহোৱাকৈয়ে গৱেষণা চলাই নিয়া বসুৱে এখন সু-সজ্জিত গৱেষণা প্ৰতিষ্ঠান স্থাপনৰ সপোন দেখিছিল। তেওঁৰ সেই সপোনৰে ফলশ্ৰুতিত জন্ম হৈছিল 'বসু ইনষ্টিটিউট' (বসু বিজ্ঞান মন্দিৰ), যাক বৰ্তমান দেশৰ অগ্ৰণী গৱেষণা প্ৰতিষ্ঠানসমূহৰ অন্যতম হিচাপে গণ্য কৰা হয়। বিজ্ঞানৰ বিভিন্ন বিষয়ৰ ওপৰত কেইবাখনো মূল্যৱান গ্ৰন্থ ৰচনা কৰা এইগৰাকী মহান বিজ্ঞানীয়ে ১৯৩৭ চনৰ ২৩ নৱেম্বৰত ইহলীলা সম্বৰণ কৰে।

বৈজ্ঞানিক সাধনাৰ উপৰিও জগদীশ চন্দ্ৰ বসু আছিল এগৰাকী নীতিবান ব্যক্তি; কম মজুৰিৰ প্ৰতিবাদত তেওঁ ব্ৰিটিছ কৰ্তৃপক্ষৰ বিৰুদ্ধে থিয় দিছিল আৰু নিজৰ অধিকাৰ সাব্যস্ত কৰিবলৈ 'সত্যাগ্ৰহ'ৰ পথো অৱলম্বন কৰিছিল। ২০১৮ চনৰ ২৫ ফেব্ৰুৱাৰীত প্ৰচাৰিত 'মন কী বাত' অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছাৰ জগদীশ চন্দ্ৰ বসুক ভাৰতৰ গৌৰৱ বুলি অভিহিত কৰিছিল। তদুপৰি, ২০২১ চনৰ ৪ জানুৱাৰীত প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰিছিল যে জগদীশ চন্দ্ৰ বসুৱে প্ৰথমতে কলকাতাস্থিত প্ৰেচিডেন্সি কলেজত মাইক্ৰ'ৱেভৰ নীতিসমূহ প্ৰদৰ্শন কৰিছিল। যদিও ছাৰ বসুৱে নিজৰ কামৰ বাণিজ্যিকীকৰণৰ বাবে আগবাঢ়ি যোৱা নাছিল, তথাপিও বৰ্তমানৰ আধুনিক ৰেডিঅ' যোগাযোগ ব্যৱস্থাসমূহ সেই নীতিসমূহৰ ওপৰতে প্ৰতিষ্ঠিত।





ইণ্ডিয়া কেম ২০২৬

গোলকীয় অংশীদাৰিত্বৰ শক্তিশালীকৰণ

এখন উন্নত আৰু আত্মনিৰ্ভৰ ভাৰতৰ বাবে বিশ্বমানৰ ৰাসায়নিক আৰু পেট্ৰ'কেমিকেল উদ্যোগ অতি অপৰিহাৰ্য। এই লক্ষ্যৰে চৰকাৰে দেশৰ ভিতৰত ৰাসায়নিক খণ্ডৰ বাবে এক সুচল আৰু অনুকূল পৰিৱেশ গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ২২ অক্টোবৰত মুম্বাইত 'ইণ্ডিয়া কেম ২০২৬'ৰ চতুৰ্দশ সংস্কৰণ মুকলি কৰা হয়। ৰাসায়নিক আৰু পেট্ৰ'কেমিকেল খণ্ডত গোলকীয় অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগ আকৰ্ষণ কৰা আৰু বহনক্ষম উন্নয়নক প্ৰসাৰিত কৰাই হৈছে 'ইণ্ডিয়া কেম ২০২৬'ৰ মূল উদ্দেশ্য।

২০৪৭ চনৰ ভিতৰত 'বিকশিত ভাৰত'ৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত চৰকাৰে আৰম্ভ কৰা 'ভাৰত ঔদ্যোগিক বিকাশ যোজনা'ই (BHAVYA) অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই যোজনাত তিনিটা নতুন বিশেষ ৰাসায়নিক প্ৰকল্প অন্তৰ্ভুক্ত কৰা হৈছে। 'ইণ্ডিয়া কেম ২০২৬'লৈ প্ৰেৰণ কৰা এক বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰে যে সুচল ব্যৱসায়ৰ সম্প্ৰসাৰণ আৰু ভাৰতৰ বিস্তৃত মুক্ত বাণিজ্য চুক্তিৰ জালখনে দেশলৈ নতুন বিনিয়োগ অনাৰ লগতে আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰৱেশৰ ব্যাপক সুযোগ সৃষ্টি কৰিছে। ভাৰতীয় ৰাসায়নিক উৎপাদকসকলে এই সুযোগসমূহ সঠিকভাৱে ব্যৱহাৰ কৰি বিশ্বৰ যোগান শৃংখলত নিজৰ অংশগ্ৰহণ অধিক শক্তিশালী কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় ৰসায়ন আৰু সাৰ তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই 'ইণ্ডিয়া কেম ২০২৬'ৰ চতুৰ্দশ সংস্কৰণ উদ্বোধন কৰে। অনুষ্ঠানত জাপানে অংশীদাৰ দেশ হিচাপে যোগদান কৰিছে, যাৰ উদ্দেশ্য হৈছে ভাৰতৰ সৈতে অৰ্থনৈতিক সহযোগিতা শক্তিশালী কৰা। এই সহযোগিতাই ৰাসায়নিক আৰু পেট্ৰ'কেমিকেল খণ্ডত অংশীদাৰিত্বৰ নতুন পথ প্ৰশস্ত কৰিব।

ভাৰতীয় ৰাসায়নিক উদ্যোগৰ শক্তিশালী বৃদ্ধিৰ সম্ভাৱনা

- ভাৰতীয় ৰাসায়নিক উদ্যোগটো ২০৩০ চনৰ ভিতৰত ৩০০ বিলিয়ন ডলাৰ আৰু ২০৪০ চনৰ ভিতৰত ১ ট্ৰিলিয়ন ডলাৰ স্পৰ্শ কৰিব বুলি অনুমান কৰা হৈছে।
- বৰ্ধিত ঘৰুৱা চাহিদা, সম্প্ৰসাৰিত ৰপ্তানিৰ সুযোগ, ভাৰতৰ বৃহৎ যুৱ জনসংখ্যা, তুলনামূলকভাৱে কম জনমুৰি উপভোগ আৰু চৰকাৰৰ সহায়ক পদক্ষেপসমূহৰ ফলত এই খণ্ডটোৰ বিকাশৰ সম্ভাৱনা অত্যন্ত মজবুত।

৮,০০০তকৈও অধিক প্ৰতিনিধিৰ অংশগ্ৰহণ

- অনুষ্ঠানত জাপান, আমেৰিকা, কানাডা, ব্ৰিটেইন, ইউৰোপীয় ইউনিয়নৰ দেশসমূহ, লেটিন আমেৰিকাৰ দেশসমূহ আৰু দক্ষিণ কোৰিয়াকে ধৰি বিভিন্ন দেশৰ প্ৰতিনিধি উপস্থিত থাকে।
- অনুষ্ঠানত ভাৰত আৰু বিদেশৰ ২০০তকৈও অধিক প্ৰদৰ্শক, বিশ্বজুৰি ৮,০০০তকৈও অধিক ব্যৱসায়ী আৰু ৫০টা ডাঙৰ ভাৰতীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানৰ মুখ্য কাৰ্যবাহী বিষয়া একত্ৰিত হয়।

"ইণ্ডিয়া কেম ২০২৬-এ অৰ্থপূৰ্ণ আলোচনা আৰু এনে অংশীদাৰিত্বৰ পথ প্ৰশস্ত কৰিব যিয়ে এই খণ্ডটোৰ দীৰ্ঘম্যাদী বিকাশত অৰিহণা যোগাব।" – নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী


চৰ্দাৰ পেটেলে নিশ্চিত কৰিছিল...

হিমালয়ৰ পৰা ভাৰত মহাসাগৰলৈকে এখন সু�ৰক্ষিত ভাৰত

চৰ্দাৰ পেটেলৰ ১৫১সংখ্যক জয়ন্তী (ৰাষ্ট্ৰীয় একতা দিৱস) উপলক্ষে আয়োজিত এক ভব্য অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে দেশৰ একতা, অখণ্ডতা আৰু নিৰাপত্তা শক্তিশালী কৰাত চৰ্দাৰ পেটেলৰ ভূমিকা আছিল ঐতিহাসিক। হিমালয়ৰ পৰা ভাৰত মহাসাগৰলৈকে সমগ্ৰ ভাৰতবৰ্ষক সুৰক্ষিত কৰি ৰখাৰ চৰ্দাৰ পেটেলৰ দৃষ্টিভংগীক আধাৰ হিচাপে লৈ কেন্দ্ৰীয় চৰকাৰে আভ্যন্তৰীণ নিৰাপত্তাৰ ক্ষেত্ৰত নক্সালবাদৰ বিৰুদ্ধে এক মোক্ষম আঘাত হানিবলৈ সক্ষম হৈছে। বিশ্ব বেংকৰ তথ্য অনুসৰি বিগত এক দশকত প্ৰায় ৫০০ নিযুত (৫০ কোটি) নাগৰিক দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে, যিটোৱে এক নতুন, শক্তিশালী আৰু আত্মনিৰ্ভৰশীল ভাৰতৰ দিশে হোৱা এই নজিৰবিহীন পৰিৱৰ্তনৰ প্ৰমাণ দিয়ে।


গুজৰাটৰ একতা নগৰত ৩১ অক্টোবৰত আয়োজিত এক অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে যে স্বাধীনতাই দেশখনক নিজৰ ভৱিষ্যত নিজেই নিৰ্ধাৰণ কৰাৰ অধিকাৰ দিয়ে যদিও একতাই সমগ্ৰ দেশখনক একেলগে আগবাঢ়ি যোৱাৰ শক্তি প্ৰদান কৰে। সেয়েহে, আজি সমগ্ৰ দেশজুৰি স্বাধীনতা দিৱস, গণৰাজ্য দিৱস আৰু ৰাষ্ট্ৰীয় একতা দিৱস অত্যন্ত উৎসাহ আৰু উদ্দীপনাৰে উদযাপন কৰা হয়। ৰাষ্ট্ৰীয় একতা দিৱস এতিয়া আৰু কেৱল মাত্ৰ আনুষ্ঠানিক পালনৰ মাজতে সীমাবদ্ধ হৈ থকা নাই; সক্ৰিয় জন অংশগ্ৰহণৰ দ্বাৰা সঞ্চালিত হৈ ই এক ৰাষ্ট্ৰীয় গৌৰৱৰ উৎসৱলৈ ৰূপান্তৰিত হৈছে। চৰ্দাৰ পেটেলক এক বৃহৎ ঐতিহাসিক ব্যক্তিত্ব হিচাপে বৰ্ণনা কৰি প্ৰধানমন্ত্ৰীয়ে দেশৰ বৰ্তমানৰ ভৌগোলিক আৰু ৰাজনৈতিক পৰিৱেশ গঢ়ি তোলাত তেওঁৰ উল্লেখযোগ্য অৱদানৰ কথা উল্লেখ কৰে।

চৰ্দাৰ পেটেল ভৌগোলিক আৰু মানসিক- দুয়োটা দিশৰ পৰাই দেশখনক একত্ৰিত কৰি আধুনিক ভাৰতৰ ভেটি স্থাপন কৰিছিল।



প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউ আৰ ক'ড স্কেন কৰক

বানসকান্থাত প্ৰধানমন্ত্ৰী



গৰু-মহৰ প্ৰজনন আৰু গৱেষণা কেন্দ্ৰ

বানসকান্থাৰ ভিলডিত 'গৰু-মহৰ প্ৰজনন আৰু গৱেষণা কেন্দ্ৰ' (বি বি আৰ চি) ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰা হয়। ১২৭ একৰজুৰি বিস্তৃত এই প্ৰতিষ্ঠানটো এক অত্যাধুনিক উৎকৃষ্টতাৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হৈছে। বিশেষভাবে কাংক্ৰেজ প্ৰজাতিৰ গৰুৰ বাবে উৎসৰ্গিত এইটোৱেই হৈছে দেশৰ প্ৰথমটো এনেধৰণৰ প্ৰতিষ্ঠান।

প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউ আৰ ক'ড স্কেন কৰক

মুখ্য প্ৰকল্পসমূহৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন...

- থাৰাদ আৰু ৰাধনপুৰত দৈনিক ক্ৰমে ৭৫ আৰু ১০০ মেট্ৰিক টন গোবৰ প্ৰক্ৰিয়াকৰণ ক্ষমতাৰ বানস ডেইৰীৰ দুটা জৈৱ-চিএনজি প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়।
- আহমেদাবাদ মেট্ৰ'ৰ দ্বিতীয় পৰ্যায়-২এ (বিমানবন্দৰ সম্প্ৰসাৰণ) আৰু পৰ্যায়-২বি (গিফট চিটি সম্প্ৰসাৰণ)ৰ আধাৰশিলা স্থাপন। পৰ্যায়-২এ কোটেশ্বৰ ৰোডৰ পৰা বিমানবন্দৰলৈ ৫টা ষ্টেচনসহ ৬ কিলোমিটাৰতকৈও অধিক বিস্তৃত হ'ব, আনহাতে পৰ্যায়-২বি-য়ে ৩.৩ কিলোমিটাৰতকৈ অধিক সামৰি ল'ব।
- প্ৰায় ২,৬০০ কোটি টকা ব্যয়েৰে আহমেদাবাদ-মেহচানা পথৰ (ৰাজ্যিক ঘাইপথ-৪১) ফ'ৰলেনৰ পৰা আঠটা পথলৈ উন্নীতকৰণ আৰু সম্প্ৰসাৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন।
- ৪,০৩০টা নতুন শিশু-অনুকূল অংগনবাড়ী কেন্দ্ৰৰ আধাৰশিলা স্থাপন; গুজৰাটত ৩৬১টা সম্পূৰ্ণ বিকশিত শিশু-অনুকূল অংগনবাড়ী কেন্দ্ৰ উদ্বোধন।
- কৃষি আন্তঃগাঁথনি পুঁজিৰ অধীনত প্ৰায় ৪,৯৫০ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰা ৫২১টা সম্পূৰ্ণ হোৱা প্ৰকল্প ৰাষ্ট্ৰৰ উদ্দেশ্যি উৎসৰ্গা।
- সমগ্ৰ দেশৰ কৃষকসকলক বিত্তীয় সাহায্য প্ৰদানৰ উদ্দেশ্যে পিএম-কিষাণ আঁচনিৰ ১৯,০০০ কোটি টকাৰ ২৪সংখ্যক কিস্তি মুকলি কৰা হয়।

৪০০ কোটি টকাৰ প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন...

- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে একতা নগৰত ৪০০ কোটি টকাতকৈও অধিক মূল্যৰ উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে উদ্বোধন কৰে।

তেওঁ সাংস্কৃতিক নৱজাগৰণৰ সূচনা কৰাতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। উদাহৰণস্বৰূপে, গুজৰাটৰ সোমনাথ মন্দিৰৰ পুনৰ নিৰ্মাণৰ পথ সুগম কৰি তেওঁ দেশৰ সাংস্কৃতিক পুনৰুত্থানৰ দিশ প্ৰশস্ত কৰিছিল। ৰাষ্ট্ৰীয় একতাৰ আড়ম্বৰপূৰ্ণ উদযাপন, বিশ্বমঞ্চত ভাৰতৰ ক্ৰমবৰ্ধমান মৰ্যাদা, দ্ৰুত অৰ্থনৈতিক বিকাশ আৰু কাশী বিশ্বনাথৰ পৰা আৰম্ভ কৰি ৰাম মন্দিৰলৈকে অব্যাহত থকা সাংস্কৃতিক নৱজাগৰণলৈ আঙুলিয়াই প্ৰধানমন্ত্ৰী মোদীয়ে দৃঢ়তাৰে কয় যে দেশখনে সম্প্ৰতি চৰ্দাৰ পেটেল কল্পনা কৰা পথেৰেই অগ্ৰসৰ হৈছে।

চৰ্দাৰ পেটেলৰ ১৫০সংখ্যক জয়ন্তী উপলক্ষে অনুষ্ঠিত দুবছৰীয়া সমগ্ৰ দেশজোৰা উদযাপনৰ কথা সুঁৱৰি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে সেই সময়ছোৱাত দেশখনে কেইবাটাও গুৰুত্বপূৰ্ণ সংকল্প গ্ৰহণ কৰিছিল। চৰ্দাৰ পোটেলৰ ১৫১সংখ্যক জয়ন্তীৰ এই বিশেষ ক্ষণত তেওঁ সন্তোষ প্ৰকাশ কৰে যে অত্যন্ত কম সময়ৰ ভিতৰতে ৰাষ্ট্ৰখনে এই সংকল্পসমূহ পূৰণ কৰিবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "এই দুটা বছৰত দেশখনে এনে কেইবাটাও মাইলৰ খুঁটি অৰ্জন কৰিছে, যিবোৰ ইয়াৰ পূৰ্বে কেতিয়াও সম্ভৱ হোৱা নাছিল।"

চৰ্দাৰ পেটেলৰ ১৫০সংখ্যক জয়ন্তীৰ সময়ত তেওঁৰ চৰণ ছাঁয়াত লোৱা সংকল্প-অৰ্থাৎ নক্সালবাদ আৰু মাওবাদী সন্ত্ৰাস সম্পূৰ্ণৰূপে উচ্ছেদ নোহোৱালৈকে ক্ষান্ত নোহোৱাৰ প্ৰতিশ্ৰুতিৰ কথা সোঁৱৰণ কৰি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে যে মাত্ৰ এটা বছৰৰ ভিতৰতে মাওবাদীৰ মেৰুদণ্ড ভাঙি পেলোৱা হৈছে। তেওঁ উল্লেখ কৰে যে দশক দশক ধৰি হিংসাজৰ্জৰ হৈ থকা অঞ্চলসমূহ এতিয়া বিকাশৰ মূল সুতিত চামিল হৈছে। বিশ্ব বেংকৰ এক প্ৰতিবেদনৰ উদ্ধৃতি দি তেওঁ উল্লেখ কৰে যে ২০২৪ চনলৈকে বিগত ১০-১২ বছৰত ৫০ কোটি ভাৰতীয় দৰিদ্ৰতাৰ পৰা মুক্ত হৈছে। পূৰ্বে প্ৰতি ১০০জন লোকৰ ভিতৰত ২৭জন লোকে চৰম দৰিদ্ৰতাত দিন কটাইছিল যদিও এতিয়া সেই সংখ্যা ৩ জনতকৈও হ্ৰাস পাইছে।

দ্বাদশ
সংবিধান
দিৱস
বিশেষ

প্রচ্ছদ নিবন্ধ

যেতিয়া ‘আমি, ভাৰতৰ জনসাধাৰণ’ প্ৰতিগৰাকী নাগৰিকৰ উদযাপনৰ কাৰক হৈ পৰে



৩৬ কোটি জনসংখ্যা, সীমিত সম্পদ আৰু অলেখ প্ৰত্যাহ্বানেৰে ভৰা এখন সদ্য স্বাধীন দেশৰ কথা কল্পনা কৰকচোন। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত সংবিধান গৃহীত কৰা হৈছিল, যিয়ে প্ৰতিগৰাকী ভাৰতীয়ৰ সপোন, সংগ্ৰাম আৰু আকাংক্ষাসমূহ পূৰণৰ পথ প্ৰশস্ত কৰিলে। দুৰ্ভাগ্যবশতঃ এই ঐতিহাসিক দিনটো ইতিহাসৰ পাততে বিলীন হৈ পৰিছিল। কিন্তু ২০১৫ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই পাহৰিৰ গৰ্ভৰ বিলীন হৈ পৰা দিনটোক পুনৰুজ্জীৱিত কৰাৰ লগতে সংবিধান দিৱসক প্ৰতিগৰাকী নাগৰিকৰ বাবে এক প্ৰকৃত উৎসৱলৈ ৰূপান্তৰিত কৰে।


এইবাৰৰ ২৬ নৱেম্বৰত দেশখনে ইয়াৰ দ্বাদশ সংবিধান দিৱস পালন কৰিব, যি হৈছে এক অবিৰত ৭৭ বছৰীয়া যাত্ৰাৰ উদযাপন। "আমি, ভাৰতৰ জনসাধাৰণ"-এই আহ্বান এতিয়া সংবিধানৰ প্ৰস্তাৱনাত থকা মাত্ৰ তিনিটা শব্দৰ মাজতে সীমাবদ্ধ হৈ থকা নাই। আজি এই চেতনা প্ৰতিটো নিৰপেক্ষ নতুন আইনত প্ৰতিফলিত হৈছে, প্ৰতিগৰাকী হিতাধিকাৰীৰ মূৰৰ ওপৰত এক স্থায়ী ছাদৰ ব্যৱস্থাৰ জৰিয়তে বাস্তৱ ৰূপ লাভ কৰিছে, কৃষকসকলৰ বেংক একাউণ্টলৈ পোনপটীয়াকৈ হস্তান্তৰ কৰা আৰ্থিক সাহায্যৰ মাজত প্ৰতিধ্বনিত হৈছে আৰু সৰলীকৃত জি এছ টি ব্যৱস্থাৰ জৰিয়তে প্ৰকাশ পাইছে। 'গণতন্ত্ৰৰ মাতৃ' স্বৰূপ ভাৰতে এতিয়া ইয়াৰ গৌৰৱ বিশ্বমঞ্চত অনুৰণিত হোৱা দেখা পাইছে। এইয়া হৈছে সংকল্পৰ পৰা সিদ্ধিলৈকে ('সংকল্প ছে সিদ্ধি') অতিক্ৰম কৰা এনে এক যাত্ৰা, যিয়ে ৰাষ্ট্ৰখনক 'বিকশিত ভাৰত'ৰ দিশে আগবঢ়াই লৈ গৈছে। এই যাত্ৰাত সংবিধান এতিয়া কেৱল আইনী নথি হৈ থকা নাই; ই ১৪০ কোটি ভাৰতীয়ৰ উমৈহতীয়া আত্মা হৈ পৰিছে।

যদি কোনো মানৱ-ৰচিত নথিপত্ৰক প্ৰকৃততে অমৰ বুলি ক'ব পাৰি, তেন্তে সেয়া হৈছে ভাৰতৰ সংবিধান। যোৱা ১২টা বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবিধানক দেশৰ এক পবিত্ৰ গ্ৰন্থ আৰু পথ-প্ৰদৰ্শক হিচাপে জ্ঞান কৰি বিকাশৰ এক ভেটি নিৰ্মাণ কৰিবলৈ ব্যৱহাৰ কৰিছে, যিটো ভেটি দশক দশক ধৰি দেশখনৰ বাবে দুষ্পাপ্য হৈ আছিল। এসময়ত ৰাজনীতিবিদসকলে যিবোৰ সমস্যাক 'ভাগ্য' বুলি মানি লৈ এৰাই চলিছিল, প্ৰধানমন্ত্ৰীয়ে কেৱল সেইবোৰৰ সমাধানৰ প্ৰচেষ্টাই কৰা নাই, বৰঞ্চ সফলতাৰে সমাধান কৰিছে। সংবিধান এতিয়া কেৱল এক আইনী কাঠামাতেই সীমিত হৈ থকা নাই। ই কেৱল এটা আইনী দলীল হৈ থকাৰ পৰিৱৰ্তে প্ৰকৃতাৰ্থত এক সামাজিক নথিলৈ পৰিৱৰ্তিত হৈছে। এইবাৰৰ ২৬ নৱেম্বৰত দেশখনে সংবিধান গ্ৰহণৰ ৭৭ বছৰ উপলক্ষে ইয়াৰ দ্বাদশ সংবিধান দিৱস পালন কৰিছে। এই প্ৰসংগত, "সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস", এই মন্ত্ৰটো যোৱা এটা দশক বা ততোধিক সময় ধৰি সংবিধানৰ মূল ভাৱনাৰ আটাইতকৈ শক্তিশালী প্ৰকাশ হিচাপে প্ৰতিভাত হৈ উঠিছে।

এটি উপেক্ষিত তাৰিখৰ পৰা ৰাষ্ট্ৰীয় উৎসৱলৈ

১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান গৃহীত হোৱাৰ পিছতো এই ঐতিহাসিক দিনটো দশক দশক ধৰি ইতিহাসৰ পাতত লুপ্ত অৱস্থাত আছিল। সংবিধান গৃহীত হোৱাৰ ৬৫ বছৰৰ পাছত, অৰ্থাৎ ২০১৫ চনৰ ১৯ নৱেম্বৰত ভাৰত চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ে এই দিনটো আনুষ্ঠানিকভাৱে "সংবিধান দিৱস" হিচাপে পালন কৰাৰ জাননী জাৰি কৰিছিল। এই পদক্ষেপে দেশখনে ড° ভীমৰাও আম্বেদকাৰৰ ১২৫ সংখ্যক জন্ম-জয়ন্তী উদযাপনৰ সময়কে স্পৰ্শ কৰিছিল। প্ৰধানমন্ত্ৰী মোদীয়ে নিজেই মন্তব্য কৰিছিল যে আমাৰ সংবিধানৰ নিৰ্মাতাগৰাকীক চিৰদিনৰ বাবে স্মৰণ কৰাটো নিশ্চিত কৰাৰ ইয়াতকৈ পবিত্ৰ সুযোগ আন একো হ'ব নোৱাৰে। ইয়াৰ এক আকৰ্ষণীয় কথা হ'ল যে প্ৰধানমন্ত্ৰী মোদীয়ে সংবিধানৰ বাবে বিশেষ দিন একোটা উদযাপনৰ প্ৰচাৰ চলোৱাটো এয়ে প্ৰথমবাৰ হোৱা নাছিল; ইয়াৰ পূৰ্বে ২০০৯ চনত গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা সময়তো তেওঁৰ ৰাজ্য চৰকাৰে এক ভব্য উদযাপনৰ মাজেৰে সংবিধানৰ ৬০সংখ্যক বৰ্ষপূৰ্তি

প্রচ্ছদ নিৱন্ধ



ৰাষ্ট্ৰ প্ৰথম, সংবিধান প্ৰথম

এটি যাত্ৰাৰ এক চমু আভাস

২ বছৰ, ১১ মাহ, ১৮ দিন সংবিধানৰ খচৰা প্ৰস্তুত কৰিবলৈ লোৱা সময়

৬০ খনৰো অধিক দেশৰ সংবিধানসমূহ অধ্যয়ন কৰি ২০০০ৰো অধিক সংশোধনীৰ পিছত সংবিধান চূড়ান্ত কৰা হৈছিল।

২৬ নৱেম্বৰ ১৯৪৯
সংবিধান গৃহীত হয়।

১৯৫০ চনৰ ২৬ জানুৱাৰী
সংবিধান কাৰ্যকৰী হয়; ভাৰত গণৰাজ্যত পৰিণত হয়।

১৯ নৱেম্বৰ ২০১৫
২৬ নৱেম্বৰক 'সংবিধান দিৱস' হিচাপে পালন কৰিবলৈ অধিসূচনা জাৰি কৰা হয়।

২০২৪
সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰীয়া জয়ন্তী; দশম সংবিধান দিৱস পালন কৰা হয়।

২৫ জুন ২০২৫
জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰীয়া জয়ন্তী; সংবিধান হত্যা দিৱস হিচাপে স্মৰণ কৰা হয়।

২৬ নৱেম্বৰ ২০২৫
৭৬সংখ্যক সংবিধান দিৱস; 'সংবিধান@৭৫' অভিযানৰ সামৰণি; সংবিধানৰ অনুবাদিত সংস্কৰণ ৯টা অতিৰিক্ত ভাষাত প্ৰকাশ কৰা হয়।

২৬ নৱেম্বৰ ২০২৬
১২সংখ্যক সংবিধান দিৱস; সংবিধান গ্ৰহণৰ ৭৭ বছৰীয়া জয়ন্তী।

পালন কৰিছিল। হাতীৰ ওপৰত সংবিধানক সুশোভিত কৰি এটা শোভাযাত্ৰা উলিওৱা হৈছিল, য'ত তেতিয়াৰ মুখ্যমন্ত্ৰী মোদীয়ে নিজেই সন্মুখভাগত খোজ কাঢ়িছিল।

২৬ নৱেম্বৰৰ অবিহনে ২৬ জানুৱাৰীৰ তাৎপর্য্য অসম্পূৰ্ণ হৈ থাকে; দৰাচলতে, ২৬ জানুৱাৰীৰ শক্তি ২৬ নৱেম্বৰতে নিহিত আছে। এই দৃষ্টিভংগীৰ দ্বাৰা পৰিচালিত হৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সংবিধান দিৱসক ৰাজহুৱা উদযাপনলৈ ৰূপান্তৰিত কৰিলে। আজি প্ৰতি বছৰে-কেন্দ্ৰৰ পৰা জিলা স্তৰলৈকে-ভাষণ প্ৰতিযোগিতা, মৌলিক কৰ্তব্যৰ ওপৰত ব্যাখ্যা, প্ৰস্তাৱনাৰ সামূহিক পঠন, চলচ্চিত্ৰ প্ৰদৰ্শন, আৰু বিদ্যালয়ত "নিজৰ সংবিধান জানি লওক"ৰ দৰে কাৰ্যসূচী ৰূপায়িত হয়। ২০২৫ চনৰ ২৬ নৱেম্বৰত ৭৬সংখ্যক সংবিধান দিৱস উপলক্ষে সংবিধান সদনৰ ঐতিহাসিক কেন্দ্ৰীয় প্ৰেক্ষাগৃহত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ অধ্যক্ষতাত ৰাষ্ট্ৰীয় সমাৰোহ আয়োজিত হৈছিল, য'ত উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, লোকসভাৰ অধ্যক্ষ তথা উভয় সদনৰ সাংসদসকল উপস্থিত থাকে। এই উপলক্ষে ভাৰতৰ সংবিধানৰ অনুবাদিত সংস্কৰণ অতিৰিক্ত নটা ভাষা: মালয়ালম,



মাৰাঠী, নেপালী, পাঞ্জাবী, বড়ো, কাশ্মীৰী, তেলেগু, ওড়িয়া আৰু অসমীয়াত প্ৰকাশ কৰা হয়। 'ভাৰতীয় সংবিধানৰ চিত্ৰকলা আৰু লিপিকলা' (ভাৰত কে সংবিধান সে কলা ঔৰ কেলিগ্ৰাফী) শীৰ্ষক এখন স্মৃতিগ্ৰন্থৰো উন্মোচন হয়। সেইদিনা ড° আম্বেদকাৰ ফাউণ্ডেচনে 'এখন জীৱন্ত সংবিধান: গণতন্ত্ৰ, গৰিমা আৰু বিকাশৰ ৭৫ বছৰ' বিষয়ৰ ওপৰত এখন ৰাষ্ট্ৰীয় সম্মিলনৰ আয়োজন কৰি বছৰজুৰি চলা 'সংবিধান@৭৫' অভিযানৰ সামৰণি মাৰে। অৱশ্যে, সংবিধান দিৱসৰ মহত্ত্ব উপলব্ধি কৰিবলৈ গণতান্ত্ৰিক ইতিহাসৰ সেই ক'লা অধ্যায়বোৰো চাব লাগিব যেতিয়া নাগৰিকৰ মৌলিক অধিকাৰো কাঢ়ি লোৱা হৈছিল। সংবাদ মাধ্যমৰ ওপৰত চেন্সৰশ্বিপ জাপি দিয়া হৈছিল। মতানৈক্যৰ কণ্ঠস্বৰ কাৰাগাৰত বন্দী কৰা হৈছিল।

সংবিধান আৰু জৰুৰীকালীন অৱস্থাৰ অন্ধকাৰ নিশা

সংবিধান দিৱস গৌৰৱেৰে পালন কৰা হয়, আৰু ই এক জাতীয় উৎসৱলৈ পৰিণত হৈছে। তথাপিও এটা সময় আছিল যেতিয়া এটা অন্ধকাৰ অধ্যায়ে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ গণতান্ত্ৰিক মূল্যবোধৰ পতন ঘটাইছিল। ১৯৭৫ চনৰ ২৫ জুনত "আভ্যন্তৰীণ অশান্তি" বুলি উল্লেখ কৰি দেশখনৰ ওপৰত জৰুৰীকালীন অৱস্থা জাপি দিয়া হয়। কেবিনেটৰ অনুমোদন অবিহনে জৰুৰীকালীন অৱস্থা কার্যকৰী হোৱা সেয়া আছিল অভূতপূর্ব। এখন চৰকাৰে প্ৰতিষ্ঠিত নিয়ম আৰু পদ্ধতিৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত লয়; কিন্তু এই ক্ষেত্ৰত আনকি মন্ত্ৰীসকলকো আন্ধাৰত ৰখা হৈছিল। ফলস্বৰূপে তেতিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে বিষয়টো কেবিনেটৰ সন্মুখত ৰখাৰ বাবে অনুৰোধ জনায়, যাৰ ফলত ২৬ জুনত পুৱা ৬:০০ বজাত কেবিনেটৰ বৈঠক আহ্বান কৰা হয়। সেই একেদিনাই প্ৰেছৰ ওপৰত চেন্সৰশ্বিপৰ আৰু এটা নির্দেশনা জাৰি হয়। সেই সময়ছোৱাৰ বিষয়ে প্ৰসাৰ ভাৰতীৰ প্ৰাক্তন অধ্যক্ষ এ সূর্য প্ৰকাশে লিখিছে- "এয়া হয়তো বিৰল দৃষ্টান্ত আছিল- জৰুৰীকালীন অৱস্থাৰ বাতৰি যাতে প্ৰকাশ নহয় তাৰ বাবে দিল্লীৰ বাহাদুৰ শ্বাহ জাফৰ মার্গত অৱস্থিত সংবাদ মাধ্যমৰ অফিচসমূহৰ বিদ্যুৎ যোগান ২৫ জুনৰ ঠিক নিশাই কাটি দিয়া হৈছিল।" এই স্বৈৰাচাৰী পন্থাৰ আন এক উদাহৰণ আহিল বেংগালুৰুৰ পৰা। সেই সময়ত মই বেংগালুৰুত ইণ্ডিয়ান এক্সপ্ৰেছত কাম কৰি আছিলোঁ। প্ৰি-চেন্সৰশ্বিপ জাপি দিয়া হৈছিল আৰু ইয়াক বলবৎ কৰাৰ দায়িত্ব বেংগালুৰুৰ তেতিয়াৰ আৰক্ষী


> আমি আমাৰ গণতান্ত্ৰিক আদর্শ আৰু আমাৰ সংবিধানক সর্বোচ্চ সন্মান দিওঁ; সেয়েহে ২৫ জুনৰ দিনটো আমি কেতিয়াও পাহৰিব নোৱাৰোঁ। এই দিনটোতে আমাৰ ৰাষ্ট্ৰৰ ওপৰত জৰুৰীকালীন অৱস্থা জাপি দিয়া হৈছিল-ভাৰতৰ ইতিহাসৰ এক অন্ধকাৰ অধ্যায়। গণতন্ত্ৰৰ পক্ষত থিয় দিয়াসকলৰ ওপৰত সেই সময়ত কৰা অত্যাচাৰ ইমানেই ভয়াৱহ আছিল যে আজিও সেইবোৰৰ কথা ভাবিলেই মন কঁপি উঠে।
>
> *- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

সংবিধান দিৱস...

১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান সভাই সংবিধান গৃহীত কৰে। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ভাৰতৰ সংবিধান কার্যকৰী হয়। ২০১৫ চনত চৰকাৰে এই পৱিত্র অনুষ্ঠানটোক সন্মান জনাই ২৬ নৱেম্বৰক 'সংবিধান দিৱস' হিচাপে ঘোষণা কৰে।

ভাৰতৰ সংবিধান সম্পর্কে কিছু আমোদজনক তথ্য

- সংবিধান সভা-ভাৰতৰ জনসাধাৰণৰ প্রথম প্রতিনিধি সংস্থাই-১৯৪৬ চনৰ ৯ ডিচেম্বৰৰ পৰা নিজৰ গুৰুত্বপুর্ন কাম আৰম্ভ কৰে।
- প্রায় তিনি বছৰ ধৰি চলা সংবিধানৰ খচৰা প্রস্তুতৰ সমগ্র প্রক্রিয়াটোত ৫৩,০০০ৰো অধিক নাগৰিকে সংবিধান সভাৰ ৰাজহুৱা গেলেৰীৰ পৰা বিতর্ক আৰু আলোচনা পর্যবেক্ষণ কৰিছিল।
- সংবিধানৰ খচৰা প্রস্তুত কৰাত ২ বছৰ, ১১ মাহ, আৰু ১৮ দিন লাগিছিল।
- সংবিধানৰ বিভিন্ন বিধানৰ ওপৰত ১১০০ ঘণ্টা ৩২ মিনিটৰ আলোচনা অনুষ্ঠিত হৈছিল।
- সাতজনীয়া খচৰা সমিতি এখনে ইয়াক চূড়ান্ত ৰূপ দিয়ে।
- ভাৰতৰ সংবিধান হৈছে পৃথিৱীৰ আটাইতকৈ দীঘলীয়া লিখিত সংবিধান। আৰম্ভণিৰ সময়ত ইয়াত ৩৯৫টা অনুচ্ছেদ, ২২টা অংশ আৰু ৮টা অনুসূচী আছিল।



- ভাৰতৰ সংবিধান টাইপ কৰা হোৱা নাছিল বা ছপা কৰা হোৱা নাছিল; ইয়াক ইংৰাজী আৰু হিন্দী উভয় ভাষাতে হাতেৰে লিখা হৈছিল আৰু ইয়াত প্রায় ৯০,০০০ শব্দ সন্নিৱিষ্ট আছিল।
- আচার্য নন্দলাল বসুৰ নেতৃত্বত শান্তিনিকেতনৰ শিল্পীসকলে সংবিধানখন কলাত্মকভাৱে সজাই তুলিছিল। কেলিগ্রাফী দিল্লীত কৰিছিল প্রেম বেহাৰী নাৰায়ণ ৰাইজাদাই।
- ভাৰতীয় সংবিধানৰ মূল প্রতিলিপিসমূহ ভাৰতীয় সংসদৰ পুথিভঁৰালত নাইট্রজেন থকা বিশেষ পাত্রত ৰখা হয়।
- সংবিধানৰ প্রতিটো অংশৰ আৰম্ভণিতে ভাৰতীয় ইতিহাসৰ এটা পর্যায় বা দৃশ্য চিত্রিত কৰা হৈছে। এই চিত্রকল্পসমূহ সৃষ্টি কৰিছিল নন্দলাল বসুৱে; সংবিধানত মুঠ ২২টা এনে চিত্রকল্প আৰু শিল্পকর্ম আছে।



- ১৯৫০ চনৰ ২৪ জানুৱাৰীত সংবিধান সভাৰ ২৮৪জন সদস্যই নতুন দিল্লীৰ সংবিধান সভা কক্ষত ভাৰতীয় সংবিধানত স্বাক্ষৰ কৰে।
- ১৯৫০ চনৰ ২৪ জানুৱাৰীত সংবিধান সভাৰ চূড়ান্ত বৈঠক অনুষ্ঠিত হয়। এই একেখন বৈঠকতে ড° ৰাজেন্দ্র প্রসাদক ভাৰতৰ প্রথম ৰাষ্ট্রপতি হিচাপে ঘোষণা কৰা হয়।
- সংবিধান সভাত ১৫গৰাকী মহিলা সদস্য আছিল। ইয়াৰ ভিতৰত আছিল সৰোজিনী নাইডু, ৰাজকুমাৰী অমৃত কৌৰ, হান্সা মেহতা, সুচেতা কৃপলানী, আৰু জি দুর্গাবাই।
- ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ভাৰতৰ সংবিধান কার্যকৰী হয়। ভাৰত গণৰাজ্য হোৱাৰ পিছত জি ভি মাভলংকাৰ লোকসভাৰ প্রথম অধ্যক্ষ হয়।



আয়ুক্তৰ ওপৰত ন্যস্ত কৰা হৈছিল- ফলপ্ৰসূভাৱে এজন ইউনিফৰ্ম পৰিহিত বিষয়াক আমাৰ সম্পাদকলৈ ৰূপান্তৰিত কৰি। তেওঁ সিদ্ধান্ত লৈছিল, কি প্ৰকাশ হ'ব আৰু কি প্ৰকাশ কৰিব নোৱাৰি, কোনবোৰ শব্দ বা ফটো অন্তৰ্ভুক্ত কৰা হ'ব বা আঁতৰোৱা হ'ব। প্ৰেছ কাউন্সিল আইনখনো বাতিল কৰা হৈছিল, বহু সাংবাদিকক কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল।" সেই সময়ছোৱাৰ কথা মনত পেলাই তেওঁ আৰু লিখিছে, "মোৰ আন এটা ঘটনা মনত আছে: তেতিয়াৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰীৰ নিৰ্দেশত ৰাতিপুৱাই ডি এ ভি পি আৰু অল ইণ্ডিয়া ৰেডিঅ'লৈ ফোন কৰা হৈছিল, আৰু সকলো অনুবাদকক শাস্ত্ৰী ভৱনলৈ মাতি অনা হৈছিল। প্ৰায় ১০-১৫জন অনুবাদক, ঘটনাক্ৰম সম্পৰ্কে যাৰ কোনো ধাৰণা নাছিল, তেওঁলোকক বিশ্ব যুৱক কেন্দ্ৰলৈ লৈ যোৱা হৈছিল আৰু দুপৰীয়া ২:০০ বজাত এটা কোঠাত আবদ্ধ কৰি ৰখা হৈছিল। তেওঁলোকৰ হাতত ইংৰাজীত ছপা কৰা কংগ্ৰেছ দলৰ নিৰ্বাচনী ইস্তাহাৰ অৰ্পণ কৰা হৈছিল আৰু ১৫টা ভাষালৈ অনুবাদ কৰাৰ দায়িত্ব দিয়া হৈছিল। ৰাতি ১০-১২ বজাত কাম শেষ কৰাৰ পাছতহে তেওঁলোকক ঘৰলৈ উভতি যাবলৈ দিয়া হৈছিল।" লোকসভাত জৰুৰীকালীন সন্দৰ্ভত এক আলোচনাৰ সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে, "২৫ জুনৰ সেই নিশা ৰাষ্ট্ৰৰ আত্মা চূৰ্ণ-বিচূৰ্ণ কৰি পেলোৱা হৈছিল। ভাৰতত গণতন্ত্ৰ সংবিধানৰ পৃষ্ঠাৰ পৰাই জন্ম হোৱা নাই; ভাৰতত গণতন্ত্ৰ যুগ যুগ ধৰি আমাৰ আত্মা, এই আত্মাটোৱেই চূৰ্ণ-বিচূৰ্ণ কৰি দিয়া হৈছিল। দেশৰ সংবাদ মাধ্যমক স্তব্ধ কৰি দিয়া হৈছিল। দেশৰ মহাপুৰুষসকলক কাৰাগাৰৰ অন্ধকাৰ কুঠৰীত বন্ধ কৰি ৰখা হৈছিল। সমগ্ৰ দেশখনকে কাৰাগাৰলৈ ৰূপান্তৰিত কৰা হৈছিল-কেৱল ক্ষমতাৰ ওপৰত কাৰোবাৰ দখল যাতে অক্ষত থাকে তাৰ বাবে। ন্যায়পালিকাৰ নিৰ্ণয় আছিল, কিন্তু ন্যায়পালিকাৰ অসম্মান কেনেকৈ হয় তাৰ এক জীৱন্ত উদাহৰণ।"

... তাৰ পিছত, সাংবিধানিক সংশোধনীৰ ফলত জৰুৰীকালীন অৱস্থা জাপি দিয়াটো অসম্ভৱ হৈ পৰিল

জৰুৰীকালীন সময়ত সংবিধানৰ কেইবাটাও বিধানৰ পৰিৱৰ্তন ঘটিছিল। পৰৱৰ্তী সময়ত মোৰাৰজী দেশাই চৰকাৰৰ কাৰ্যকালত এইবোৰ শুধৰণি কৰা হৈছিল। এইটো তাৎপৰ্যপূৰ্ণ, কাৰণ জৰুৰীকালীন সময়ত প্ৰৱৰ্তন কৰা ৪২সংখ্যক সংশোধনে-উচ্চতম ন্যায়ালয়ৰ ক্ষমতা হ্ৰাস কৰিছিল আৰু আমাৰ গণতান্ত্ৰিক মূল্যবোধক ক্ষতিগ্ৰস্ত কৰা অন্যান্য বিধানসমূহো অন্তৰ্ভুক্ত কৰিছিল; এইবোৰ ৪৪ সংশোধনীৰ জৰিয়তে পুনৰুদ্ধাৰ কৰা হৈছিল। এই একেটা সংশোধনীতে এইটোও নিৰ্ধাৰণ কৰা হৈছিল যে সংবিধানৰ ২০ আৰু ২১ নং অনুচ্ছেদৰ অধীনত নিশ্চিত কৰা মৌলিক অধিকাৰসমূহ জৰুৰীকালীন অৱস্থাতো স্থগিত ৰাখিব নোৱাৰিব। দেশত প্ৰথমবাৰৰ বাবে কেবিনেটৰ লিখিত পৰামৰ্শৰ ভিত্তিতহে ৰাষ্ট্ৰপতিয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিব লাগিব

> জৰুৰীকালীন অৱস্থাৰ বিষয়ে লিখা 'টৰ্চাৰ অৱ পলিটিকেল প্ৰিজনাৰ্ছ ইন ইণ্ডিয়া' নামৰ গ্ৰন্থখনত সেই সময়ৰ চৰকাৰে গণতন্ত্ৰৰ ৰক্ষকসকলক কেনেদৰে অতি নৃশংস ব্যৱহাৰ কৰিছিল সেই বিষয়ে বিতংভাৱে উল্লেখ কৰা হৈছে। মই সকলোকে আহ্বান জনাইছোঁ যে দেশৰ স্বাধীনতাক বিপদাপন্ন কৰা এনে অপৰাধৰো নিশ্চিতভাৱে অৱলোকন কৰক। তেনে কৰিলে আজিৰ নৱ প্ৰজন্মই গণতন্ত্ৰৰ প্ৰকৃত অৰ্থ আৰু তাৎপৰ্য ভালদৰে বুজিব পাৰিব।
>
> *- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

বুলি এক ব্যৱস্থা স্থাপন কৰা হয়। তদুপৰি, জৰুৰীকালীন অৱস্থাৰ সময়সীমা এটা সময়ত ছমাহতকৈ অধিক বৃদ্ধি কৰিব নোৱাৰিব বুলি বাধ্যতামূলক কৰা হৈছিল। এইদৰে মোৰাৰজী চৰকাৰে নিশ্চিত কৰিলে যে ১৯৭৫ চনৰ দৰে জৰুৰীকালীন অৱস্থা দেশত কেতিয়াও পুনৰাবৃত্তি হ'ব নোৱাৰে। অৰ্থাৎ প্ৰধানমন্ত্ৰী হোৱাৰ লগে লগে মোৰাৰজী দেশাইয়ে জৰুৰীকালীন সময়ত সংবিধানত প্ৰৱৰ্তিত বিকৃতিসমূহ শুধৰাই দিলে। ন্যায়পালিকা, সংসদ, সংবাদ মাধ্যম, নাগৰিকৰ অধিকাৰ পুনৰ ঘূৰাই পালে। এই সন্দৰ্ভত চিন্তা কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেইবাবাৰো লক্ষ্য কৰিছে-

সংবিধান আৰু জৰুৰীকালীন অৱস্থা



জৰুৰীকালীন অৱস্থা...

১৯৭৫ চনৰ ২৫ জুনত তেতিয়াৰ ৰাষ্ট্ৰপতি ফখৰুদ্দিন আলী আহমেদে "আভ্যন্তৰীণ অশান্তিৰ" ভাবুকিৰ উল্লেখ কৰি সংবিধানৰ ৩৫২ নং অনুচ্ছেদৰ অধীনত জৰুৰীকালীন অৱস্থা ঘোষণা কৰে। ১৯৭৫ চনৰ ২৪ জুনৰ নিশাটো স্বাধীন ভাৰতৰ ইতিহাসৰ আটাইতকৈ দীঘলীয়া নিশা হৈ পৰিল, কিয়নো তাৰ পিছৰ পুৱাটো ২১ মাহৰ পিছতহে হ'ল। ১৯৭৫ চনৰ ২৫ জুনৰ পৰা ১৯৭৭ চনৰ ২১ মাৰ্চলৈকে এই জৰুৰীকালীন অৱস্থা প্ৰযোজ্য হৈ আছিল।

- ভাৰতৰ ইতিহাসত এইটো আছিল তৃতীয়টো জৰুৰীকালীন অৱস্থা, কিন্তু শান্তিৰ সময়ত জাপি দিয়া প্ৰথমটো জৰুৰীকালীন অৱস্থা।
- ইয়াৰ পূৰ্বে, ১৯৬২ চনত চীন আৰু ১৯৭১ চনত পাকিস্তানৰ সৈতে হোৱা যুদ্ধৰ সময়ত জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছিল।
- সেই সময়ত, ৩৫২ নং অনুচ্ছেদত যুদ্ধ, বাহ্যিক আগ্ৰাসন বা আভ্যন্তৰীণ অশান্তিৰ ভিত্তিত জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ ব্যৱস্থা আছিল।
- ১ লাখ ১০ হাজাৰ বিৰোধী ৰাজনৈতিক নেতাক কাৰাগাৰত বন্দী কৰা হৈছিল।
- ১৯৭৫ চনৰ ২৬ জুন তাৰিখৰ পৰা সকলো বাতৰি কাকতৰ ওপৰত পূৰ্ব চেন্সৰশ্বিপ জাপি দিয়া হয়।
- সম্পাদকসকলে বাতৰি, সম্পাদকীয় বা ফটো প্ৰকাশ কৰাৰ আগতে চৰকাৰী অনুমোদন ল'ব লাগিছিল।



- চেন্সৰশ্বিপৰ প্ৰাৰম্ভিক দিনত দিল্লীৰ বাতৰি কাকতৰ কাৰ্যালয়লৈ বিদ্যুৎ যোগান বন্ধ হৈ পৰিছিল।
- কৰ্মী, স্বতন্ত্ৰ সম্পাদক, সাংবাদিক, বিৰোধী ছাত্ৰ নেতা, আৰু বিভিন্ন সৃষ্টিশীল কামত নিয়োজিত ব্যক্তিকো কাৰাগাৰত ভৰোৱা হৈছিল।
- বিষয়বস্তুৰ ওপৰত নিয়ন্ত্ৰণ: চেন্সৰশ্বিপ সংসদীয় আৰু ন্যায়িক কাৰ্য্যবিধিলৈ সম্প্ৰসাৰিত কৰা হৈছিল। আদালতৰ ৰায় প্ৰকাশৰ ক্ষেত্ৰত হয় পৰিৱৰ্তন কৰা হৈছিল, নহয় নিয়ন্ত্ৰণৰ অধীনত ৰখা হৈছিল।
- সংবাদ মাধ্যমৰ শ্ৰেণীবিভাজন: সম্পাদকীয় স্থিতি আৰু কভাৰেজৰ ভিত্তিত বাতৰি কাকতসমূহক "অনুকূল", "নিৰপেক্ষ" বা "শত্ৰুতাপূৰ্ণ" হিচাপে শ্ৰেণীভুক্ত কৰা হৈছিল।
- সংবিধানৰ এনে অপব্যৱহাৰ কৰা হৈছিল যিটো ভাৰতৰ গণতন্ত্ৰৰ স্মৃতিত দুঃস্বপ্নৰ দৰে চিৰদিনৰ বাবে খোদিত হৈ ৰব।



"এনেদৰে মোৰাৰজী ভাইয়ে নিশ্চিত কৰিছিল যে জৰুৰীকালীন অৱস্থা জাপি দিয়াৰ জৰিয়তে, ১৯৭৫ চনত যিদৰে 'গণতন্ত্ৰৰ হত্যা' কৰা হৈছিল-সেয়া ভৱিষ্যতে কেতিয়াও পুনৰাবৃত্তি হ'ব নোৱাৰে। ভৱিষ্যৎ প্ৰজন্মই ভাৰতীয় গণতন্ত্ৰৰ পৱিত্ৰতা বজাই ৰখাৰ দিশত তেওঁৰ অমূল্য অৱদান সদায় মনত ৰাখিব। আকৌ এবাৰ মই এই মহান নেতাজনলৈ মোৰ শ্ৰদ্ধাঞ্জলি জনাইছোঁ।"

জনসাধাৰণৰ সাংবিধানিক অধিকাৰ, চৰকাৰৰ প্ৰতিশ্ৰুতি

দেশৰ নতুন প্ৰজন্মই জৰুৰীকালীন অৱস্থাৰ পৰিঘটনাসমূহৰ প্ৰতি সচেতন হোৱা উচিত, কিয়নো ভাৰতীয় জনসাধাৰণৰ এয়াই শক্তিৰ প্ৰমাণ যে তেওঁলোকে সঁচাকৈয়ে গণতন্ত্ৰক জীয়াই ৰাখিছে আৰু ৰক্ষা কৰিছে। যেতিয়া সেই মুহূৰ্তটো আহিল, তেতিয়া দেশৰ জনসাধাৰণে গণতান্ত্ৰিক শক্তিৰ পৰিচয় দিছিল। এই কথা যিকোনো দেশৰ বাবে বহুত ডাঙৰ শক্তিৰ ৰূপ; জনসাধাৰণৰ শক্তিৰ অনুভৱ সদায় কৰিব লাগিব। নিৰ্বাচনী প্ৰক্ৰিয়াৰ জৰিয়তে গণতন্ত্ৰক ভালপোৱা লোকসকলে তেওঁলোকে যুঁজ দিয়া সংগ্ৰামৰ ব্যাপকতা

জৰুৰীকালীন সময়ত সংবিধানৰ সংশোধনী

জৰুৰীকালীন সময়ত সংবিধানত ইমানবোৰ সংশোধনী কৰা হৈছিল যে ইয়াক সংবিধানৰ "সংক্ষিপ্ত সংস্কৰণ" বুলি কোৱা হৈছিল। প্ৰস্তাৱনা সলনি কৰা হ'ল, ১৪ নং অনুচ্ছেদ সলনি কৰা হ'ল আৰু সাতটা সূচী সংশোধন কৰা হ'ল। ৪০টা পৃথক পৃথক দফাত পৰিবৰ্তন কৰা হৈছিল; নতুন অনুচ্ছেদ আৰু নতুন খণ্ড সন্নিৱিষ্ট কৰা হৈছিল।

- ৩৮সংখ্যক সংশোধনী: ৰাষ্ট্ৰপতিয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ সিদ্ধান্তক আদালতত প্ৰত্যাহ্বান জনোৱাৰ ওপৰত বাধা আৰোপ কৰা হৈছিল।
- ৩৯সংখ্যক সংশোধনীঃ প্ৰধানমন্ত্ৰী আৰু লোকসভাৰ অধ্যক্ষ নিৰ্বাচনক ন্যায়িক তদন্তৰ পৰিসৰৰ বাহিৰত ৰখা হৈছিল।
- ৪২সংখ্যক সংশোধনীঃ কেন্দ্ৰৰ ক্ষমতা আৰু অধিক সম্প্ৰসাৰণ কৰা হ'ল। ৰাজ্যৰ নীতি-নিৰ্দেশক তত্ত্বসমূহক মৌলিক অধিকাৰতকৈ অধিক প্ৰাধান্য দিয়া হৈছিল। ইয়াৰ ফলত সংবিধানৰ মৌলিক গাঁথনি ফলপ্ৰসূভাৱে সলনি হ'ল।
- ৪২সংখ্যক সংশোধনী: সাংবিধানিক সংশোধনীৰ ন্যায়িক পৰ্যালোচনা নিষিদ্ধ কৰা হৈছিল।
- ৬৯সংখ্যক সংশোধনীৰ এটা খণ্ডই উচ্চতম ন্যায়ালয়ৰ ক্ষমতা কাঢ়ি লোৱাৰ কামো কৰিছিল।
- লোকসভা আৰু ৰাজ্যৰ বিধানসভাসমূহৰ কাৰ্যকাল পাঁচ বছৰৰ পৰা ছয় বছৰলৈ বৃদ্ধি কৰা হৈছিল।





লোকসভা নিৰ্বাচনৰ পিছত জৰুৰীকালীন অৱস্থাৰ অন্ত

- ১৬ মাৰ্চৰ পৰা ২০ মাৰ্চৰ ভিতৰত লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু ১৯৭৭ চনৰ ২১ মাৰ্চত জৰুৰীকালীন অৱস্থা প্ৰত্যাহাৰ কৰা হৈছিল।
- ১৯৭৮ চনত ৪৪সংখ্যক সাংবিধানিক সংশোধনী প্ৰণয়ন কৰা হয়। ইয়াত "আভ্যন্তৰীণ অশান্তি"ৰ ঠাইত "সশস্ত্ৰ বিদ্ৰোহ"ক জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ ভিত্তি হিচাপে লোৱা হয়।
- ন্যায়িক পৰ্যালোচনা পুনৰুদ্ধাৰ কৰা হ'ল। ভৱিষ্যতে জৰুৰীকালীন ঘোষণাৰ সন্দৰ্ভত আইনী সুৰক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰা হয়।
- ৪৪সংখ্যক সংশোধনীত এইটোও উল্লেখ কৰা হয় যে সংবিধানৰ ২০ আৰু ২১ নং অনুচ্ছেদৰ অধীনত নিশ্চিত কৰা মৌলিক অধিকাৰসমূহ জৰুৰীকালীন অৱস্থাতো স্থগিত ৰাখিব নোৱাৰিব।
- দেশত প্ৰথমবাৰৰ বাবে কেবিনেটৰ লিখিত পৰামৰ্শৰ ভিত্তিতহে ৰাষ্ট্ৰপতিয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিব লাগিব বুলি এক ব্যৱস্থা প্ৰৱৰ্তন কৰা হয়।
- জৰুৰীকালীন অৱস্থাৰ সময়সীমা এটা সময়ত ছমাহতকৈ অধিক বৃদ্ধি কৰিব নোৱাৰিব বুলিও বাধ্যতামূলক কৰা হয়।

দাঙি ধৰিছিল-ইয়াৰ দ্বাৰা প্ৰকাশ পাইছিল যে গণতন্ত্ৰ জনসাধাৰণৰ জীৱনৰ প্ৰতিটো স্তৰতে কিমান গভীৰভাৱে শিপাই আছে। প্ৰতিগৰাকী নাগৰিকৰ সিৰাই-উপসিৰাই প্ৰবাহিত হোৱা গণতন্ত্ৰৰ এই চেতনাই হৈছে ভাৰতৰ অমৰ উত্তৰাধিকাৰ। জৰুৰীকালীন সময়ৰ বৰ্ষপূৰ্তিটোৱে এই উত্তৰাধিকাৰক আৰু অধিক শক্তিশালী কৰাৰ সোঁৱৰণী হিচাপে কাম কৰে। বিগত ১২ বছৰত 'সংবিধান দিৱস' পালনে সমগ্ৰ দেশতে এক নতুন সজাগতাৰ ভাব গঢ়ি তুলিছে। আজি কেন্দ্ৰীয় চৰকাৰে সাংবিধানিক অধিকাৰ সুনিশ্চিত কৰিছে জনসাধাৰণৰ-এটা বাস্তৱতা যিটো সেই আগৰ সময়ত কল্পনাতীত হ'লহেঁতেন। আজি, বাতৰি কাকতত প্ৰবন্ধ লিখিব পাৰি, ছ'চিয়েল মিডিয়াত যিকোনো মতামত প্ৰকাশ কৰিব পাৰি, মুক্তভাৱে কথা ক'ব পাৰি, আনকি চৰকাৰৰ বিৰুদ্ধেও মত প্ৰকাশ কৰিব পাৰি। এই শক্তি ক'ৰ পৰা আহে? দৰাচলতে ক'বলৈ গ'লে, ভাৰতৰ বৰ্তমানৰ নেতৃত্বই সেই জৰুৰীকালীন অৱস্থাৰ প্ৰত্যক্ষ সাক্ষী হৈছিল আৰু ইয়াৰ ফলত হোৱা দুখ-কষ্ট গভীৰভাৱে বুজি পায়। এই শক্তি সেই কণ্ঠবোৰৰ পৰাই উদ্ভৱ হৈছে, যিবোৰে

নতুন প্ৰজন্মৰ আইন

ন্যায় এতিয়া দ্ৰুত, সৰল, আৰু ভাৰতীয়

- **ভাৰতীয় ন্যায় সংহিতা (আই পি চিৰ ঠাইত):** এতিয়া ৩৫৮টা ধাৰা আছে (৫১১ৰ পৰা হ্ৰাস পাই) ২০টা নতুন অপৰাধ সংযোজন কৰা হৈছে; ২৩টা অপৰাধৰ বাবে বাধ্যতামূলক ন্যূনতম শাস্তিৰ ব্যবস্থা প্ৰৱৰ্তন কৰা হৈছে; ছটা অপৰাধৰ বাবে সমাজসেৱাৰ শাস্তিৰ ব্যবস্থা অন্তৰ্ভুক্ত কৰা হৈছে।
- **ভাৰতীয় নাগাৰিক সুৰক্ষা সংহিতা (চি আৰ পি চিৰ ঠাইত) :** এতিয়া ৫৩১টা ধাৰা আছে (৪৮৪টাৰ পৰা বৃদ্ধি) ৯টা নতুন ধাৰা যোগ কৰা হৈছে।.
- ভাৰতীয় সাক্ষ্য অধিনিয়াম (প্ৰমাণ আইনৰ ঠাইত) : এতিয়া ১৭০টা ধাৰা আছে (১৬৭টাৰ পৰা বৃদ্ধি)।
- 'ৰাজদ্ৰোহ'ৰ ঠাইত 'দেশদ্ৰোহ'ৰ ব্যৱস্থা -চৰকাৰক সমালোচনা কৰাটো এতিয়া অপৰাধ নহয়; মত প্ৰকাশৰ স্বাধীনতাক শক্তিশালী কৰা হৈছে।

মুঠ ৩,২০০ পৰামৰ্শ আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ ১৫৮খন বৈঠকৰ পিছত প্ৰস্তুত হয় এই আইন।



> কেনেকৈ আমাৰ সংবিধানৰ ভাবনাৰ উলংঘা কৰা হ'ল, সংসদৰ কণ্ঠ স্তব্ধ কৰা হ'ল, ন্যায়পালিকাৰ ওপৰত নিয়ন্ত্ৰণৰ প্ৰয়াস কেনেকৈ কৰা হ'ল, সেই কথা কোনো ভাৰতীয়ই কেতিয়াও পাহৰিব নোৱাৰে। ৪২সংখ্যক সংশোধনী তেওঁলোকৰ ছলনামূলক কাৰ্যৰ এটা উদাহৰণ। দুখীয়া, প্ৰান্তীয়কৃত লোক আৰু দলিতশ্ৰেণীৰ লোকসকলক বিশেষভাৱে লক্ষ্য কৰি লোৱা হৈছিল- এয়া আছিল তেওঁলোকৰ মানৱীয় মৰ্যাদাৰ ওপৰত আঘাত হানাৰ লগতে সেই মৰ্যাদা উলংঘন কৰা এক কাৰ্য।
>
> *- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

জৰুৰীকালীন অৱস্থাৰ বাধাৰ মাজতো প্ৰতিৰোধ কৰিবলৈ সাহস কৰিছিল।

এই কাৰণেই নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ মুখ্যমন্ত্ৰীৰ কাৰ্যকালত সংবিধানৰ ৬০ বছৰীয়া জয়ন্তী উপলক্ষে 'সংবিধান গৌৰৱ যাত্ৰা'ৰ আয়োজন কৰিছিল; আৰু পিছলৈ প্ৰধানমন্ত্ৰী হোৱাৰ লগে লগে তেওঁ ২৬ নৱেম্বৰক 'সংবিধান দিৱস' হিচাপে প্ৰতিষ্ঠা কৰে।

"আমি, ভাৰতৰ জনসাধাৰণ" - এক আহ্বান, এক প্ৰতিশ্ৰুতি, এক বিশ্বাস

প্ৰধানমন্ত্ৰী মোদীয়ে এবাৰ উচ্চতম ন্যায়ালয়ত অনুষ্ঠিত সংবিধান দিৱসৰ অনুষ্ঠানত মন্তব্য কৰিছিল যে প্ৰস্তাৱনাখনৰ আৰম্ভণিৰ তিনিটা শব্দ-'আমি, ভাৰতৰ জনসাধাৰণ'-কেৱল শব্দ নহয়, বৰঞ্চ এক আহ্বান, এক প্ৰতিশ্ৰুতি আৰু এক বিশ্বাস। এই মনোভাবেৰেই, ২০২৫ চনৰ ২৬ নৱেম্বৰত প্ৰধানমন্ত্ৰীয়ে দেশবাসীক সম্বোধি এখন পত্ৰ লিখি ১৯৪৯ চনত সংবিধানৰ ঐতিহাসিকভাৱে অংগীকাৰ কৰা আৰু ৰাষ্ট্ৰৰ প্ৰগতিত ইয়াৰ চিৰস্থায়ী ভূমিকাক স্মৰণ কৰে। ছ'চিয়েল মিডিয়াত এটা পোষ্টত সংবিধান প্ৰণয়নকাৰীসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ সময়ত তেওঁ এই কথা উল্লেখ কৰে যে এই দলিলখনে মানৱীয় মৰ্যাদা, সমতা আৰু স্বাধীনতাক সৰ্বোচ্চ গুৰুত্ব প্ৰদান কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে এই বিশেষ সংবিধান দিৱসটোৱে বিশেষ তাৎপৰ্য্য বহন কৰে, কিয়নো ই চৰ্দাৰ বল্লভভাই পেটেল আৰু ভগৱান বীৰছা মুণ্ডাৰ ১৫০ বছৰীয়া জয়ন্তী, 'বন্দে মাতৰম'ৰ ১৫০ বছৰীয়া জয়ন্তী আৰু গুৰু টেগ বাহাদুৰ জীৰ ৩৫০সংখ্যক শ্বহীদী বাৰ্ষিকীৰ সৈতে মিলি গৈছে- অৰ্থাৎ চাৰিটা মহান আদৰ্শৰ সংমিশ্ৰণ: ঐক্য, ত্যাগ, দেশপ্ৰেম আৰু ন্যায়ৰক্ষাৰ সংকল্প। তেওঁ লগতে উল্লেখ কৰে যে এইবাৰৰ

সংবিধান দিৱসৰ বিশেষ তাৎপর্য আছে, কিয়নো এই দিৱস চর্দাৰ বল্লভভাই পেটেল আৰু ভগৱান বীৰছা মুণ্ডাৰ ১৫০সংখ্যক জন্ম জয়ন্তী, 'বন্দে মাতৰম'ৰ ১৫০সংখ্যক বর্ষপূর্তি আৰু গুৰু তেগ বাহাদুৰ জীৰ ৩৫০সংখ্যক শ্বহীদ দিৱসৰ সৈতে একে সময়তে পৰিছে। ইয়াৰ জৰিয়তে চাৰিটা মহান ঐতিহ্যৰ এক অপূর্ব সমন্বয় ঘটিছে-একতা, ত্যাগ, দেশপ্রেম আৰু ধর্মৰক্ষাৰ আদর্শ। ১২সংখ্যক সংবিধান দিৱসত এই চিন্তনৰ তাৎপর্য আৰু অধিক বৃদ্ধি পাইছে, কিয়নো এই বছৰটোত সেই ঐতিহাসিক স্মৃতিচাৰণৰ ধাৰাও অব্যাহত আছে। ২০২৫ চনত জৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ পূর্ণ হোৱাৰ পৰিপ্রেক্ষিতত সেই অন্ধকাৰ দিনবোৰ ৰাষ্ট্রই পাহৰিব নোৱাৰে আৰু পাহৰিবও নালাগে। প্রধানমন্ত্রীয়ে দৃঢ়তাৰে উল্লেখ কৰে যে ১৯৭৫ চনৰ ২৫ জুনত ভাৰতৰ গণতন্ত্রৰ ওপৰত পৰা কলংকৰ দাগ নতুন প্রজন্মই কেতিয়াও পাহৰিব নোৱাৰে আৰু ৰাষ্ট্রই গৌৰৱেৰে নিজৰ সংবিধান তথা গণতান্ত্রিক পৰম্পৰা সুৰক্ষিত ৰখাৰ সংকল্প গ্রহণ কৰিব। মত প্রকাশৰ স্বাধীনতাক নতুন শক্তি প্রদান সংবিধানৰ প্রকৃত পৰীক্ষা নির্ভৰ কৰে ই নিজৰ মূল আদর্শ-অধিকাৰ আৰু কর্তব্য উভয়ৰে সুৰক্ষা-কিমান সুদৃঢ়ভাৱে প্রতিষ্ঠা কৰিব পাৰে, তাৰ ওপৰত। দুর্ভাগ্যজনকভাৱে, সংবিধানৰ প্রথমটো সংশোধনীয়েই মত প্রকাশৰ স্বাধীনতা সংকুচিত কৰিছিল। তদুপৰি, ব্রিটিছ ঔপনিৱেশিক শাসনকালৰ অৱশেষ দেশদ্রোহৰ আইনখন স্বাধীন ভাৰততো কেইবা দশক ধৰি বলৱৎ হৈ আছিল। এই একেখন আইনতে মহাত্মা গান্ধী, বাল গংগাধৰ তিলক আৰু বীৰ সাৱৰকাৰৰ দৰে ব্যক্তিয়ে বছৰ বছৰ ধৰি কাৰাবাস খাটিবলগীয়া হৈছিল। ভাৰতীয় ন্যায় সংহিতাৰ জৰিয়তে কেন্দ্রীয় চৰকাৰে 'দেশদ্রোহ'ৰ বিধানৰ পৰিৱর্তে 'ৰাষ্ট্রদ্রোহ'ৰ বিধান প্রৱর্তন কৰিছে। ইয়াৰ ফলত চৰকাৰৰ সমালোচনাক অপৰাধৰ শ্রেণীৰ পৰা আঁতৰোৱা হৈছে, কিন্তু ৰাষ্ট্রৰ বিৰুদ্ধে সংঘটিত কার্যকলাপৰ বাবে কঠোৰতম শাস্তিৰ ব্যৱস্থা অক্ষুণ্ণ ৰখা হৈছে। ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়মৰ জৰিয়তে দেশৰ অপৰাধমূলক ন্যায় ব্যৱস্থাই ঊনবিংশ শতিকাৰ শিকলিৰ পৰা মুক্ত হৈ পোনপটীয়াকৈ একবিংশ শতিকাত প্রৱেশ কৰিছে। ২০১৯ চনৰ পৰা গৃহ মন্ত্রালয়ে এই আইনসমূহৰ সন্দর্ভত বিস্তৃত আলোচনা আৰু পৰামর্শ গ্রহণৰ প্রক্রিয়া আৰম্ভ কৰিছিল। এই সময়ছোৱাত মুঠ ৩,২০০টা পৰামর্শ লাভ কৰা হৈছিল আৰু কেন্দ্রীয় গৃহমন্ত্রীয়ে নিজেই ১৫৮খন বৈঠকত অংশগ্রহণ কৰিছিল। সৰু বা প্রথমবাৰৰ বাবে সংঘটিত অপৰাধৰ ক্ষেত্রত কাৰাদণ্ডৰ বিকল্প হিচাপে সমাজসেৱা প্রৱর্তন, সময়সীমাবদ্ধ ন্যায় নিশ্চিত কৰিবলৈ প্রযুক্তিৰ ব্যৱহাৰ আৰু সমগ্র দেশতে এক অভিন্ন ন্যায় ব্যৱস্থা প্রতিষ্ঠাৰ দৰে সংস্কাৰসমূহে সংবিধানৰ মূল আদর্শ বাস্তৱায়িত কৰাৰ দিশত-প্রতিগৰাকী নাগৰিকৰ বাবে ন্যায়ৰ সমান সুবিধা নিশ্চিত কৰাৰ ক্ষেত্রত-সুনির্দিষ্ট পদক্ষেপ হিচাপে পৰিগণিত হৈছে। সমতাৰ নীতি: অন্তিমজন ব্যক্তিগৰাকীলৈকে সকলোৰে বাবে উন্নয়ন সুনিশ্চিত কৰা সংবিধানৰ প্রধান স্থপতি ড০ আম্বেদকাৰে এনে এখন ভাৰতৰ

জম্মু-কাশ্মীৰৰ পৰা কন্যাকুমাৰীলৈ এক সংবিধান



৩৭০ নং অনুচ্ছেদৰ বিলুপ্তি

২০১৯ চনৰ আগষ্ট মাহত জম্মু-কাশ্মীৰত অনুচ্ছেদ ৩৭০ৰ কার্যকৰীভাৱে বিলোপ সাধন কৰা হয়, যাৰ ফলত অঞ্চলটোত ভাৰতীয় সংবিধানৰ সম্পূর্ণ ৰূপায়ণ সম্ভৱ হয়।

ই ডব্লিউ এছ সংৰক্ষণ (১০৩সংখ্যক সংশোধনী): সাধাৰণ শ্রেণীৰ অর্থনৈতিকভাৱে দুর্বল শ্রেণী (ই ডব্লিউ এছ)ৰ বাবে ১০% সংৰক্ষণৰ ব্যৱস্থা প্রৱর্তন কৰা হয়, যাক উচ্চতম ন্যায়ালয়ে বাহাল ৰাখে।



অ'বি চি আয়োগক সাংবিধানিক মর্যাদা (১০২সংখ্যক সংশোধনী): ৰাষ্ট্রীয় পিছপৰা শ্রেণী আয়োগক (এন চি বি চি) পূর্ণ সাংবিধানিক মর্যাদা প্রদান কৰা হয়, যাৰ ফলত সামাজিক আৰু শৈক্ষিকভাৱে পিছপৰা শ্রেণীসমূহৰ অধিকাৰবোৰ সাংবিধানিক সুৰক্ষা সম্প্রসাৰিত হয়। ১০৫ সংখ্যক সংশোধনীৰ জৰিয়তে ৰাজ্যসমূহকো অ'বি চিৰ নিজা তালিকা প্রস্তুত কৰি ৰখাৰ ক্ষমতা প্রদান কৰা হয়।

সুশাসনৰ স্তম্ভসমূহ
সংবিধানৰ আদর্শ প্রতিফলিত কৰা আঁচনিসমূহ

জন ধন যোজনা

- ২০২৬ চনৰ জুন মাহলৈ ৫৯০ নিযুতৰো অধিক (৫৯ কোটি) বেংক একাউণ্ট মুকলি
- ৩ লাখ কোটি টকাতকৈ অধিক জমা ধন
- এতিয়ালৈকে মুঠ প্রায় ৫৪ লাখ কোটি টকা হস্তান্তৰ কৰা হৈছে।



আয়ুষ্মান ভাৰত

- ৪৭০ নিযুতৰো অধিক (৪৭ কোটি) হিতাধিকাৰীৰ নাম পঞ্জীয়ন
- ৩৩,০০০ৰো অধিক তালিকাভুক্ত চিকিৎসালয়
- ৭০ বছৰ আৰু ততোধিক বয়সৰ ব্যক্তিসকলৰ বাবে ৯.৩ নিযুতৰো অধিক (৯৩ লাখ) 'আয়ুষ্মান ৱয় বন্দনা' কার্ড জাৰি কৰা হৈছে।



জল জীৱন মিছন

- আৰম্ভণিতে গ্রামাঞ্চলৰ মাত্র ১৭% পৰিয়ালৰহে ঘৰুৱা নল সংযোগ আছিল
- ২০২৬ চনৰ ১৫ অক্টোবৰৰ ভিতৰত ৮২.৫৬% (১৫৯.৮ নিযুত/১৫.৯৮ কোটি) পৰিয়ালক সামৰি লোৱা হৈছে
- সম্প্রতি ইয়াক ২০২৮ চনলৈ সম্প্রসাৰিত কৰা হৈছে (জল জীৱন মিছন ২.০)।



প্রধানমন্ত্রী আৱাস যোজনা

- ২০২৬ চনৰ আগষ্ট মাহলৈ গ্রামাঞ্চলত ১২.৫ নিযুতৰো অধিক (১.২৫ কোটি) নগৰীয়া গৃহ অনুমোদন কৰা হৈছে।
- অনুমোদিত ৩.৯১ কোটি গৃহৰ ভিতৰত ৩.১২ কোটি গৃহৰ নির্মাণ সম্পূর্ণ
- ২০২৯ চনৰ ভিতৰত ৪৯.৫ নিযুত (৪.৯৫ কোটি) গৃহ নির্মাণৰ লক্ষ্য নির্ধাৰণ কৰা হৈছে।

প্রধানমন্ত্রী কিষাণ সম্মান নিধি

- ২৪সংখ্যক কিস্তিলৈকে (অক্টোবৰ ২০২৬) মুঠ ৪.৬৫ লাখ কোটি টকা বিতৰণ কৰা হৈছে
- ইয়াৰ জৰিয়তে ৯৪.৪ নিযুত (৯.৪৪ কোটি) কৃষক পৰিয়াল উপকৃত হৈছে।



নাৰী শক্তি বন্দন অধিনিয়ম

- সংসদ আৰু ৰাজ্যৰ বিধানসভাসমূহত মহিলাৰ বাবে ৩৩% আসন সংৰক্ষণ।

জি এছ টি সংস্কাৰ ২০২৫

- দুটা প্রাথমিক কৰ শ্রেণীলৈ (৫% আৰু ১৮%) সৰলীকৰণ
- ১৬.৫ নিযুতৰো অধিক (১.৬৫ কোটি) পঞ্জীয়নভুক্ত কৰদাতা
- ২০২৫-২৬ বিত্তীয় বর্ষত ২২.২৭ লাখ কোটি টকাৰ কৰ সংগ্রহ



কল্পনা কৰিছিল, য'ত সকলোকে সমান সুযোগ প্রদানৰ জৰিয়তে সামাজিক ন্যায় প্রতিষ্ঠা কৰা হ'ব। শেহতীয়া বছৰসমূহত কেন্দ্রীয় চৰকাৰে "বঞ্চিতসকলক অগ্রাধিকাৰ" প্রদানৰ নীতি গ্রহণ কৰি দশক দশক ধৰি চৰকাৰী আঁচনিৰ সুবিধাৰ পৰা বাদ পৰি থকা লোকসকলৰ কায চাপিবলৈ সক্রিয় পদক্ষেপ গ্রহণ কৰিছে। ইয়াৰ প্রতিফলন পৰিসংখ্যাতো দেখা যায়: বিভিন্ন অধ্যয়ন অনুসৰি, কেন্দ্রীয় চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ সহায়ত যোৱা দশকটোত দেশৰ ২৫০ নিযুতৰো অধিক (২৫ কোটি) লোকে বহুমাত্রিক দৰিদ্রতাৰ পৰা মুক্তি লাভ কৰিছে। চৰকাৰৰ কেইবাখনো আঁচনিৰ জৰিয়তে জনকল্যাণৰ দিশত এই যাত্রা স্পষ্ট হৈ পৰিছে। প্রতিটো পদক্ষেপৰ শেহতীয়া পৰিসংখ্যাই এই প্রচেষ্টাৰ গতি আৰু অগ্রগতিৰ দিশ উন্মোচন কৰিছে। প্রধানমন্ত্রী জন ধন যোজনাৰ অধীনত এতিয়ালৈকে ৫৯০ নিযুতৰো অধিক (৫৯ কোটি) বেংক একাউণ্ট খোলা হৈছে আৰু এই একাউণ্টসমূহত জমা ধনৰ পৰিমাণ ৩ লাখ কোটি টকা অতিক্রম কৰিছে। জন ধন একাউণ্ট, আধাৰ আৰু ম'বাইল সংযোগৰ 'ত্রিমূর্তি'ৰ ব্যৱহাৰৰ জৰিয়তে ২০২৬ চনৰ ১৫ অক্টোবৰলৈকে ৩২০খনতকৈও অধিক আঁচনিৰ অধীনত প্রত্যক্ষ লাভ হস্তান্তৰ (ডি বি টি) ব্যৱস্থাৰে মুঠ প্রায় ৫৩.৮০ লাখ কোটি টকা পোনপটীয়াকে নাগৰিকসকলৰ বেংক একাউণ্টলৈ হস্তান্তৰ কৰা হৈছে। ইয়াৰ ফলত ৫ লাখ কোটি টকাতকৈ অধিক ধন ভুল হাতলৈ যোৱাৰ পৰা ৰক্ষা পৰিছে আৰু মধ্যভোগীসকলৰ ভূমিকা বিলোপ কৰা হৈছে।

“

সেৱাক পৱিত্র কর্তব্য হিচাপে গণ্য কৰা, জনসাধাৱণৰ কল্যাণৰ বাবে নিৰালস্যভাৱে কাম কৰা, সুশাসনৰ জৱিয়তে তেওঁলোকৰ নিৰাপত্তা আৰু সমৃদ্ধি সুনিশ্চিত কৰা তথা সমাজৰ অগ্রগতিৰ বাবে নিষ্ঠাৱে সেৱা আগবঢ়োৱা এগৰাকী জনপ্রতিনিধি-যাৰ চৰিত্র বিনম্রতা, আত্ম-অনুশাসন আৰু উন্নয়নৰ প্রতি দায়বদ্ধতাৱে পৰিচালিত-তেওঁহে প্রকৃতার্থত জনসাধাৱণৰ বিশ্বাস, সন্মান, স্বীকৃতি আৰু সমৃদ্ধি অর্জন কৰে।

- নৰেন্দ্র মোদী, প্রধানমন্ত্রী

আয়ুষ্মান ভা�ৰত-প্রধানমন্ত্রী জন আৰোগ্য যোজনাৰ অধীনত বর্তমান ৪৭০ নিযুতৰো অধিক (৪৭ কোটি) লোকৰ নাম পঞ্জীয়ন কৰা হৈছে। সমগ্র দেশৰ ৩৩,০০০ৰো অধিক চিকিৎসালয় (১৭,৬৮৫খন চৰকাৰী আৰু ১৫,৩৮০খন ব্যক্তিগত) এই আঁচনিৰ অধীনত তালিকাভুক্ত কৰা হৈছে। ইয়াৰ উপৰি, ৭০ বছৰ আৰু ততোধিক বয়সৰ ৯.৩ নিযুতৰো অধিক (৯৩ লাখ) জ্যেষ্ঠ নাগৰিকক ‘আয়ুষ্মান ৱয় বন্দনা’ কার্ড প্রদান কৰা হৈছে। জল জীৱন মিছনৰ জৱিয়তে ২০২৬ চনৰ ১৫ অক্টোবৰলৈকে দেশৰ ১৯৩.৫ নিযুত (১৯.৩৫ কোটি) গ্রাম্য পৰিয়ালৰ ভিতৰত প্রায় ১৫৯.৮ নিযুত (১৫.৯৮ কোটি) অর্থাৎ ৮২.৫৬ শতাংশ পৰিয়াললৈ নল যোগে খোৱাপানীৰ সুবিধা সম্প্রসাৰিত হৈছে। ইয়াৰ বিপৰীতে, ২০১৯ চনত এই মিছন আৰম্ভ হোৱাৰ সময়ত মাত্র ১৭ শতাংশ পৰিয়ালৰহে এই সুবিধা উপলব্ধ আছিল। ১০০ শতাংশ লক্ষ্যত উপনীত হোৱাৰ বাবে ২০২৬ চনৰ মার্চ মাহত কেবিনেটে ‘জল জীৱন মিছন ২.০’ত অনুমোদন জনাই এই পদক্ষেপ ২০২৮ চনলৈ সম্প্রসাৰিত কৰে। প্রধানমন্ত্রী আৱাস যোজনা-নগৰৰ অধীনত ২০২৬ চনৰ আগষ্ট মাহলৈকে ১২.৫ নিযুত (১.২৫ কোটি) গৃহ নির্মাণৰ অনুমোদন জনোৱা হৈছে। আনহাতে, আঁচনিখনৰ গ্রাম্য উপাদানৰ অধীনত প্রথম দুটা পর্যায়ত অনুমোদিত ৩.৯১ কোটি গৃহৰ ভিতৰত ৩.১২ কোটি গৃহৰ নির্মাণ সম্পূর্ণ হৈছে আৰু ২০২৯ চনৰ ভিতৰত ৪৯.৫ নিযুত (৪.৯৫ কোটি) গৃহ নির্মাণৰ লক্ষ্যত উপনীত হোৱাৰ দিশত কাম দ্রুতগতিত আগবাঢ়িছে। ২০২৬ চনৰ অক্টোবৰ মাহত প্রধানমন্ত্রী কিষাণ সন্মান নিধিৰ ২৪সংখ্যক কিস্তি মুকলি কৰাৰ লগে লগে ৯৪.৪ নিযুত (৯.৪৪ কোটি) কৃষক পৰিয়াললৈ মুঠ ৪.৬৫ লাখ কোটি টকাতকৈ অধিক ধন পোনপটীয়াকৈ হস্তান্তৰ কৰা হৈছে। ইয়াৰ ভিতৰত ২১.৮ নিযুতৰো অধিক (২.১৮ কোটি) মহিলা উপকৃত হৈছে।

অৱহেলিত ইতিহাসৰ পুনৰুদ্ধাৰ



চেংগোল: নতুন সংসদ ভৱনৰ লোকসভা কক্ষত স্থাপন কৰা হৈছে; ক্ষমতা হস্তান্তৰ আৰু কর্তব্যৰ পথৰ (কর্তব্য পথ) এক প্রাচীন প্রতীক।

- ‘সংবিধান হত্যা দিৱস’-২৫ জুন: জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাত সংঘটিত নির্যাতনসমূহৰ স্মৃতিচাৰণ।
- ‘বিভাজন বিভীষিকা স্মৃতি দিৱস’-১৪ আগষ্ট: দেশ বিভাজনৰ বলি হোৱা লোকসকলৰ প্রতি শ্রদ্ধাঞ্জলি।
- অর্থনৈতিকভাৱে পিছপৰা শ্রেণীৰ বাবে সংৰক্ষণ: ১০৩সংখ্যক সাংবিধানিক সংশোধনীৰ জৱিয়তে অর্থনৈতিকভাৱে পিছপৰা শ্রেণীৰ (ই ডব্লিউ এছ) বাবে ১০% সংৰক্ষণৰ ব্যৱস্থা।
- শ্রী ৰাম মন্দিৰ: ২০২৪ চনৰ ২২ জানুৱাৰীত অযোধ্যাত ৰাম লাল্লাৰ প্রাণ-প্রতিষ্ঠা।



- পদ্ম বঁটা: সাধাৰণ নাগৰিকসকলৰ কৃতিত্বক সন্মান জনোৱা-‘জন-পদ্ম’ (জনসাধাৰণৰ পদ্ম)।



দ্বাদশ সংবিধান দিৱস বিশেষ

প্ৰচ্ছদ নিৱন্ধ

এক দেশ এক নিৰ্বাচন

- ২০২৩ চনৰ ২ ছেপ্টেম্বৰত প্ৰাক্তন ৰাষ্ট্ৰপতি ৰাম নাথ কোবিন্দৰ অধ্যক্ষতাত এখন উচ্চ পৰ্যায়ৰ সমিতি গঠন কৰা হৈছিল।
- ১৯৫১ চনৰ পৰা ১৯৬৭ চনৰ ভিতৰত দেশত একেলগে নিৰ্বাচন অনুষ্ঠিত হৈছিল।
- ২০২৪ চনত সমিতিৰ প্ৰতিবেদন প্ৰকাশ কৰা হয়; কেন্দ্ৰীয় কেবিনেটে সংবিধান (১২৯সংখ্যক সংশোধনী) বিধেয়ক, ২০২৪ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ আইন (সংশোধনী) বিধেয়কত অনুমোদন জনায়।
- বৰ্তমানৰ স্থিতি: সাংসদ পি.পি. চৌধুৰীৰ অধ্যক্ষতাত গঠিত ৪১জনীয়া যুটীয়া সংসদীয় সমিতিয়ে (জে পি চি) দুয়োখন বিধেয়ক পৰ্যালোচনা কৰি আছে; ২০২৬ চনৰ শীতকালীন অধিৱেশনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰাৰ আশা কৰা হৈছে।.
- জে পি চিৰ অনুমান অনুসৰি, ইয়াৰ ফলত ৭ লাখ কোটি টকা পৰ্যন্ত সঞ্চয় হোৱাৰ লগতে জি ডি পি ১.৬% পৰ্যন্ত বৃদ্ধি পাব পাৰে।
- সকলো নিৰ্বাচনৰ বাবে উমৈহতীয়া আৰু একক ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ প্ৰস্তাৱ।

এখন প্ৰস্তাৱিত আৰ্হি: প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত ১০০ দিনৰ ভিতৰত স্থানীয় নিকায়ৰ নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব।



> আমি আমাৰ সংবিধানত সন্নিৱিষ্ট নীতিসমূহ শক্তিশালী কৰাৰ প্ৰতি থকা দায়বদ্ধতা পুনৰ দৃঢ়তাৰে প্ৰকাশ কৰিছোঁ আৰু বিকশিত ভাৰতৰ সপোন বাস্তৱায়িত কৰাৰ দিশত একেলগে কাম কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছোঁ। আহক, আমি প্ৰগতিৰ নতুন শিখৰত উপনীত হওঁ আৰু দৰিদ্ৰ তথা বঞ্চিতসকলৰ আকাংক্ষা পূৰণ কৰোঁ।
>
> *- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

সংসদ আৰু ৰাজ্যিক বিধানসভাসমূহত মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ ব্যৱস্থা কৰা 'নাৰী শক্তি বন্দন অধিনিয়ম' প্ৰণয়নে দেশৰ নাৰীসকলক সন্মান জনোৱাৰ দিশত এক ঐতিহাসিক পদক্ষেপ চিহ্নিত কৰিছে।

অৰ্থনৈতিক গণতন্ত্ৰ: প্ৰতিগৰাকী নাগৰিকলৈ ন্যায়ৰ সাংবিধানিক নীতিৰ সম্প্ৰসাৰণ


সমতাৰ সাংবিধানিক নীতি কেৱল সামাজিক ক্ষেত্ৰতে সীমাবদ্ধ নহয়; ই অৰ্থনৈতিক জীৱনতো প্ৰসাৰিত হৈছে। ২০২৫ চনৰ ছেপ্টেম্বৰ মাহত ৰূপায়ণ কৰা পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰে কৰ ব্যৱস্থাক মাত্ৰ দুটা প্ৰধান শ্ৰেণীলৈ-৫ শতাংশ আৰু ১৮ শতাংশলৈ-সৰলীকৰণ কৰিছে। চাবোন, টুথপেষ্ট আৰু ভাৰতীয় ৰুটিৰ দৰে দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ ওপৰত কৰ ৫ শতাংশলৈ বা শূন্যলৈ হ্ৰাস কৰা হৈছে। জীৱনদায়ী ঔষধৰ কৰৰ হাৰো শূন্য বা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। আনহাতে, ট্ৰেক্টৰ, হাৰ্ভেষ্টাৰ আৰু ৰ'টাভেটৰকে ধৰি কৃষি সঁজুলিৰ কৰৰ হাৰ ৫ শতাংশ নিৰ্ধাৰণ কৰা হৈছে; কেন্দ্ৰীয় কৃষিমন্ত্ৰীয়ে এই পদক্ষেপক কৃষকসকলৰ বাবে আশীৰ্বাদস্বৰূপ বুলি অভিহিত কৰিছে। হস্তশিল্পৰ সামগ্ৰীৰ ওপৰত জি এছ টি ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে, যাৰ ফলত ভাস্কৰ্য, চিত্ৰকলা, এম্ব্ৰয়ডাৰীৰ কাম আৰু হেণ্ডবেগ প্ৰস্তুত কৰা কাৰিকৰ সকলে যথেষ্ট সকাহ লাভ কৰিছে। একেদৰে, খেলনা আৰু ক্ৰীড়া সামগ্ৰীৰ কৰৰ হাৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে, যাৰ ফলত শিশুৰ বিকাশৰ বাবে সামগ্ৰী নিৰ্মাণৰ সৈতে জড়িত এম এছ এম ই সমূহে উৎসাহ লাভ কৰিছে। এই সংস্কাৰসমূহে দেশৰ ১৬.৫ নিযুতৰো অধিক (১.৬৫ কোটি) জি এছ টি-পঞ্জীয়নভুক্ত কৰদাতাক পোনপটীয়াকৈ উপকৃত কৰিছে; ২০১৭ চনত পঞ্জীয়নভুক্ত কৰদাতাৰ সংখ্যা আছিল ৬.৬৫ নিযুত (৬৬.৫ লাখ)। কৰ সংগ্ৰহেও ধাৰাবাহিকভাৱে নতুন উচ্চতা স্পৰ্শ কৰিছে। ২০২১-২২ বিত্তীয় বৰ্ষত প্ৰায় ১৩.৭৬ লাখ কোটি টকাৰ পৰা ২০২৫-২৬ বিত্তীয় বৰ্ষত এই পৰিমাণ প্ৰায় ২২.২৭ লাখ কোটি টকালৈ বৃদ্ধি পাইছে। এই ধাৰা ২০২৬-২৭ বিত্তীয় বৰ্ষতো অব্যাহত আছে আৰু কেৱল ২০২৬ চনৰ এপ্ৰিল আৰু মে' মাহতে জি এছ টি

সংগ্ৰহৰ পৰিমাণ প্ৰায় ৪.৩৭ লাখ কোটি টকাত উপনীত হৈছে। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে ক্ৰমান্বয়ে অধিক সংখ্যক ব্যৱসায়িক প্ৰতিষ্ঠান আনুষ্ঠানিক কৰ ব্যৱস্থাৰ অন্তৰ্ভুক্ত হৈছে আৰু সৰলীকৃত কৰ গাঁথনিয়ে ৰাজহ বৃদ্ধিত ফলপ্ৰসূভাৱে অৱিহণা যোগাইছে। আত্মনিৰ্ভৰশীলতা আৰু থলুৱা সামগ্ৰীৰ প্ৰতি এই মনোভাৱ 'ভ'কেল ফৰ লোকেল'ৰ অধীনত এক গণ-আন্দোলনলৈ ৰূপান্তৰিত হৈছে। স্থানীয় সামগ্ৰীৰ প্ৰচাৰৰ বাবে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ প্ৰথম 'মন কী বাত' সম্প্ৰচাৰৰ সময়ত জনোৱা আহ্বানে এতিয়া খেলনা উদ্যোগৰ দৰে বিভিন্ন খণ্ডত দৃশ্যমান ফলাফল প্ৰদান কৰিছে। ২০২৫-২৬ চনত ভাৰতৰ গুৰুত্বপূৰ্ণ খেলনা শ্ৰেণীসমূহত ১৫২ নিযুত ডলাৰৰ বাণিজ্য উদ্বৃত্ত হৈছে -যি ২০১৭-১৮ চনত থকা বাণিজ্যিক ঘাটিৰ তুলনাত এক উল্লেখযোগ্য পৰিৱৰ্তন। 'এক জিলা এক সামগ্ৰী' (অ'ডি অ'পি) আঁচনিৰ অধীনত প্ৰতিখন জিলাৰ নিজস্ব পৰিচয় বজাৰলৈ উলিয়াই অনাৰ লক্ষ্যৰে গ্ৰহণ কৰা পদক্ষেপসমূহৰ মূল্যায়ন ১.৭১ লাখ কোটি টকাত উপনীত হৈছে। মাৰ্জিন মানি আঁচনিৰ অধীনত ৬,০০০ কোটি টকাৰ প্ৰকল্পত অনুমোদন জনোৱা হৈছে, আনহাতে ১.২৫ কোটিৰো অধিক অ'ডি অ'পি কাৰিকৰে প্ৰশিক্ষণ আৰু আধুনিক সঁজুলিৰ কিট লাভ কৰিছে। হস্তশিল্প খণ্ডত ৰাষ্ট্ৰীয় হস্তশিল্প উন্নয়ন কাৰ্যসূচীৰ অধীনত ৮৩৭ কোটি টকাৰ অনুমোদিত ব্যয়ৰ সহায়ত ২,৩২৫টা প্ৰকল্প আৰু কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে, যাৰ ফলত ৬৬,০০০ৰো অধিক কাৰিকৰ প্ৰত্যক্ষভাৱে উপকৃত হৈছে। সমগ্ৰ দেশৰ ৩৫ লাখৰো অধিক লোকক কৰ্মসংস্থাপন প্ৰদান কৰা হস্ততাঁত খণ্ডৰ কৰ্মশক্তিৰ ৭০ শতাংশতকৈও অধিক মহিলা। এই খণ্ডই সংবিধানৰ দৃষ্টিভংগীৰ এক জীৱন্ত প্ৰতিফলন দাঙি ধৰে- প্ৰতিগৰাকী ব্যক্তিৰ বাবে মৰ্যাদাপূৰ্ণ কৰ্মসংস্থাপন আৰু প্ৰতিগৰাকী কাৰিকৰৰ শিল্পকৰ্মৰ বাবে ন্যায্য পাৰিশ্ৰমিক নিশ্চিত কৰা। প্ৰতিৰক্ষা উৎপাদনতো স্বদেশীকৰণৰ একেধৰণৰ কাহিনী পৰিলক্ষিত হৈছে। ২০১৩-১৪ চনত ৬৮৬ কোটি টকাৰ পৰা ২০২৫-২৬ চনত ৩৮,৪২৪ কোটি টকালৈ প্ৰতিৰক্ষা ৰপ্তানি বৃদ্ধি পাইছে-যি ৫৬ গুণ বৃদ্ধি। পাঁচখন 'ইতিবাচক স্বদেশীকৰণ তালিকা'ৰ জৰিয়তে ৫,৫০০ৰো অধিক প্ৰতিৰক্ষা সামগ্ৰী চিনাক্ত কৰা হৈছে; ইয়াৰে ২০২৫ চনৰ ফেব্ৰুৱাৰী মাহলৈ ৩,০০০ৰো অধিক সামগ্ৰীৰ স্বদেশীকৰণ সম্পন্ন হৈছিল। এল চি এ তেজছ, অৰ্জুন টেংক, আৰ্টিলাৰী গান, এছল্ট ৰাইফল, কৰ্ভেট, ছ'নাৰ ব্যৱস্থা, লঘু যুদ্ধ হেলিকপ্টাৰ আৰু থলুৱাভাৱে নিৰ্মিত ৰাডাৰৰ দৰে ব্যৱস্থাসমূহ এতিয়া ভাৰতৰ কৌশলগত আত্মনিৰ্ভৰশীলতাৰ পৰিচায়ক হৈ পৰিছে। উৎপাদন সংলগ্ন উদগনি (পি এল আই) আঁচনিসমূহৰ অধীনত ২০২৬ চনৰ মাৰ্চ মাহলৈ ২.৪০ লাখ কোটি টকাৰ বিনিয়োগ আকৰ্ষণ কৰা হৈছে। ইয়াৰ উপৰি ১৫.২ লাখ কোটি টকাৰো অধিক ৰপ্তানি সম্ভৱ কৰি তোলা হৈছে আৰু ১৪ লাখৰো অধিক প্ৰত্যক্ষ তথা পৰোক্ষ কৰ্মসংস্থাপনৰ সৃষ্টি হৈছে। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে সংবিধানত কল্পনা কৰা 'সমান অৰ্থনৈতিক সুযোগ' এতিয়া নীতি আৰু ৰূপায়ণ -উভয় ক্ষেত্ৰতে

সংবিধান দিৱসৰ(২০২৫-২৬) সৈতে সংগতি থকা তাৎপৰ্যপূৰ্ণ মাইলৰ খুঁটিসমূহ



- চৰ্দাৰ বল্লভভাই পেটেলৰ ১৫০সংখ্যক জন্ম জয়ন্তী।



- ভগৱান বীৰছা মুণ্ডাৰ ১৫০সংখ্যক জন্ম জয়ন্তী।



- গুৰু তেগ বাহাদুৰ জীৰ ৩৫০সংখ্যক শ্বহীদ দিৱস।
- জ�ৰুৰীকালীন অৱস্থাৰ ৫০ বছৰ (২৫ জুন, ১৯৭৫-২০২৫)।
- 'বন্দে মাতৰম'ৰ ১৫০সংখ্যক বৰ্ষপূৰ্তি।
- সংবিধান গ্ৰহণৰ ৭৫-৭৭ বছৰ (২০২৪-২০২৬)।

বাস্তৱায়িত হৈছে।

গণতন্ত্ৰৰ জননী: বিশ্বমঞ্চত ভাৰতৰ প্ৰাচীন ঐতিহ্য

ভাৰত কেৱল বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰই নহয়, ই 'গণতন্ত্ৰৰ জননী'ও। ভাৰতৰ ৫,০০০ বছৰ পুৰণি বেদসমূহত সভা আৰু সমিতিৰ উল্লেখ

প্রচ্ছদ নিৱন্ধ



আমাৰ সংবিধানে মানৱীয় মর্যাদা, সমতা আৰু স্বাধীনতাক সর্বাধিক গুৰুত্ব প্রদান কৰিছে। ই আমাক অধিকাৰ প্রদান কৰাৰ লগতে নাগৰিক হিচাপে আমাৰ কর্তব্যসমূহৰ কথাও সোঁৱৰাই দিয়ে-যিবোৰ কর্তব্য পালন কৰিবলৈ আমি সদায় প্রয়াস কৰা উচিত। এই দায়িত্বসমূহেই এক শক্তিশালী গণতন্ত্রৰ ভেটি গঢ়ি তোলে। আহক, নিজৰ কর্মৰাজিৰ জৰিয়তে সাংবিধানিক মূল্যবোধসমূহ শক্তিশালী কৰাৰ প্রতি আমাৰ প্রতিশ্রুতি পুনৰ দৃঢ় কৰোঁ।

- নৰেন্দ্র মোদী, প্রধানমন্ত্রী

পোৱা যায়; মহাভাৰতৰ দৰে গ্রন্থত গণৰ অস্তিত্বৰ কথা উল্লেখ আছে; আৰু ড০ আম্বেদকাৰে নিজেই বৌদ্ধ সংঘৰ সৈতে ভাৰতীয় সংসদৰ তুলনা কৰি কৈছিল যে তাত প্রস্তাৱ, কোৱাম আৰু ভোটদান সম্পর্কীয় নিয়মৰ ব্যৱস্থা আছিল।

প্রধানমন্ত্রী মোদীয়ে আন্তঃৰাষ্ট্রীয় মঞ্চসমূহত বাৰে বাৰে এই কথাত গুৰুত্ব আৰোপ কৰি আহিছে যে ভাৰতৰ বাবে গণতন্ত্র কেৱল এক ব্যৱস্থাই নহয়, বৰঞ্চ ই এক সাংস্কৃতিক প্রমূল্যবোধ, এক ধাৰণা আৰু এক পৰম্পৰা। আজি ভাৰতৰ অর্থনীতি দ্রুতগতিত বৃদ্ধি পোৱাৰ লগতে আন্তঃৰাষ্ট্রীয় পর্যায়ত দেশখনৰ মর্যাদা অধিক শক্তিশালী হোৱাৰ সময়ত সমগ্র বিশ্বই ভাৰতৰ প্রতি গভীৰ আশাৰে চাইছে। এসময়ত যিখন ৰাষ্ট্রৰ সুস্থিৰতাক লৈ সন্দেহ প্রকাশ কৰা হৈছিল, সেই ৰাষ্ট্রই আজি নিজৰ বৈচিত্র্যক লৈ গৌৰৱ অনুভৱ কৰি পূর্ণ উদ্যমেৰে আগবাঢ়ি গৈছে। নতুন সংসদ ভৱনত স্থাপন কৰা পৱিত্র সেংগোলে এই চিৰস্থায়ী সাংস্কৃতিক ধাৰাবাহিকতাৰ প্রতীক হিচাপে স্থান লাভ কৰিছে। চেংগোল-মহান চোল সাম্রাজ্যত ক্ষমতা হস্তান্তৰ আৰু কর্তব্যৰ পথৰ প্রতীক-এতিয়া সংসদৰ প্রতিটো অধিৱেশনৰ আৰম্ভণিতে ৰাষ্ট্রপতিৰ ভাষণৰ পূর্বে সংসদ ভৱনত স্থাপন কৰা হয়। ঔপনিৱেশিক শাসনৰ পৰা মুক্ত হৈ ভাৰতবর্ষই গ্রহণ কৰা সাংবিধানিক কর্তৃত্বৰ কথা ই সোঁৱৰাই দিয়ে। নির্বাচনী সংস্কাৰ: 'এক ৰাষ্ট্র, এক নির্বাচন'ৰ দিশে - সঘনাই অনুষ্ঠিত হোৱা নির্বাচনৰ ফলত উন্নয়নৰ গতি স্তব্ধ হোৱাটো প্রতিৰোধ কৰিবলৈ কেন্দ্রীয় চৰকাৰে 'এক ৰাষ্ট্র, এক নির্বাচন'ৰ দিশে সুনির্দিষ্ট পদক্ষেপ গ্রহণ কৰিছে। প্রাক্তন ৰাষ্ট্রপতি ৰাম নাথ কোবিন্দৰ অধ্যক্ষতাত গঠিত এখন উচ্চ পর্যায়ৰ সমিতিয়ে অংশীদাৰসকলৰ সৈতে বিস্তৃত আলোচনাৰ অন্তত ২০২৪ চনত নিজৰ প্রতিবেদন দাখিল কৰে। ইয়াৰ ভিত্তিত কেন্দ্রীয় কেবিনেটে সংসদত সংবিধান (১২৯ সংখ্যক সংশোধনী) বিধেয়ক, ২০২৪ আৰু কেন্দ্রীয় শাসিত অঞ্চলসমূহৰ আইন (সংশোধনী) বিধেয়ক, ২০২৪ উত্থাপনৰ প্রস্তাৱত অনুমোদন জনায়। দুয়োখন বিধেয়ক বর্তমান সাংসদ পি.পি. চৌধুৰীৰ অধ্যক্ষতাত গঠিত ৪১জনীয়া যুটীয়া সংসদীয় সমিতিৰ (জে পি চি) বিবেচনাধীন হৈ আছে। সমিতিখনে সমগ্র দেশৰ অংশীদাৰসকলৰ সৈতে বিস্তৃত আলোচনা সম্পন্ন কৰিছে। ২০২৬ চনৰ সংসদৰ শীতকালীন অধিৱেশনলৈকে প্রতিবেদন দাখিলৰ বাবে সমিতিখনক সময়সীমা প্রদান কৰা হৈছে। সমিতিৰ অনুমান অনুসৰি, একেলগে নির্বাচন অনুষ্ঠিত কৰিলে সময়ৰ লগে লগে প্রায় ৭ লাখ কোটি টকাৰ সঞ্চয় হ'ব পাৰে আৰু ভাৰতৰ জি ডি পি ১.৬ শতাংশ পর্যন্ত বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। প্রস্তাৱিত গাঁথনি অনুসৰি, প্রথম পর্যায়ত লোকসভা আৰু বিধানসভাৰ নির্বাচন একেলগে অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰা হৈছে আৰু তাৰ পিছত দ্বিতীয় পর্যায়ত ১০০ দিনৰ ভিতৰত স্থানীয় নিকায়ৰ নির্বাচন অনুষ্ঠিত কৰাৰ প্রস্তাৱ দিয়া হৈছে। এই পদক্ষেপে নির্বাচনী প্রক্রিয়াৰ সৈতে জড়িত সময়, সম্পদ আৰু প্রশাসনিক বোজা যথেষ্ট পৰিমাণে হ্রাস কৰিব বুলি আশা কৰা হৈছে।

অধিকাৰ আৰু কর্তব্যৰ মাজৰ অবিচ্ছেদ্য সম্পর্ক

মহাত্মা গান্ধীয়ে এবাৰ কৈছিল যে নাগৰিকসকলে নিষ্ঠাৰে পালন কৰা কর্তব্যৰ পৰাই সকলো অধিকাৰৰ উদ্ভৱ হয়। যোৱা শতিকাৰ প্রথম দশকসমূহত যেতিয়া সমগ্র বিশ্বই কেৱল অধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, তেতিয়া গান্ধীজীয়ে নাগৰিকৰ কর্তব্যৰ ওপৰত গুৰুত্ব দি আৰু এখোজ আগবাঢ়িছিল। প্রধানমন্ত্রী মোদীয়ে ধাৰাবাহিকভাৱে এই ধাৰণাক আগবঢ়াই আহিছে যে সংবিধানে অধিকাৰ উপভোগ কৰাৰ সমানেই কর্তব্য পালনৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। সংবিধান দিৱসত প্রস্তাৱনাৰ সামূহিক পাঠৰ উদ্দেশ্যও হৈছে প্রতিগৰাকী নাগৰিকক-বিশেষকৈ নৱপ্রজন-ন্মক-'বিকশিত ভাৰত'ৰ লক্ষ্য বাস্তৱায়িত কৰাৰ বাবে নাগৰিক



হিচাপে নিজৰ কৰ্তব্যসমূহক অগ্ৰাধিকাৰ দিবলৈ উৎসাহিত কৰা।

'বিকশিত ভাৰত'ৰ দৃষ্টিভংগী বাস্তৱায়িত কৰাৰ বাবে কৰ্তব্যসমূহ পালন কৰা। এই অনুভৱ কেৱল ভাষণতে সীমাবদ্ধ নহয়, ই নীতি নির্ধাৰণতো প্ৰতিফলিত হৈছে। 'আই-গট কৰ্মযোগী' (iGOT Karmayogi) মঞ্চৰ জৰিয়তে চৰকাৰী কৰ্মচাৰীসকলক দক্ষতা আৰু দায়বদ্ধতাৰ এক নতুন সংস্কৃতিৰ সৈতে সংযুক্ত কৰা হৈছে, আনহাতে 'স্বচ্ছ ভাৰত অভিযান'ৰ অধীনত প্ৰায় ১২ কোটি শৌচাগাৰ নিৰ্মাণে নাগৰিকসকলৰ কৰ্তব্যক পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ প্ৰতি এক ব্যৱহাৰিক প্ৰতিশ্ৰুতিলৈ ৰূপান্তৰিত কৰিছে। ইয়াৰ উপৰিও, 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' প্ৰচেষ্টাই বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰশাসিত অঞ্চলসমূহৰ সংস্কৃতি, ভাষা আৰু ঐতিহ্যৰ পাৰস্পৰিক বুজাবুজি বৃদ্ধি কৰি ভাৰতৰ ঐক্য আৰু অখণ্ডতাক শক্তিশালী কৰি তুলিছে-যিটো হৈছে আমাৰ সংবিধানৰ প্ৰস্তাৱনাত সন্নিৱিষ্ট 'দেশৰ ঐক্য আৰু অখণ্ডতা'ৰ আদৰ্শৰে এক সম্প্ৰসাৰণ।

সংবিধানৰ প্ৰাণশক্তিৰ পুনৰুজ্জীৱিতকৰণ: নতুন প্ৰজন্মৰ বাবে এক প্ৰতিশ্ৰুতি

যোৱা ১২টা বছৰ ধৰি বিশ্বই ভাৰত আৰু ইয়াৰ সংবিধানৰ মজবুত শক্তি প্ৰত্যক্ষ কৰিছে। পূৰ্বতে গণতন্ত্ৰ সন্দৰ্ভত বিশ্বৰ আলোচনাত কেৱল এথেন্স, আমেৰিকা যুক্তৰাষ্ট্ৰ, ফ্ৰান্স আৰু মেগ্না কার্টাকহে বিশেষ গুৰুত্ব দিয়া হৈছিল, আনহাতে প্ৰাচীন ভাৰতীয় গণতান্ত্ৰিক ঐতিহ্য প্ৰায়ে আওকাণ কৰা হৈছিল। প্ৰধানমন্ত্ৰী মোডীয়ে ভাৰতৰ এই মহান গণতান্ত্ৰিক ঐতিহ্যক পুনৰুজ্জীৱিত কৰিছে। তেওঁ সংবিধানক এনে এক মৰ্যাদা প্ৰদান কৰিছে যে এতিয়া কোনো শাসকেই সংবিধানৰ লগত হেতালি খেলিবলৈ সাহস নকৰিব। প্ৰতিবছৰে ২৫ জুনক 'সংবিধান হত্যা দিৱস' হিচাপে পালন কৰা কথাটোৱে দেশৰ অটল সংকল্পকে প্ৰতিফলিত কৰে: দেশে কেতিয়াও জৰুৰীকালীন অৱস্থাৰ দৰে পৰিস্থিতিৰ পুনৰাবৃত্তি হ'বলৈ নিদিব।

নিঃসন্দেহে, দ্বাদশ সংবিধান দিৱস কেৱল এটা দিনৰ উদযাপনেই নহয়, ই এক যৌথ চেতনাৰো উদযাপন-য'ত প্ৰতিগৰাকী নাগৰিকে নিজৰ অধিকাৰ সাব্যস্ত কৰাৰ দৰেই সমানে সমৰ্পিতভাৱে নিজৰ কৰ্তব্য পালন কৰে। সংবিধান সভাৰ সদস্যসকলে ২ বছৰ, ১১ মাহ আৰু ১৮ দিনৰ অহোপুৰুষাৰ্থ প্ৰচেষ্টাৰ দ্বাৰা যেতিয়া আমাক এই সুন্দৰ দলিলখন অৰ্পণ কৰিছিল, তেতিয়া তেওঁলোকৰ দৃষ্টিভংগী আছিল যাতে প্ৰতিটো পৰৱৰ্তী প্ৰজন্মই ইয়াৰ বিধি-নির্দেশনা অনুসৰি জীয়াই থাকে, ইয়াক বুজি পায় আৰু ইয়াৰ পৰা শিকিব পাৰে। আজি, দেশে যেতিয়া 'বিকশিত ভাৰত' নির্মাণৰ সংকল্প লৈ আগবাঢ়িছে, তেতিয়া ১৪০ কোটি নাগৰিকৰ দায়িত্ব হৈছে এই যৌথ প্ৰতিশ্ৰুতিত অংশগ্ৰহণ কৰা আৰু সংবিধান দিৱস পালন কৰাৰ মূল উদ্দেশ্য অৰ্থাৎ এই পুনৰুজ্জীৱিত সাংবিধানিক চেতনাৰ বাহক হৈ উঠা।



প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউ আৰ ক'ডটো স্কেন কৰক।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দিল্লীত বিজয়াদশমীৰ উৎসৱত অংশগ্ৰহণ কৰে

‘ৰাম সে ৰাষ্ট্ৰ’ আৰু ‘দেৱ সে দেশ’ৰ দৃষ্টিভংগী বাস্তৱায়িত হ’ব

বিজয়াদশমী-ৰ শুভক্ষণত ৰামলীলাই ৰাষ্ট্ৰীয় ঐক্য, সামাজিক সম্প্ৰীতি আৰু শ্ৰীৰামৰ আদৰ্শৰ বাৰ্তা কঢ়িয়াই আনিছিল। ২০ অক্টোবৰত দিল্লীৰ এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশবাসীলৈ বিজয়াদশমী-ৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ দৃঢ়তাৰে প্ৰকাশ কৰে যে অযোধ্যাৰ প্ৰাণ প্ৰতিষ্ঠাৰ সময়ত লোৱা ‘ৰাম সে ৰাষ্ট্ৰ’ আৰু ‘দেৱ সে দেশ’ৰ সংকল্প আমাৰ যৌথ প্ৰচেষ্টাৰ দ্বাৰা নিশ্চিতভাৱে পূ�ৰণ হ’ব।

হাজাৰ হাজাৰ বছৰ ধৰি আমাৰ পূৰ্বপুৰুষসকলে শ্ৰীৰামক আৰাধনা কৰি আহিছে। এই ভক্তি কেৱল এই কাৰণেই নহয় যে শ্ৰীৰামে ৰাক্ষসৰাজ ৰাৱণক বধ কৰিছিল, বৰঞ্চ তেওঁ মানৱ ইতিহাসত অতুলনীয় আদৰ্শসমূহ মূৰ্ত কৰি তুলিছিল বাবেহে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে উল্লেখ কৰে যে শ্ৰীৰামে জীৱনজুৰি বহু কষ্টৰ সন্মুখীন হ’বলগীয়া হোৱাৰ পিছতো সত্য আৰু ধৰ্মৰ পথৰ পৰা কেতিয়াও বিচ্যুত হোৱা নাছিল। তেওঁৰ চৰিত্ৰটো এনে আছিল যে তেওঁ ৰাজত্বৰ প্ৰত্যাশাত গৰ্বিত হোৱা নাছিল বা বনবাসলৈ যোৱাৰ দুখতো ভাঙি পৰা নাছিল। মহা সংকটৰ মাজতো তেওঁ স্থিৰচিত্তে ধৰ্ম পালন কৰিছিল আৰু সত্য প্ৰতিষ্ঠা কৰিছিল।

নিজৰ সম্ভাৱনাক চিনি পোৱা আৰু নিজৰ সমলসমূহৰ ওপৰত বিশ্বাস ৰখা: শ্ৰীৰামৰ জীৱনৰ পৰা পোৱা এক গভীৰ শিক্ষা হ’ল যে যিমানেই ডাঙৰ সংকট বা যিমানেই কঠিন প্ৰত্যাহ্বান নহওক কিয়, আনৰ ওপৰত নিৰ্ভৰ কৰা উচিত নহয়। ইয়াৰ পৰিৱৰ্তে নিজৰ সম্ভাৱনাক চিনি পাব লাগিব, নিজৰ সামৰ্থ্যত বিশ্বাস ৰাখিব লাগিব, নিজৰ সংকল্পক সামৰ্থ্যলৈ ৰূপান্তৰিত কৰিব লাগিব আৰু নিজৰ কঠিন পৰিশ্ৰমৰ জৰিয়তে সমাধান বিচাৰি উলিয়াব লাগিব। শ্ৰীৰামে আমাক শিকাইছে যে পথৰ বাধাই যাত্ৰা স্তব্ধ কৰিব নোৱাৰে। তেওঁ জনসাধাৰণৰ সামুহিক শক্তি জগাই তুলিছিল, উপলব্ধ সমলসমূহক কামত লগাইছিল আৰু অসম্ভৱকো সম্ভৱ কৰি তুলিছিল। আজি আমি





> জনসাধাৰণৰ অংশগ্ৰহণক নিজৰ সামৰ্থ্যৰ উৎস কৰি লৈছিল, দেশজুৰি ৰামলীলাৰ মঞ্চায়ন-এক পৰম্পৰা যি শ্ৰীৰামৰ আদৰ্শ জীৱন্ত কৰি ৰাখে, অত্যাচাৰ আৰু সন্ত্ৰাসৰ অন্ত ঘোষণা কৰে আৰু অসত্যৰ ওপৰত সত্যৰ বিজয়ৰ বিশ্বাসক পুনৰ দৃঢ় কৰে-এয়া কেৱল এক উৎসৱেই নহয়; এয়া হৈছে ভাৰতৰ প্ৰাণশক্তিও।
>
> *- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*

সাফল্যৰ মূল মন্ত্ৰ:

- নিজৰ শক্তিৰ ওপৰত বিশ্বাস।
- নিজৰ সামৰ্থ্যৰ ওপৰত আত্মবিশ্বাস।
- নিজৰ সম্পদৰ সঠিক ব্যৱহাৰ।
- নিজৰ লক্ষ্যৰ প্ৰতি অটল সংকল্প।

আমাৰ সন্মুখত 'বিকশিত ভাৰত' আৰু 'আত্মনিৰ্ভৰ ভাৰত'ৰ লক্ষ্য নিৰ্ধাৰণ কৰিছোঁ। জনসাধাৰণৰ শক্তি ব্যৱহাৰ কৰি আমি জনকল্যাণৰ দিশত কাম কৰিব লাগিব আৰু তেওঁলোকৰ সকলো আশা-আকাংক্ষা পূৰণ কৰিব লাগিব; ইয়াৰ বাবে আমি শ্ৰীৰামৰ পৰাই অনুপ্ৰেৰণা লাভ কৰা উচিত।

দুখীয়া আৰু বঞ্চিত লোকসকললৈ সেৱা আগবঢ়োৱাটোৱেই হৈছে সৰ্বোচ্চ গুৰুত্বপূৰ্ণ

বনবাসৰ সময়ত শ্ৰীৰামে নিষাদৰাজক সাৱটি লৈছিল আৰু আই শবৰীক গভীৰ শ্ৰদ্ধা জনাইছিল। তেওঁ সমবেদনা, দয়া, মৰম আৰু সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিছিল। বনবাসৰ পৰা উভতি আহি অযোধ্যাৰ ৰাজা হোৱাৰ পিছত তেওঁ 'ৰামৰাজ্য' প্ৰতিষ্ঠা কৰিছিল-যিটো সুশাসনৰ আৰ্হি হিচাপে এতিয়াও সোণালী মানক হিচাপে বিবেচিত হয়। 'ৰামৰাজ্য'ই বৈষম্যহীন শাসন ব্যৱস্থাক সূচায়, য'ত সকলোৱে ন্যায় লাভ কৰে আৰু সকলোৱে সমান সুযোগ উপভোগ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে গুৰুত্ব আৰোপ কৰি কয় যে আমি জনসাধাৰণক 'জনতা জনৰ্দন' হিচাপে গণ্য কৰিব লাগিব আৰু 'নাগৰিক দেৱো ভৱ'ৰ মনোভাৱ গ্ৰহণ কৰিব লাগিব। গৰীৱ আৰু বঞ্চিতসকলৰ সেৱা কৰাটো আমাৰ সৰ্বোচ্চ প্ৰাথমিকতা হ'ব লাগিব।

বিজয়াদশমী: বিজয়ৰ উদযাপন

বিজয়াদশমী হৈছে বিজয়ৰ উৎসৱ। ই এনে সাহস যোগায় যে যিমানেই শত্ৰু শক্তিশালী নহওক কিয়, সত্য আৰু মানৱতাই অৱশেষত জয়লাভ কৰিবই। বিজয়াদশমীৰ এই মনোভাৱেই সদায় ভাৰতৰ মূল দৰ্শনৰ কেন্দ্ৰবিন্দু হৈ আহিছে।

ঐক্যবদ্ধভাৱে একত্ৰিত হোৱা

আমি দেশৰ শত্ৰুসকলৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে একত্ৰিত হৈ থিয় দিব লাগিব। যি শক্তিয়ে দেশৰ মৰ্যাদাক ক্ষুণ্ণ কৰে, যিয়ে সমাজক বিভাজিত কৰিব বিচাৰে আৰু যিয়ে আমাৰ সংস্কৃতিৰ প্ৰতি ঘৃণা পোষণ কৰে-তেওঁলোকেই হৈছে দেশৰ আচল শত্ৰু। প্ৰধানমন্ত্ৰী মোদীয়ে সকলোকে নিজৰ সংকল্প পুনৰ দৃঢ় কৰিবলৈ আহ্বান জনায়: আমি আই ভাৰতীৰ শত্ৰুক চিনাক্ত কৰি তেওঁলোকক পৰাস্ত কৰিব লাগিব। 'ৰাষ্ট্ৰ প্ৰথম' প্ৰতিশ্ৰুতিৰে আমি সকলোৱে এক হৈ থিয় দিব লাগিব।

‘প্রধানমন্ত্রী বিকশিত গ্রাম স্বৰাজ যোজনা আৰু কণ্টেইনাৰ নির্মাণ প্রসাৰণ আঁচনি’ ৰূপায়ণৰ প্রস্তাৱলৈ অনুমোদন জনোৱা হৈছে

কেন্দ্রীয় চৰকাৰ গ্রামাঞ্চলৰ উন্নয়ন আৰু পঞ্চায়তসমূহৰ সৱলীকৰণৰ বাবে প্রতিশ্রুতিবদ্ধ। এই লক্ষ্যৰ দিশে এক গুৰুত্বপূর্ণ পদক্ষেপ হিচাপে চৰকাৰে ‘প্রধানমন্ত্রী বিকশিত গ্রাম স্বৰাজ যোজনা’ (পি এম ভি জি এছ ৰাই)লৈ অনুমোদন জনাইছে, যিটো হৈছে ‘বিকশিত ভাৰত’ৰ ৰাষ্ট্রীয় দৃষ্টিভংগীৰ সৈতে খাপ খুৱাই তৈয়াৰ কৰা পৰৱর্তী প্রজন্মৰ শাসন সংস্কাৰমূলক পদক্ষেপ। ইয়াৰ উপৰিও, কণ্টেইনাৰ নির্মাণ প্রসাৰণ আঁচনি আৰু ‘খেলো ইণ্ডিয়া’ ক্রীড়া সঁজুলি নির্মাণ আঁচনিৰ লগতে কেন্দ্রীয় চৰকাৰী কর্মচাৰীৰ মৰগীয়া ভাট্টা আৰু পেঞ্চনাৰসকলৰ মৰগীয়া সাহায্য সম্পর্কীয় প্রস্তাৱলৈ অনুমোদন জনোৱা হৈছে। ষোড়শ वित्त আয়োগৰ কার্যকালৰ সৈতে সংগতি ৰাখি ২০২৬-২৭ চনৰ পৰা ২০৩০-৩১ চনলৈকে এই আঁচনিখন ৰূপায়ণৰ বাবে অনুমোদন জনোৱা হৈছে।

সিদ্ধান্ত ঃ ২০২৬-২৭ চনৰ পৰা ২০৩০-৩১ চনলৈকে সময়ছোৱাৰ বাবে কেন্দ্রীয়ভাৱে পৃষ্ঠপোষকতাপ্রাপ্ত আঁচনি হিচাপে ‘প্রধানমন্ত্রী বিকশিত গ্রাম স্বৰাজ’ আঁচনিখন অনুমোদন জনোৱা হৈছে।

প্রভাৱ ঃ এই আঁচনিখনে গ্রাম্য শাসন ব্যৱস্থাটোক এক নতুন দিশ প্রদান কৰিব, যিটো ‘বিকশিত ভাৰত’ৰ ৰাষ্ট্রীয় দৃষ্টিভংগীৰ সৈতে সংগতিপূর্ণ।

- এই আঁচনিখনে পোনপটীয়াকৈ ২.৫৫ লাখতকৈয়ো অধিক পঞ্চায়ত আৰু প্রায় ৩২ লাখ নির্বাচিত প্রতিনিধিক উপকৃত কৰিব।
- ই পঞ্চায়তসমূহৰ সামর্থ্য শক্তিশালী কৰিব, বিত্ত আয়োগৰ অনুদান আৰু অন্যান্য পুঁজিসমূহ ফলপ্রসূভাৱে ব্যৱহাৰ কৰিবলৈ সক্ষম কৰিব, নিজৰ উৎসৰ পৰা ৰাজহ আহৰণ কৰিব (নিজৰ উৎস ৰাজহ - অ’ এছ আৰ) আৰু অনলাইন হিচাপ-নিকাচ, অডিটিং, আৰু ৰাজহুৱা প্রকাশ নিশ্চিত কৰিব।
- এই আঁচনিখনে সম্পদৰ স্বচ্ছ ব্যৱহাৰ প্রসাৰ কৰিব আৰু জবাবদিহি তথা আত্মনির্ভৰশীল পঞ্চায়ত গঠনত সহায় কৰিব।
- সজাগতা কার্যসূচীৰ জৰিয়তে অন্ততঃ ১ কোটি নাগৰিকক চৰকাৰী আঁচনিসমূহৰ বিষয়ে অৱগত কৰা হ’ব।
- এই আঁচনিখনৰ বাবে ধার্য মুঠ পুঁজিৰ পৰিমাণ হৈছে ৭,৩৯৫.৫৫ কোটি টকা।





আমাৰ চৰকাৰে 'প্ৰধানমন্ত্ৰী বিকশিত গ্ৰাম স্বৰাজ যোজনা'লৈ অনুমোদন জনাইছে। ইয়াৰ দ্বাৰা স্থানীয় সম্পদ, সামৰ্থ্য আৰু প্ৰত্যাহ্বানসমূহৰ লগত খাপ খোৱা পৰিকল্পনা প্ৰণয়ন কৰাটো সম্ভৱ হ'ব। এই পদক্ষেপে জনসাধাৰণৰ অংশগ্ৰহণ আৰু অধিক শক্তিশালী কৰিব, বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ গতি ত্বৰান্বিত কৰিব। - *নৰেন্দ্ৰ মোডী, প্ৰধানমন্ত্ৰী*

সিদ্ধান্ত ঃ কেন্দ্ৰীয় চৰকাৰী কৰ্মচাৰীৰ মৰগীয়া ভাট্টা (ডি এ) আৰু পেঞ্চনাৰসকলৰ মৰগীয়া সাহায্য (ডি আৰ) বৃদ্ধি কৰাত অনুমোদন জনোৱা হৈছে।

প্ৰভাৱ ঃ এই ব্যৱস্থা ২০২৬ চনৰ ১ জুলাইৰ পৰা কাৰ্যকৰী হ'ব। ইয়াৰ ফলত প্ৰায় ৪৮.৫৪ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু ৬৮.৭১ লাখ পেঞ্চনাৰ উপকৃত হ'ব।

- বৃদ্ধি পোৱা মুদ্ৰাস্ফীতিৰ ক্ষতিপূৰণৰ বাবে বৰ্তমানৰ হাৰত ৩% বৃদ্ধি যোগ কৰা হৈছে।
- মৰগীয়া ভাট্টা আৰু মৰগীয়া সাহায্য দুয়োটাৰে এই বৃদ্ধিয়ে ৰাজকোষত বাৰ্ষিক ১০,০১৬.১০ কোটি টকাৰ বোজা জাপি দিব।
- এই বৃদ্ধি সপ্তম কেন্দ্ৰীয় দৰমহা আয়োগৰ পৰামৰ্শ অনুসৰি অনুমোদিত সূত্ৰৰ ওপৰত ভিত্তি কৰি কৰা হৈছে।

সিদ্ধান্ত ঃ কেন্দ্ৰীয় কেবিনেটে বিশ্বমানৰ প্ৰতিযোগিতামূলক ক্ৰীড়া সঁজুলি উৎপাদন পৰিতন্ত্ৰ গঢ়ি তোলাৰ বাবে 'খেলো ইণ্ডিয়া ক্ৰীড়া সঁজুলি উৎপাদন আঁচনি'লৈ অনুমোদন জনাইছে।

প্ৰভাৱ ঃ এই আঁচনিৰ লক্ষ্য হৈছে বিনিয়োগ, উৎপাদন, উদ্ভাৱন, আৰু ৰপ্তানি বৃদ্ধি কৰাৰ লগতে ক্ৰীড়া সঁজুলি খণ্ডত ভাৰতৰ গোলকীয় স্থান শক্তিশালী কৰা।

- ই বিনিয়োগ, প্ৰযুক্তি গ্ৰহণ, গৱেষণা আৰু উদ্ভাৱন, দক্ষতা বিকাশ, গুণগত প্ৰমাণপত্ৰ, আৰু বজাৰ বিকাশৰ বাবে লক্ষ্যভিত্তিক সমৰ্থন প্ৰদান কৰি ভাৰতৰ ক্ৰীড়া সঁজুলি নিৰ্মাণৰ ভিত্তিক শক্তিশালী কৰিব বিচাৰে।
- এই আঁচনিখনে বিশ্বব্যাপী প্ৰতিযোগিতামূলক ক্ৰীড়া সঁজুলি উদ্যোগৰ বৃদ্ধিত সহায় কৰিব আৰু বিশ্ব যোগান শৃংখলৰ ভিতৰত ভাৰতৰ স্থান শক্তিশালী কৰিব।
- ২০২৬ চনৰ পৰা ২০৩৩-৩৪ চনলৈকে মুঠ ব্যয় হৈছে ১,৮৫৬.৬৭ কোটি টকা। এই আঁচনি ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা হৈছিল।


কেবিনেটৰ সিদ্ধান্তসমূহৰ প্ৰেছ বিবৃতি চাবলৈ কিউআৰ ক'ডটো স্কেন কৰক

সিদ্ধান্ত: ২০৩৯-৪০ বিত্তীয় বৰ্ষলৈকে কাৰ্যকৰী হোৱাকৈ ১০,০০০ কোটি টকাৰ বাজেটযুক্ত 'কণ্টেইনাৰ নিৰ্মাণ প্ৰোৎসাহন আঁচনি' (চি এম পি এছ)-ত অনুমোদন জনোৱা হৈছে।

প্ৰভাৱ: এই আঁচনিৰ লক্ষ্য হৈছে ভাৰতত বিশ্বমানৰ, প্ৰতিযোগিতামূলক কণ্টেইনাৰ নিৰ্মাণৰ পৰিতন্ত্ৰ সৃষ্টি কৰা, আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰা, আৰু যোগান শৃংখল আৰু অধিক শক্তিশালী কৰা।

- আঁচনিখনে নতুন উৎপাদনী গোটসমূহক সহায় কৰাৰ লগতে বৰ্তমানৰ কণ্টেইনাৰ নিৰ্মাণৰ সুবিধাসমূহৰ সম্প্ৰসাৰণৰ সুবিধা প্ৰদান কৰিব।
- বাৰ্ষিক ঘৰুৱা কণ্টেইনাৰ নিৰ্মাণ সামৰ্থ্য প্ৰায় দহগুণ বৃদ্ধি পাই ৭.৫ লাখ টি ই ইউ পৰ্যন্ত হ'ব বুলি আশা কৰা হৈছে।
- ই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিযোগিতামূলক উৎপাদন ভিত্তি স্থাপন কৰিব, য'ত ভাৰতক উচ্চমানৰ জাহাজ কণ্টেইনাৰৰ বাবে গোলকীয় ৰপ্তানি কেন্দ্ৰ হিচাপে স্থান দিয়াৰ সম্ভাৱনা থাকিব।
- ই ভাৰতৰ সামুদ্ৰিক আৰু লজিষ্টিক যোগান শৃংখলৰ অনুকূলন শক্তিশালী কৰিব।
- আনুমানিক ৩,০০০ প্ৰত্যক্ষ চাকৰি আৰু ৫০,০০০ৰো অধিক পৰোক্ষ চাকৰিৰ সৃষ্টি হ'ব, লগতে আনুষংগিক উদ্যোগ যেনে চুকৰ সংযোগকাৰী ধাতৰ অংশ, বিশেষ ধৰণৰ তীখা, কাঠৰ কাঠামো আৰু ৰং উৎপাদন কৰা উদ্যোগসমূহকো সহায় আগবঢ়োৱা হ'ব।
- ২০২৬-২৭ চনৰ কেন্দ্ৰীয় বাজেটত কণ্টেইনাৰ নিৰ্মাণ প্ৰসাৰণ আঁচনি ঘোষণা কৰা হৈছিল। ●





পি এম আৱাস-গ্ৰামীনৰ ১০ বছৰ

স্থিৰতা.. সুযোগ.. ভৱিষ্যতৰ বাবে আশাৰ সঞ্চাৰ

ঘৰ নিৰ্মাণ কৰিলে যিকোনো পৰিয়াললৈ নিৰাপত্তা, আনন্দ আৰু মৰ্যাদা আহে। সেয়ে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰে কেৱল বিত্তীয় সাহায্যই নহয়, বিদ্যুৎ, পানী, শৌচাগাৰ আৰু গেছ সংযোগো প্ৰদান কৰে। যোৱা এটা দশকত গ্ৰাম্য আৱাসনৰ যাত্ৰা হৈছে পৰিৱৰ্তন আৰু মৰ্যাদাৰ এক কাহিনী। প্ৰধানমন্ত্ৰী আৱাস যোজনা - গ্ৰামীণৰ লক্ষ্য হৈছে ২০২৯ চনৰ ভিতৰত ৪ কোটি ৯৫ লাখ ঘৰ নিৰ্মাণ কৰি প্ৰদান কৰা।

ঘৰ মানে কেৱল ইটা আৰু চিমেণ্টেৰে তৈয়াৰী এটা গঠনেই নহয়; ই আমাৰ আৱেগ আৰু আশাৰ সৈতে গভীৰভাৱে জড়িত। ঘৰৰ দেৱালসমূহে নিৰাপত্তা প্ৰদান কৰাৰ লগতে ভৱিষ্যতৰ এক উন্নত দিনৰ প্ৰতি আত্মবিশ্বাস আৰু আস্থা জগাই তোলে। এই অনুভৱ আৰু বিশ্বাসক মনত ৰাখি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৬ চনৰ ২০ নৱেম্বৰত উত্তৰ প্ৰদেশৰ আগ্ৰাৰ পৰা প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীনৰ (পি এম এ ৱাই-জি) শুভাৰম্ভ ঘোষণা কৰিছিল। বিগত দশকত এই আঁচনিৰ অধীনত, কোটি ৯১ লাখ ঘৰ মঞ্জুৰ কৰা হৈছে; ২০২৪ চনৰ, আগষ্টলৈকে ইয়াৰে ৩ কোটি ১২ লাখ ঘৰ সম্পূৰ্ণ হৈছে আৰু আবণ্টন দিয়া হৈছে। বৰ্তমান ৭৯ লাখ ঘৰ নিৰ্মাণাধীন অবস্থাত আছে। এই ঘৰসমূহ নিৰাপদ আৰু উচ্চ মানবিশিষ্ট হোৱাটো নিশ্চিত কৰিবলৈ ভাৰত চৰকাৰে গ্ৰামাঞ্চলত প্ৰায় ৪,০০,০০০ ৰাজমিস্ত্ৰীক প্ৰশিক্ষণো প্ৰদান কৰিছে। ইয়াৰ উপৰিও, এই আঁচনিৰ অধীনত নিৰ্ধাৰিত লক্ষ্যৰ অন্তত ৬০ শতাংশ অনুসূচিত জাতি (এছ চি) আৰু অনুসূচিত জনজাতি (এছ টি)ৰ যোগ্য হিতাধিকাৰীসকলৰ বাবে সংৰক্ষিত কৰা হৈছে।

নাৰী সৱলীকৰণ

পি এম এ ৱাই-ইউ ২.০-ৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক সাহায্যৰে নিৰ্মাণ কৰা বা ক্ৰয় কৰা ঘৰটো পৰিয়ালৰ প্ৰাপ্তবয়স্ক মহিলা মুৰব্বীৰ নামত অথবা পুৰুষ মুৰব্বী আৰু তেওঁৰ পত্নীৰ যুটীয়া নামত থাকিব লাগিব। কেৱল পৰিয়ালটোত কোনো প্ৰাপ্তবয়স্ক মহিলা সদস্য নাথাকিলেহে ঘৰটো পৰিয়ালৰ পুৰুষ সদস্যৰ নামত থাকিব পাৰিব। ২০২৬ চনৰ জুলাই মাহলৈকে পি এম এ ৱাই-ইউ ২.০-ৰ অধীনত ১৬.২০ লাখ ঘৰ অনুমোদন জনোৱা হৈছে, যাৰ ভিতৰত ১২.৬ লাখ ঘৰ মহিলাসকলৰ নামত অনুমোদন জনোৱা হৈছে। ইয়াৰ উপৰি, প্ৰধানমন্ত্ৰী আৱাস যোজনা - নগৰ (পি এম এ ৱাই-ইউ)-ৰ অধীনত অনুমোদিত ১.২৭ কোটিৰো অধিক ঘৰৰ ভিতৰত ১ কোটি ঘৰ মহিলাৰ নামত মঞ্জুৰ কৰা হৈছে।

কৃত্ৰিম বুদ্ধিমত্তাৰ (এ আই) জৰিয়তে গ্ৰাম্য আৱাসন আঁচনিৰ নিৰীক্ষণ

প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (পি এম এ ৱাই-জি)ৰ অধীনত কেন্দ্ৰীয় চৰকাৰে নিৰ্মিত প্ৰতিটো ঘৰেই প্ৰকৃততে নিৰ্মিত হোৱা আৰু প্ৰতিগৰাকী হিতাধিকাৰীৰ পৰীক্ষণ কৰাটো নিশ্চিত কৰিছে। ইয়াৰ বাবে নতুন মাত্ৰাসমূহ-কৃত্ৰিম বুদ্ধিমত্তা (এ আই) আৰু মেচিন লাৰ্নিং (এম এল) সঁজুলিৰ সহায় লৈ-নিৰীক্ষণ প্ৰক্ৰিয়াত সংযুক্ত কৰা হৈছে।

- **চিনাক্তকৰণ ব্যৱস্থা:** এ আই মডেলে দেৱাল, চাল, দুৱাৰ আৰু খিৰিকী আদি গঠনগত বৈশিষ্ট্যসমূহ চিনাক্ত কৰিবলৈ আপলোড কৰা ছবিসমূহ বিশ্লেষণ কৰে। ইয়াৰ দ্বাৰা কেৱল প্ৰকৃত আৰু সম্পূৰ্ণৰূপে নিৰ্মিত ঘৰসমূহেহে সম্পূৰ্ণ বুলি বৈধতা লাভ কৰে।
- **প্ৰৱঞ্চনা প্ৰতিৰোধ:** মেচিন লাৰ্নিং এলগৰিথমে একে এলেকাৰ ঘৰবোৰৰ ছবি তুলনা কৰে। যদি কিবা সাদৃশ্য ধৰা পৰে, তেন্তে তথ্যৰ পুনৰাবৃত্তি বা জালিয়াতিপূৰ্ণ প্ৰতিবেদন দাখিল। প্ৰতিহত কৰিবলৈ ব্যৱস্থামতে সতৰ্কবাণী জাৰি কৰে।
- **মুখমণ্ডলৰ জৰিয়তে পৰিচয় নিশ্চিতকৰণ আৰু ই-কে ৱাই চি:** আধাৰভিত্তিক, এ আই-সক্ষম মুখমণ্ডলৰ পৰিচয় নিশ্চিতকৰণৰ দ্বাৰা হিতাধিকাৰীসকলক সত্যাপন কৰা হয়। 'আৱাস+ ২০২৪' ম'বাইল এপ-য়ে আধাৰভিত্তিক মুখৰ পৰিচয়ৰ লগতে ত্ৰিমাত্ৰিক (থ্ৰি ডি) ঘৰৰ নক্সাৰ দৰে উদ্ভাৱনীমূলক বৈশিষ্ট্যসমূহ একত্ৰিত কৰি হিতাধিকাৰী চিনাক্তকৰণত স্বচ্ছতা আৰু অধিক বৃদ্ধি কৰিছে।



"

প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ইতিমধ্যে কোটি কোটি হিতাধিকাৰীয়ে নিজাকৈ স্থায়ী ঘৰ লাভ কৰিছে। প্ৰয়োজনীয়তা থকা প্ৰতিটো পৰিয়ালক ঘৰ প্ৰদানৰ লক্ষ্যৰ প্ৰতি সম্পূৰ্ণ দায়বদ্ধতাৰে চৰকাৰে দ্ৰুত গতিত আগবাঢ়িছে।

-নৰেন্দ্ৰ মোডী, প্ৰধানমন্ত্ৰী

মহিলাসকলৰ নামত অনুমোদন জনোৱা হৈছে

দেশখনে 'বিকশিত ভাৰত'ৰ লক্ষ্য লৈ আগবাঢ়িছে, য'ত এগৰাকী সৱলীকৃত গ্ৰাম্য জনসাধাৰণে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। অনাগত বছৰসমূহত সৰ্বাংগীণ গ্ৰাম্য আৱাসন লাভৰ দিশত এক নিৰ্ণায়ক পৰ্যায় দেখা যাব। প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ অধীনত ইতিমধ্যে ৩.১২ কোটি ঘৰৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈছে। গৃহৰ ব্যৱস্থাক মৰ্যাদা, সৱলীকৰণ আৰু অত্যাৱশ্যকীয় সা-সুবিধাৰ সৈতে সংযুক্ত কৰি এই পদক্ষেপে লাখ লাখ লোকৰ জীৱনলৈ পৰিৱৰ্তন আনিছে। এই প্ৰগতিয়ে নিশ্চিত কৰে যে প্ৰতিটো যোগ্য পৰিয়ালৰে নিজাকৈ এটা স্থায়ী ঘৰ থাকিব। ২০২৯ চনলৈকে এক স্পষ্ট ৰোডমেপৰ সৈতে এই আঁচনিখনে গ্ৰাম্য ভাৰতত 'সকলোৰে বাবে ঘৰ'ৰ দৃষ্টিভংগী বাস্তৱায়িত কৰিব।

প্ৰধানমন্ত্ৰী আৱাস যোজনা-নগৰীয়া (পি এম এ ৱাই-ইউ)

নগৰ অঞ্চলসমূহত অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণী (ই ডব্লিউ এছ) আৰু নিম্ন আয়ৰ গোট (এল আই জি) আদিৰ বাবে ১.১২ কোটি ঘৰৰ চাহিদা নিৰূপণ কৰা হৈছিল। ২০১৫ চনৰ ২৫ জুনত আৰম্ভ কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনা-নগৰ ১.০ আৰু পি এম এ ৱাই-ইউ ২.০-ৰ অধীনত মুঠ ১২৭.৬৮ লাখ ঘৰৰ বাবে অনুমোদন জনোৱা হৈছে (ইয়াৰ ভিতৰত পি এম এ ৱাই-ইউ ১.০-ৰ অধীনত ১১১.৪৮ লাখ ঘৰ আৰু পি এম এ ৱাই-ইউ ২.০-ৰ অধীনত ১৬.২০ লাখ ঘৰ অন্তৰ্ভুক্ত)। ইয়াৰে ১২১.০৩ লাখ ঘৰৰ নিৰ্মাণকাৰ্য ইতিমধ্যে আৰম্ভ হৈছে। ২০২৬ চনৰ ১৩ জুলাইলৈকে সমগ্ৰ দেশতে ৯৯.০৭ লাখ (৯.৯০৭ নিযুত) আৱাসগৃহৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা হৈছে আৰু সেইবোৰ হিতাধিকাৰীসকলক হস্তান্তৰ কৰা হৈছে।



আৰ বি আইৰ ডাটা চেণ্টাৰ আৰু চাইবাৰ ছিকিউৰিটি ট্ৰেইনিং ইনষ্টিটিউট উদ্বোধন

সুশাসনৰ মাধ্যমেৰে সন্তুলিত বিকাশ

ভাৰতে দুৰ্গম অঞ্চল সমূহত উন্নত আন্তঃগাঁথনিৰ নিৰ্মাণ কার্য্যৰ গতি ত্বৰান্বিত কৰিছে, দৰিদ্ৰ পৰিয়ালসমূহে মর্য্যাদা সহকাৰে জীয়াই থাকিবলৈ প্ৰয়োজনীয় সুবিধাসমূহ লাভ কৰাটো নিশ্চিত কৰিছে আৰু ডিজিটেল সংযোগক লালন-পালনৰ সমান্তৰালকৈ সুৰক্ষিত বিত্তীয় অন্তর্ভুক্তিক প্ৰসাৰিত কৰিছে। নাগৰিকসকলৰ মাজত আস্থাৰ মনোভাৰ জগাই তুলিবলৈ সেৱা আৰু সম্পদৰ বিকাশ সাধন কৰা হৈছে যাতে তেওঁলোকে ৰাষ্ট্ৰৰ উন্নয়ন যাত্ৰাত পিছ পৰি থাকিবলগীয়া নহয়। গ্ৰহণ কৰা এনে প্ৰচেষ্টাসমূহৰ মাজতে ভাৰতে নিজৰ বিত্তীয় ব্যৱস্থাৰ সুৰক্ষাকো শক্তিশালী কৰি তুলিছে। এই পদক্ষেপৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২৫ অক্টোবৰত ওড়িশাত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ নৱ-নিৰ্মিত ডাটা চেণ্টাৰ আৰু চাইবাৰ ছিকিউৰিটি ট্ৰেইনিং ইনষ্টিটিউট উদ্বোধন কৰে।

বর্তমান চৰকাৰৰ মূল উদ্দেশ্য হৈছে নাগৰিকৰ জীৱন-যাত্ৰাক সৰল কৰি তুলি তেওঁলোকৰ সপোনৰাজি বাস্তৱায়িত কৰি নতুন-নতুন সুযোগ সৃষ্টি কৰা। এই কার্য্যসূচীত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰতত শাসন ব্যৱস্থাৰ দৃষ্টিভংগীত ক্ষিপ্ৰ ৰূপান্তৰ ঘটিছে। আৰ বি আই-ৰ এই নতুন সুবিধাসমূহে ৰাষ্ট্ৰখনৰ এলানি নতুন অগ্ৰাধিকাৰক সূচিত কৰিছে। আজি চৰকাৰে উন্নয়নক অগ্ৰাধিকাৰ প্ৰদান, ইয়াৰ প্ৰসাৰতা বৃদ্ধি কৰা আৰু সমাজৰ একেবাৰে অন্তিমজন লোকেও বিকাশৰ সুফল লাভ কৰাটো নিশ্চিতকৰণত গুৰুত্ব আৰোপ কৰিছে। কেইবা দশক ধৰি উন্নয়নৰ সুফল প্ৰতিটো অঞ্চলৰ লগতে প্ৰতিগৰাকী নাগৰিকৰ ওচৰলৈ সমতাপূর্ণভাৱে পোৱাটো নিশ্চিত কৰাটো এক গুৰুত্বপূর্ণ প্ৰত্যাহ্বান হৈয়েই আছিল। । আমি এনে পৰম্পৰাক সলনিৰ প্ৰয়াস কৰিছো। আমাৰ আৰ্হিটো জনকল্যাণমুখী, সক্ৰিয় আৰু সুশাসনৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ হোৱাৰ আদর্শৰ ওপৰত প্ৰতিষ্ঠিত। আমাৰ দৃষ্টিত উন্নয়নে ভাৰতৰ ন্যায্য প্ৰগতিক সূচিত কৰে- ইয়াৰ ফলশ্ৰুতিত আমাৰ গাঁও আৰু সৰু চহৰসমূহে সমান সুযোগ লাভ কৰা কার্য্য নিশ্চিত হৈছে। আমাৰ লক্ষ্য হৈছে দূৰৱর্তী অঞ্চলসমূহলৈ উন্নত সংযোগ ব্যৱস্থা প্ৰশস্ত কৰা, দৰিদ্ৰ পৰিয়ালসমূহক মর্য্যাদা সহকাৰে জীয়াই থাকিবলৈ প্ৰয়োজনীয় সুবিধাসমূহ প্ৰদান কৰা আৰু প্ৰতিজন নাগৰিককে তেওঁলোক ৰাষ্ট্ৰৰ উন্নয়ন যাত্ৰাত পিছ পৰি নথকাটো নিৰন্তৰভাৱে আশ্বস্ত কৰা।

বেংকিং ব্যৱস্থা অধিক নির্ভৰযোগ্য আৰু সুৰক্ষিত হৈ উঠিল

বিগত দশকটোত ভাৰতে পূর্বে বেংকিং ব্যৱস্থাৰ পৰা বাদ পৰি ৰোৱা লোকসকলক আনুষ্ঠানিক বিত্তীয় ব্যৱস্থাত অন্তর্ভুক্তকৰণত

পূব ভাৰতঃ বিকশিত ভাৰতৰ এক শক্তিশালী ইঞ্জিন


ভুৱনেশ্বৰত অনুষ্ঠিত এক কার্য্যসূচীত প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে পুনৰ কয় যে পূৰ ভাৰতে এখনি 'বিকশিত ভাৰত' গঢ়াৰ ক্ষেত্রত বিকাশৰ এটি শক্তিশালী ইঞ্জিন হিচাপে ভূমিকা পালন কৰিব। বর্তমান চৰকাৰৰ নেতৃত্বত ওড়িশাত উন্নয়নমূলক পদক্ষেপসমূহে নতুন গতি লাভ কৰিছে। পৰম্পৰাগত খনিজ-ভিত্তিক উদ্যোগ সমূহৰ সমান্তৰালভাৱে ৰাজ্যখনে এতিয়া অর্ধপৰিবাহী, ইলেক্ট্রনিকছ, ডাটা চেণ্টাৰ আৰু উন্নত কম্পিউটিঙৰ বাবে নতুন বাতাবৰণ গঢ়ি তুলিছে। খনিৰ পৰা মাইক্র'চিপলৈকে এই উন্নয়নমূলক যাত্রাৰ জৰিয়তে ওড়িশাই ভৰিষ্যতৰ বাবে উল্লেখযোগ্য সুযোগ সৃষ্টি কৰিছে। প্রধানমন্ত্রী মোদীয়ে বিকাশৰ এই উদীয়মান খণ্ডসমূহে বিস্তৃত সুযোগৰ দুৱাৰ মুকলি কৰিব বুলি আস্থা প্রকাশ কৰে।

প্রধানমন্ত্রী মোদীৰ সম্পূর্ণ কার্য্যসূচী চাবলৈ কিউ আৰ ক'ডটো স্কেন কৰক।

মনোনিৱেশ কৰিছিল। প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে কয় যে আগন্তুক দশকটোক বেংকিং সেৱাক অধিক কার্য্যক্ষম আৰু নির্ভৰযোগ্য কৰি তোলাৰ বাবে সমর্পণ কৰা হ'ব। ওড়িশাৰ নতুন ডাটা চেণ্টাৰ আৰু শক্তিশালী কম্পিউটিং ব্যৱস্থাই ইয়ালৈ সমর্থন আগবঢ়াব। প্রধানমন্ত্রীয়ে উল্লেখ কৰে যে আধুনিক যুদ্ধ এতিয়া কেৱল গতানুগতিক অস্ত্রৰে কৰা নহয়; বৰঞ্চ কোনো এখন ৰাষ্ট্রক ইয়াৰ অর্থনীতিলৈ লক্ষ্য কৰিও দুর্বল কৰিব পাৰি। ভাৰত অর্থনৈতিকভাৱে শক্তিশালী হৈ উঠাৰ লগে-লগে চাইবাৰ-অপৰাধী আৰু চাইবাৰ-সন্ত্রাসবাদীৰ পৰা আমাৰ বেংকিং ব্যৱস্থাটোক সুৰক্ষিত কৰাটো অতিশয় প্রয়োজনীয় হৈ পৰিছে। চাইবাৰ ভাবুকিৰ ধৰণ-কৰণ সলনি হৈছে আৰু পুৰণি ব্যৱস্থা, প্রশিক্ষণ পদ্ধতি বা সঁজুলিৰ ব্যৱহাৰেৰে এই নতুন প্রত্যাহ্বান সমূহেৰে মোকাবিলা কৰিব নোৱাৰি। ইয়াৰ বাবে আধুনিক আন্তঃগাঁথনি আৰু দক্ষ কর্মশক্তিৰ প্রয়োজন। এটা সমর্পিত চাইবাৰ সুৰক্ষা প্রতিষ্ঠানে এই ক্ষেত্রত এটি গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

চৰকাৰী সাহায্য বিতৰণৰ ক্ষেত্রত অপচয় আৰু অনিয়ম দূৰীকৰণ

প্রধানমন্ত্রী মোদীয়ে উল্লেখ কৰে যে ২০১৪-লৈকে দেশৰ মুঠ জনসংখ্যাৰ আধাৰো অধিক লোক বেংকিং ব্যৱস্থাটোৰ বাহিৰত আছিল। মধ্যবিত্ত শ্রেণীৰ বাবে বেংকৰ ঋণ লাভ কৰাটো সপোনৰো অগোচৰ আছিল, আনহাতে ক্ষুদ্র কৃষক, ভূমিহীন লোক আৰু মহিলা সকলৰ বাবে এয়া আছিল কল্পনাতীত। কিন্তু আর্থিক অন্তর্ভুক্তিৰ আধুনিক যুগে সমগ্র দেশতে এই বাতাবৰণক ৰূপান্তৰিত কৰিলে। আজি ভাৰতত ডিজিটেল বেংকিঙে সকলোকে ২৪/৭ জুৰি বিত্তীয় সেৱাৰ সুবিধা আগবঢ়াইছে। ইয়াৰ ফলশ্রুতিত প্রতিটো পৰিয়াল



বেংকত বন্ধক দিবলৈ নথকা লোক সকলেও এতিয়া নিজাকৈ উদ্যোগ আৰম্ভ কৰিবলৈ সুলভ আৰু সুগম ঋণ লাভ কৰিবলৈ সক্ষম হৈছে। ক্ষুদ্র উদ্যোগীৰ পৰা পৰম্পৰাগত শিল্পীলৈকে, পথৰ কাষৰ বিক্রেতাৰ পৰা আৰম্ভ কৰি অসংগঠিত খণ্ডৰ শ্রমিক সকললৈকে- পোন-প্রথমবাৰৰ বাবে তেওঁলোকে আনুষ্ঠানিক বেংকিঙৰ সুবিধাসমূহ লাভ কৰিছে।

- নৰেন্দ্র মোদী, প্রধানমন্ত্রী


উপকৃত হোৱাটো নিশ্চিত হৈছে। চৰকাৰী সাহায্য বিতৰণৰ ক্ষেত্রত হোৱা অপচয় আৰু অনিয়ম সম্পূর্ণৰূপে দূৰকৰা হৈছে; কেন্দ্রীয় চৰকাৰে প্রেৰণ কৰা প্রতিটো টকা এতিয়া কোনো ধৰণৰ কর্তন নোহোৱাকৈ পোনপটীয়াকৈ হিতাধিকাৰীসকলৰ একাউণ্টত সোমাইছে। সমগ্র ৰাষ্ট্রতে খোলা প্রায় ৬০০নিযুত (৬০ কোটি) 'জন ধন' একাউণ্টৰ বাবেই এয়া সম্ভৱ হৈ উঠিছে। ●

ভাৰতৰ শক্তিয়ে বিশ্বৰ শক্তি বৃদ্ধি কৰিব

এখন ‘বিকশিত ভাৰত’ৰ সংকল্প কেৱল ১.৪ বিলিয়ন নাগৰিকৰ আকাংক্ষাৰাজি পৰিপূৰণ কৰাই নহয়; বৰঞ্চ এয়া এক শান্তিপূর্ণ আৰু সমৃদ্ধিশালী বিশ্বৰ নিশ্চয়তাও। ভাৰত এতিয়া কেৱল বিশ্বৰ ‘বেক অফিচ’ নহয়; বৰঞ্চ দেশখন ‘ব্রেইন অফিচ’লৈ বিকশিত হৈছে - উদ্ভাৱন আৰু সমাধানৰ এটি কেন্দ্ৰ হৈ উঠিছে - ইয়াৰ ফলত সমগ্ৰ মানৱ জাতিৰ সবলীকৰণ হৈছে। এন ডি টি ভি বিশ্ব সন্মিলনত ভাষণ প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰিৱৰ্তিত বিশ্ব ব্যৱস্থাৰ প্ৰেক্ষাপটত শক্তিশালী আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠান আৰু ‘গ্ল’বেল চাউথ’ৰ বাবে এক শক্তিশালী কণ্ঠৰ জৰুৰী প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

“এখন বিকশিত ভাৰত কেৱল আমাৰ বাবেই নহয়; বৰঞ্চ এয়া এখন উন্নত বিশ্বৰ নিশ্চয়তা।

- নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী



২২ অক্টোবৰত অনুষ্ঠিত এন ডি টি ভি বিশ্ব সন্মিলনত প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে বিশ্বৰ ৰূপান্তৰে এতিয়া সাধাৰণ জনতাৰ দৈনন্দিন জীৱন-যাত্ৰাত প্ৰত্যক্ষভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে। এনে পৰিৱৰ্তনৰ বাস্তৱ-জগতৰ পৰিণতিয়ে আন্তঃৰাষ্ট্ৰীয় মঞ্চ সমূহৰ ক্ৰমবৰ্ধমান প্ৰয়োজনীয়তাক আঙুলিয়াই দিছে। ‘দ্য ৱৰ্ল্ড বিটুইন অৰ্ডাৰছ’ (বিশৃংখলতা আৰু নতুন ব্যৱস্থাৰ মাজত আবদ্ধ এখন বিশ্ব) শীৰ্ষক বিষয়বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কিয় বৰ্তমানৰ বিশ্ব ব্যৱস্থাৰ পৰিৱৰ্তন হৈছে আৰু কিয় লিগেচি চিষ্টেমসমূহ সমসাময়িক সংকট সমূহেৰে মোকাবিলা কৰাত ব্যৰ্থ হৈছে, সেই বিষয়ে গুৰুত্বসহকাৰে চিন্তা-চৰ্চা কৰিবলৈ বিশ্ব সমাজক আহ্বান জনায়।

বাণিজ্য, প্ৰযুক্তি আৰু সামুদ্ৰিক পথে এসময়ত ৰাষ্ট্ৰ সমূহক সংযোগ কৰাৰ ক্ষেত্ৰত এটি গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। এতিয়া এয়া অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ পৰিছে। উক্ত প্ৰেক্ষাপটত এনে এটা সর্বাংগীণ বিশ্ব ব্যৱস্থা স্থাপন কৰাটো অতিশয় গুৰুত্বপূর্ণ যিয়ে প্ৰতিষ্ঠানিক সিদ্ধান্ত-গ্ৰহণ প্ৰক্ৰিয়াক বর্তমানৰ বাস্তৱ পৰিস্থিতিৰ সৈতে ফলপ্ৰসূ ভাৱে সংযোগ কৰিব পাৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, আৰু ঠিক এনে পৰিস্থিতিতেই ভাৰতৰ ভূমিকাৰ প্ৰশ্নটো বিশেষভাৱে গুৰুত্বপূর্ণ হৈ পৰে” তেওঁ আৰু কয়, “যদি শতিকা সলনি হয়, কিন্তু আমি নিজকে সলনি নকৰোঁ, তেন্তে পৰিৱৰ্তনক আগুৱাই নিয়াৰ আমাৰ সামর্থ্য অনিবার্যভাৱে হ্ৰাস পায়।” গতিকে উদীয়মান বিশ্ব ব্যৱস্থাৰ ভিতৰৰ বহুপক্ষীয় প্ৰতিষ্ঠানসমূহৰ সংস্কাৰ সাধন আৰু ‘গ্ল’বেল ছাউথ’ক তৎকালীনভাৱে ইয়াৰ সঠিক স্থান

প্ৰধানমন্ত্ৰীয়ে কেইবাটাও উল্লেখযোগ্য ঐতিহাসিক কৃতিত্বৰ ওপৰত আলোকপাত কৰে...

৩০০ গিগাৱাট

ভাৰতে পোন-প্ৰথমবাৰৰ বাবে অ-জীৱাশ্ম ইন্ধনৰ উৎসৰ পৰা সংস্থাপিত শক্তি উৎপাদন ক্ষমতাৰ ক্ষেত্ৰত এই মাইলৰ খুঁটি অতিক্ৰম কৰিছে



- ছেপ্টেম্বৰত ব্যৱসায়িক সামগ্ৰীৰ ৰপ্তানি ২৫% বৃদ্ধি পাইছে।
- যোৱা ১২ বছৰত সামুদ্ৰিক খাদ্য সামগ্ৰীৰ ৰপ্তানি দুগুণৰো অধিক বৃদ্ধি পাইছে।
- ৩.৫ কোটিৰো অধিক মহিলা 'লাখপতি দিদি'হৈ পৰিছে; তেওঁলোকৰ সংখ্যা ৬ কোটিলৈ বৃদ্ধিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।
- 'পি এম বিকশিত ভাৰত ৰোজগাৰ যোজনা'ৰ অধীনত ৭ নিযুত নতুন চাকৰিৰ সৃষ্টি হৈছে।
- ১২ লাখ টকা পৰ্য্যন্ত বাৰ্ষিক আয়ৰ ওপৰত শূন্য কৰে মধ্যবিত্ত শ্ৰেণীক উপকৃত কৰিছে।
- ৰিচাৰ্চ পাব্লিকেচনৰ ক্ষেত্ৰত ভাৰতে বিশ্বজুৰি তৃতীয় স্থান লাভ কৰিছে।
- ২০২৫ চনত ১.৫ লাখ পেটেণ্ট আবেদন দাখিল কৰা হৈছে।
- চিপডিজাইন খণ্ডৰ বিশ্বব্যাপী কৰ্মশক্তিৰ ২০% ভাৰতত আছে।
- ভাৰতীয় অভিযন্তাসকল ২-ৰ পৰা ৩ নেন'মিটাৰ চিপৰ ডিজাইনৰ কামত সক্ৰিয়ভাৱে নিয়োজিত হৈ আছে।
- সমগ্ৰ দেশৰ ছাত্ৰ-ছাত্ৰীসকলে আজিলৈকে ৩২৫-ৰো অধিক চিপৰ ডিজাইন বিকশিত কৰিছে।
- বিশ্বৰ আধাৰো অধিক গ্লবেল কেপেবিলিটি চেণ্টাৰ (জি চি চি) ভাৰতত আছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক উদাহৰণ দাঙি ধৰি কয় যে ভৱিষ্যতৰ সংকটৰ বাবে প্ৰস্তুতি চলাবলৈ যুগুত কৰা চৰকাৰী নীতি আৰু দীৰ্ঘ-ম্যাদী বিনিয়োগৰ আঁৰৰ দূৰদৰ্শিতাই ফাৰ্মাচিউটিকেল উদ্যোগটোক আত্ম-নিৰ্ভৰতাৰ দিশে অগ্ৰসৰ হ'বলৈ সক্ষম কৰি তুলিছে। পূৰ্বে উদ্যোগটো কেঁচামালৰ বাবে আমদানিৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল আছিল। এই ৰূপান্তৰৰ ক্ষেত্ৰত প্ৰডাকচন লিংকড ইনচেণ্টিভ (পি এল আই) আঁচনিখনে এটি উল্লেখযোগ্য ভূমিকা পালন কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে উদ্ভাৱনক লালন-পালন কৰা, নতুন পথ অন্বেষণ কৰা, প্ৰত্যাহ্বানসমূহক সুযোগলৈ ৰূপান্তৰিত কৰা আৰু ভাৰতৰ সফলতাক বিশ্বৰ সমৃদ্ধিৰ সৈতে সংযোগ কৰিবলৈ দৃঢ় অংগীকাৰৰ কথা ব্যক্ত কৰে। তেওঁ কয়, "আমি ডাঙৰ-ডাঙৰ সপোন দেখিম, প্ৰতিটো প্ৰত্যাহ্বানকে একো-একোটা সুযোগলৈ ৰূপান্তৰিত কৰিম আৰু আমি গ্ৰহণ কৰা প্ৰতিটো সংকল্পই বাস্তৱায়িত হোৱাটো নিশ্চিত কৰিম।"



প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউ আৰ ক'ডটো স্কেন কৰক।

প্ৰদান কৰাটো অতিশয় প্ৰয়োজনীয়।

শক্তিশালী ৰাষ্ট্ৰ সমূহে দুৰ্বল ৰাষ্ট্ৰ সমূহক শোষণ কৰাটো উচিত নহয়। এই দৃষ্টিভংগীৰে পৰিচালিত হৈ ভাৰতে ক'ভিড-১৯ মহামাৰীৰ সময়ত ১০০ খনৰো অধিক দেশলৈ ভেকচিন আৰু ঔষধ যোগান ধৰাৰ উদ্যোগ গ্ৰহণ কৰিছিল। 'সবকা সাথ, সবকা বিকাশ'ৰ মূল নীতি অনুসৰণ কৰি ভাৰতে জি-২০ আৰু ব্ৰিকছ সম্মিলনৰ সময়ত ঐক্যমতৰ পোষকতা কৰিছিল, উভয় অনুষ্ঠানতে 'দিল্লী ঘোষণা' সৰ্বসম্মতিক্ৰমে গ্ৰহণ কৰাটো সফলতাৰে নিশ্চিত কৰিছিল। ভাৰতৰ ক্ৰমবৰ্ধমান শক্তিক পোনপটীয়াকৈ বিশ্ব কল্যাণৰ সৈতে সংযোগ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে দেশৰ নীতিসমূহ ক্ষণস্থায়ী ঘটনা-পৰিঘটনাৰ দ্বাৰা পৰিচালিত নহয়; বৰঞ্চ সেইবোৰ দীৰ্ঘস্থায়ী সভ্যতাগত মূল্যবোধৰ ওপৰত প্ৰতিষ্ঠিত। সেয়েহে এখন শক্তিশালী ভাৰতে বিশ্বৰ সুস্থিৰতা আৰু ধাৰাবাহিকতাৰ নিশ্চয়তা হিচাপে কাম কৰে। ●



এখন বিকশিত ভাৰতৰ ভেটি...
বৈজ্ঞানিক গৱেষণা আৰু উদ্ভাৱন

বিকশিত ভাৰতৰ সংকল্প সে সিদ্ধি বৈজ্ঞানিক গৱেষণা, মৌলিক আৱিষ্কাৰ আৰু উদ্ভাৱনৰ এক শক্তিশালী ভেটিৰ ওপৰত নির্ভৰশীল। ভাৰতে কেৱল আৱিষ্কাৰক আকোৱালি লোৱাই নহয়, বৰঞ্চ ভৱিষ্যৎ প্রযুক্তিৰ পৰিক্রমাক গঢ় দি বিশ্বক নেতৃত্বও প্রদান কৰিব লাগিব। তদুপৰি কৃত্রিম বুদ্ধিমত্তাৰ দৰে দ্রুতগতিত বিকশিত হোৱা প্রযুক্তিৰ দ্বাৰা সংজ্ঞায়িত এটা যুগত উদ্ভাৱনৰ গতিৰ সমান্তৰালভাৱে তথ্যৰ নির্ভৰযোগ্যতা, নির্ভুলতা আৰু সত্যতা অক্ষুণ্ণ ৰখাটো অতিশয় প্রয়োজনীয়। এই উদ্দেশ্য আগত ৰাখি প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে ২৭ অক্টোবৰত 'উদীয়মান বিজ্ঞান, প্রযুক্তি আৰু উদ্ভাৱন সম্মিলন, ২০২৬' উদ্বোধন কৰে।

ভাৰতৰ যুৱক-যুৱতীসকলে যি উচ্চাকাংক্ষা আৰু আত্মবিশ্বাসেৰে আগবাঢ়িছে সেয়া সঁচাকৈয়ে উৎসাহজনক। অতীতত ভাৰতে প্রায়ে আনক অনুসৰণ কৰিছিল, বিদেশী উদ্ভাৱনসমূহ আৰম্ভ হোৱাৰ বছৰ বছৰ পিছতহে গ্রহণ কৰিছিল বা খাপ খুৱাই লৈছিল। আজি ভাৰত বিশ্বজনীন প্রত্যাহ্বানেৰে মোকাবিলাৰ বাবে মৌলিক প্রযুক্তি বিকশিত কৰাৰ লক্ষ্যৰে আগবাঢ়িছে। ভাৰতীয় বিজ্ঞানীসকলে উল্লেখযোগ্য কৃতিত্ব অর্জন কৰিছে- তেওঁলোকে প্রথম প্রচেষ্টাতে মংগল গ্রহত উপনীত হোৱাৰ পৰা আৰম্ভ কৰি চন্দ্রৰ অনাবিষ্কৃত দক্ষিণ মেৰুত সফলতাৰে অৱতৰণ কৰালৈকে সাফল্য লাভ কৰিছে। প্রধানমন্ত্রী মোদীয়ে কয় যে ভাৰতে ভৱিষ্যৎ প্রযুক্তিক আকোৱালি ল'ব লাগিব, সাহসেৰে উদ্ভাৱন কৰিব লাগিব আৰু এনে প্রযুক্তি সৃষ্টিৰ ক্ষেত্রত বিশ্বজুৰি আগভাগ ল'ব লাগিব।

শূন্য আৰু সংখ্যা পদ্ধতিৰ আৱিষ্কাৰৰ পৰা আৰম্ভ কৰি জ্যোতির্বিজ্ঞানৰ অগ্রগতিলৈকে ভাৰতৰ আৱিষ্কাৰৰ এক সমৃদ্ধ উত্তৰাধিকাৰ আছে। আধুনিক প্রযুক্তি আৰু নৱীকৃত আত্মবিশ্বাসেৰে শক্তিশালী হৈ ৰাষ্ট্রখনে এতিয়া এই বৈজ্ঞানিক ঐতিহ্যক আগুৱাই নিছে। যোৱা এটা বছৰত লাভ কৰা একাধিক কৃতিত্বই এই অগ্রগতিৰ সাক্ষ্য বহন কৰিছে।

পৰীক্ষাগাৰ প্ৰযুক্তিসমূহ


বিগত এটা বছৰত চৰকাৰে পৰীক্ষাগাৰ প্ৰযুক্তিত ১২,০০০ কোটি টকা বিনিয়োগ কৰাৰ সমান্তৰালকৈ ব্যক্তিগত বিনিয়োগকাৰীয়েও অতিৰিক্ত ১২,০০ কোটি টকাৰ বৰঙনি আগবঢ়াইছে। মুঠতে মাত্ৰ এবছৰতে গৱেষণা আৰু উন্নয়নৰ বাবে ২৪,০০০ কোটি টকা ব্যয় কৰা হৈছে।

বিগত বৰ্ষৰ সাফল্যৰাজি...

- বাৰ্ষিক পেটেণ্টৰ সংখ্যাই ১ লাখ ৫০ হাজাৰ অতিক্ৰম কৰিছে -এই পৰিসংখ্যা এটা দশক পূৰ্বে ৫০ হাজাৰৰো কম আছিল।
- ৫০০-মেগাৱাটৰ এটা থলুৱা প্ৰ'টাইপ ফাষ্ট ব্ৰীডাৰ বিয়েক্টৰে সফলতাৰে 'ফাৰ্ষ্ট ক্ৰিটিকেলী' (যি বিন্দুত এক স্থায়ী নিউক্লিয়াৰ শৃংখল বিক্ৰিয়া আৰম্ভ হয়) লাভ কৰিছে।
- ভাৰতীয় মহাকাশ ষ্টাৰ্টআপে 'মেড-ইন-ইণ্ডিয়া' ৰকেট ব্যৱহাৰ কৰি প্ৰথম প্ৰচেষ্টাতে সফলতাৰে কক্ষপথত এটা উপগ্ৰহ স্থাপন কৰিছে। ৰাষ্ট্ৰখনে 'চেটেলাইট ডকিং' (মহাকাশত দুটা উপগ্ৰহ সংযোগ কৰাৰ প্ৰক্ৰিয়া)ৰ ক্ষমতাও আহৰণ কৰিছে।
- দেশত 'এ আই ইম্পেক্ট ছামিট' আয়োজন কৰি নিজা এ আই মডেল মুকলি কৰা হৈছে। তদুপৰি ভাৰতে ঘৰুৱাভাৱে নিৰ্মিত অৰ্ধপৰিবাহী চিপ বিশ্বজুৰি ৰপ্তানি কৰিবলৈ আৰম্ভ কৰিছে।

ভৱিষ্যৎ গঢ় দিয়া খণ্ডসমূহ

- অৰ্ধপৰিবাহী, কোৱাণ্টাম প্ৰযুক্তি, জৈৱ প্ৰযুক্তি, উন্নত সামগ্ৰী, ৰবটিক্স, মহাকাশ, স্বচ্ছ শক্তি, এ আই, ছিন্থেটিক বায়'লজী আৰু অট'নমাছ চিষ্টেম।



প্ৰধানমন্ত্ৰী মোদীয়ে এই সন্মিলনত ভাগ লোৱা প্ৰতিগৰাকী গৱেষক, উদ্যোগৰ নেতা, ষ্টাৰ্টআপ প্ৰতিষ্ঠাপক আৰু ছাত্ৰ-ছাত্ৰীক তিনি বছৰীয়া এক সুনিৰ্দিষ্ট লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ আহ্বান জনায়।



এ আই-এ আমাক সোনকালে উত্তৰ দিব পাৰে। কিন্তু এই উত্তৰৰ নিৰ্ভুলতা পৰীক্ষা কৰাৰ দায়িত্ব বিজ্ঞানী সকলৰ ওপৰত ন্যস্ত থাকিব লাগিব।

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউ আৰ ক'ডটো স্কেন কৰক।

প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বিজ্ঞানৰ প্ৰকৃত সফলতা পৰীক্ষাগাৰৰ বাহিৰলৈ গৈ সাধাৰণ লোকৰ জীৱন-যাত্ৰাৰ অগ্ৰগতি সাধন কৰা, বৃহৎ প্ৰত্যাহ্বানসমূহ সমাধান কৰা আৰু স্বাস্থ্যসেৱা, কৃষি, শিক্ষা, নিয়োগ তথা দুৰ্য্যোগ ব্যৱস্থাপনাৰ দৰে খণ্ড সমূহত সামৰ্থ্য সুদৃঢ় কৰাত নিহিত হৈ আছে। ভাৰতীয় ষ্টাৰ্টআপসমূহে এই ক্ষেত্ৰসমূহক অগ্ৰাধিকাৰ প্ৰদান কৰিছে। তেওঁ ভিন্ন ডমেইনত কাম কৰা ষ্টাৰ্টআপ আৰু ঘৰুৱা কোম্পানীসমূহৰ উদাহৰণ দাঙি ধৰে। ইয়াত মগজুৰ কাৰ্য্যকলাপ নিৰীক্ষণ কৰিবলৈ পিন্ধিব পৰা মস্তিষ্কৰ বৈদ্যুতিক কাৰ্যকলাপ জোখাৰ প্ৰযুক্তি (ই ই জি) প্ৰযুক্তি, থলুৱা ৰাইৰলেছ আৰু উপগ্ৰহ যোগাযোগ ব্যৱস্থা, বিশেষ পুষ্টিকৰ সামগ্ৰী, উন্নত অৰ্ধপৰিবাহী প্ৰযুক্তি তথাষ্টীল শ্লাগৰ দৰে ঔদ্যোগিক আৱৰ্জনা পুনৰ ব্যৱহাৰৰ সমাধান আদি অন্তৰ্ভুক্ত হৈছে।



যমুনা পুনৰুজ্জীৱন প্ৰকল্পৰ উদ্বোধনী আৰু আধাৰশিলা স্থাপন অনুষ্ঠান

২০২৯ৰ ভিতৰত যমুনা পৰিষ্কাৰ হৈ উঠিব

দিল্লী, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ ৰাজ্য চৰকাৰৰ সহযোগত কেন্দ্ৰীয় চৰকাৰে ২০২৯-ৰ ভিতৰত যমুনাক স্বচ্ছ কৰি তুলিবলৈ এক ৰোডমেপ যুগুত কৰিছে। এই পদক্ষেপৰ অংশ হিচাপে কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে ২২ অক্টোবৰত দিল্লীত ৮,৯৪১ কোটি টকা মূল্যৰ যমুনা পুনৰুজ্জীৱন প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সম্পূৰ্ণ কাৰ্য্যসূচী চাবলৈ কিউ আৰ ক'ডটো স্কেন কৰক।

দিল্লী, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ ৰাজ্য চৰকাৰৰ সহযোগত কেন্দ্ৰীয় চৰকাৰে ২০২৯-ৰ ভিতৰত যমুনাক স্বচ্ছ কৰি তুলিবলৈ এক ৰোডমেপ যুগুত কৰিছে। এই পদক্ষেপৰ অংশ হিচাপে কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে ২২ অক্টোবৰত দিল্লীত ৮,৯৪১ কোটি টকা মূল্যৰ যমুনা পুনৰুজ্জীৱন প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে সুন্দৰ গৃহ, বিশুদ্ধ পানী, স্বচ্ছ ৰাস্তাৰে এখনি দিল্লীৰ পৰিকল্পনা কৰিছে। ইয়াত নাথাকিব কোনো জাৱৰৰ দ'ম। যমুনা নদীখন এবাৰ পৰিষ্কাৰ কৰিলে দিল্লীৰ পৰা সংগমমলৈকে সৰ্বাংগসুন্দৰ হৈ উঠিব। সেয়েহে এই প্ৰকল্পসমূহৰ উদ্বোধনী আৰু আধাৰশিলা স্থাপন অনুষ্ঠানত কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অদম্য সংকল্পৰে এই অভিযানক আকোৱালি লৈছে। আজি এই সংকল্পৰ এক উল্লেখযোগ্য অংশ পৰিপূৰণ হৈছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে আজি ১০টা প্ৰকল্প উদ্বোধন কৰা হৈছে, একেদৰে আন ৩টা প্ৰকল্পৰ কাম আৰম্ভ হৈছে। তেওঁ কয় যে মুঠ ৮,৯৪১ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰা এই প্ৰকল্পসমূহে কেইবা লাখ লিটাৰ পানী বিশুদ্ধ কৰি যমুনালৈ বোৱাই নিয়া কাৰ্য্য নিশ্চিত কৰিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে আজি ১০টা প্ৰকল্প মুকলি কৰা হৈছে আৰু আন ৩৩টা প্ৰকল্পৰ কাম আৰম্ভ কৰা হৈছে। তেওঁ সদৰী



দিল্লীৰ ৰূপান্তৰ

- যমুনাক প্ৰদূষণমুক্ত কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী মোদীয়ে দিল্লী চৰকাৰক এখন কৰ্ম-আঁচনি প্ৰদান কৰিছিল। এই আঁচনিৰ ৪০ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে।
- প্ৰায় ৩০ বছৰ ধৰি দিল্লীৰ নৰ্দমাৰ আৱৰ্জনা যমুনা নদীত পেলোৱা হৈছিল আৰু প্ৰতিদিনে দুগ্ধ পামসমূহৰ পৰা ২,০০০ টন গোবৰ এই নদীত পেলোৱা হৈছিল।
- 'আৱৰ্জনাৰ পাহাৰ'সমূহ দীৰ্ঘদিন ধৰি ৰাজনৈতিক মুনাফা আদায়ৰ বিষয় হৈ আছিল। বৰ্তমানৰ দিল্লী চৰকাৰে এই আৱৰ্জনাৰ পাহাৰসমূহৰ উচ্চতা হ্ৰাস কৰিবলৈ দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে; অহা দুবছৰৰ ভিতৰত এই স্থানসমূহক বাগিচালৈ ৰূপান্তৰিত কৰা হ'ব।
- কেন্দ্ৰীয় চৰকাৰৰ সহযোগত দিল্লী চৰকাৰে ২১.৭ নিযুত মেট্ৰিক টন আৱৰ্জনা পৰিষ্কাৰ কৰি ১০০ একৰ ভূমি উদ্ধাৰ কৰিছে।
- ওখলা আৰু ভালচৰাৰ আৱৰ্জনাৰ পাহাৰৰ উচ্চতা ৩০ ৰ পৰা ৪০ মিটাৰলৈ হ্ৰাস কৰা হৈছে, আনহাতে গাজিপুৰৰ আৱৰ্জনাৰ পাহাৰৰ উচ্চতা ১০ৰ পৰা ১৫ মিটাৰলৈ হ্ৰাস কৰা হৈছে।

"আমি দিল্লীৰ প্ৰতিঘৰ মানুহক নৰ্দমা নিষ্কাশন ব্যৱস্থাৰ সংযোগ প্ৰদান কৰিবলৈ এখন তিনি বছৰীয়া কাৰ্যসূচী প্ৰস্তুত কৰিছোঁ, যিয়ে ব্যৱহৃত পানীৰ সঠিক নিষ্কাশন নিশ্চিত কৰিব। সমান্তৰালভাৱে, আমি প্ৰতিখন ঘৰতে বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ বাবেও কাম কৰি আছোঁ।

– অমিত শ্বাহ, কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী



কৰে যে ৮,৯৪১ কোটি টকা ব্যয়সাপেক্ষ এই প্ৰকল্পসমূহে কেইবা লাখ লিটাৰ পানী পৰিশোধন কৰি যমুনাত পেলোৱাটো নিশ্চিত কৰিব। আজি মুকলি কৰা প্ৰকল্পসমূহে দিল্লীৰ বিভিন্ন অঞ্চল সামৰি লৈছে আৰু বৰ্তমান থকা নৰ্দমাৰ পানী শোধন প্ৰকল্পসমূহৰ উন্নীতকৰণৰ লগতে নতুন প্ৰকল্প নিৰ্মাণৰ বাবেও আধাৰশিলা স্থাপন কৰা হৈছে। ইয়াৰ উপৰিও, বিকেন্দ্ৰীকৃত পানী পৰিশোধন পাম্পিং আস্থানসমূহ স্থাপন কৰা হৈছে আৰু ঘৰুৱা নৰ্দমাৰ সংযোগসমূহ মূল ব্যৱস্থাটোৰ লগত সংলগ্ন কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে দৃঢ়তাৰে মত প্ৰকাশ কৰে যে ২০২৯ চনৰ মে' মাহৰ বহু পূৰ্বেই যমুনা নদী সম্পূৰ্ণৰূপে পৰিষ্কাৰ হৈ উঠিব। যমুনা নদীক প্ৰদূষণমুক্ত কৰাৰ সংকল্পত নতুন গতি পানী পৰিশোধন প্ৰকল্প, পুনঃপ্ৰক্ৰিয়াকৰণ প্ৰকল্প, নৰ্দমাৰ পানী শোধন প্ৰকল্প, নৰ্দমাৰ পাম্পিং আস্থান আৰু ঘৰুৱা নৰ্দমাৰ সংযোগকে ধৰি দিল্লী চৰকাৰৰ বিভিন্ন প্ৰকল্পৰ জৰিয়তে যমুনা নদীত পৰাৰ পূৰ্বে প্ৰতিদিনে লাখ লাখ লিটাৰ ব্যৱহৃত পানী শোধন কৰা হ'ব। ই যমুনা নদীক প্ৰদূষণমুক্ত কৰাৰ সংকল্পক এক নতুন গতি প্ৰদান কৰিব।



আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁটৰ ১১ বছৰ

সৌৰ শক্তিৰ বিশ্বব্যাপী সম্প্ৰসাৰণৰ নেতৃত্ব

বৰ্তমান সময়ত সৌৰ শক্তি অন্যতম মূল্যৱান ৰাজহুৱা সম্পদ হিচাপে পৰিগণিত হৈছে। সৌৰ শক্তিৰ দ্বাৰা পৰিচালিত এই ৰূপান্তৰে কেৱল শক্তিৰ ক্ষেত্ৰখনতে সীমাবদ্ধ নাথাকি ইয়াতকৈ বহু গভীৰ তাৎপৰ্য বহন কৰে। এই কাৰণেই সৌৰ শক্তিৰ প্ৰসাৰৰ ক্ষেত্ৰত থকা বাধাসমূহ দূৰ কৰাৰ উদ্দেশ্যে ২০১৫ চনৰ ৩০ নৱেম্বৰত ভাৰত আৰু ফ্ৰান্সে যৌথভাৱে আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁট মুকলি কৰিছিল। ই আহিবলগীয়া প্ৰজন্মৰ বাবে এক পৰিষ্কাৰ, সেউজ আৰু অধিক বহনক্ষম ভৱিষ্যত গঢ়ি তোলাত বিশেষ অৱদান আগবঢ়াইছে।

> “আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁটে কেৱল ভাৰততেই নহয়, সমগ্ৰ বিশ্বজুৰি স্বচ্ছ শক্তিৰ এক বিপ্লৱৰ সূচনা কৰিছে। ভৱিষ্যতে যেতিয়া মানুহে মানৱজাতিৰ কল্যাণৰ বাবে একবিংশ শতিকাত প্ৰতিষ্ঠা হোৱা সংস্থাসমূহৰ কথা পাতিব, তেতিয়া আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁটৰ নাম তালিকাৰ একেবাৰে শীৰ্ষত থাকিব।
>
> *নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী*



ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তন সম্মিলন (কপ-২১)-ৰ সময়ত ভাৰত আৰু ফ্ৰান্সে সূৰ্যৰ শক্তিক বিশ্বব্যাপী উন্নয়নৰ কেন্দ্ৰবিন্দুত স্থান দিয়াৰ এক দৃঢ় দৃষ্টিভংগীৰে আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁটৰ শুভাৰম্ভ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বই এই ধাৰণাটোক এক বিশ্বব্যাপী আন্দোলনলৈ ৰূপান্তৰিত কৰাত সহায় কৰিছিল। যোৱা ৰৱ বছৰত আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰজোঁটে সমগ্ৰ বিশ্বজুৰি সৌৰ শক্তিৰ সম্ভাৱনাক বাস্তৱিক আৰু জীৱন পৰিৱৰ্তনকাৰী প্ৰভাৱলৈ ৰূপান্তৰিত কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। য'ত ইয়াৰ সৰ্বাধিক প্ৰয়োজন, তেনে স্থানত সৌৰ শক্তিৰ ব্যৱহাৰক উৎসাহিত কৰি এই মিত্ৰজোঁটে বিশ্বব্যাপী শক্তিৰ উত্তৰণক উদীয়মান আৰু উন্নয়নশীল অৰ্থনীতিসমূহৰ দিশে পৰিচালিত কৰাত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছে। সৌৰ শক্তিৰ প্ৰসাৰ, সৌৰ শক্তিৰ চাহিদা পূৰণৰ বাবে সৌৰ শক্তি সমৃদ্ধ ৰাষ্ট্ৰসমূহৰ মাজত উন্নত সমন্বয় গঢ়ি তোলা আৰু সৌৰ শক্তিক অধিক সুলভ, নিৰ্ভৰযোগ্য আৰু ব্যাপকভাৱে উপলব্ধ কৰাৰ লক্ষ্যৰে এই সংস্থাটো প্ৰতিষ্ঠা কৰা হৈছিল। বৰ্তমান ১৩০খন সদস্য আৰু স্বাক্ষৰকাৰী দেশৰ সৈতে আন্তঃৰাষ্ট্ৰীয় সৌৰ মৈত্ৰী সৌৰ শক্তিৰ সম্প্ৰসাৰণৰ প্ৰতি উৎসৰ্গিত বিশ্বৰ অন্যতম গুৰুত্বপূৰ্ণ অংশীদাৰিত্ব হিচাপে থিয় দিছে। ৰাষ্ট্ৰসংঘই আন্তঃৰাষ্ট্ৰীয় সৌৰ মৈত্ৰীক পৰ্যবেক্ষকৰ মৰ্যাদা

আন্তঃৰাষ্ট্রীয় সৌৰ মিত্রজোঁটৰ ৪টা কৌশলগত স্তম্ভ


- অনুঘটকীয় বিত্তীয় কেন্দ্র: বৃহৎ পৰিসৰত বিনিয়োগ সংগঠিত কৰা আৰু ইয়াক উৎসাহিত কৰা।
- বৈশ্বিক সক্ষমতা কেন্দ্র আৰু ডিজিটেলকৰণ: উদ্ভাৱন, ডিজিটেল মঞ্চ আৰু দক্ষতা তথা সক্ষমতা বিকাশক উৎসাহিত কৰা।
- আঞ্চলিক আৰু ৰাষ্ট্রীয় পৰ্যায়ৰ সহযোগিতা: স্থানীয় প্রয়োজন অনুসৰি উপযোগীকৈ প্রস্তুত কৰা সমাধানসমূহ কার্যকৰী।
- প্রযুক্তিগত কৰ্মপথ আৰু নীতি: উদীয়মান সৌৰ প্রযুক্তিৰ বিকাশ ত্বৰান্বিত কৰা।

আন্তঃৰাষ্ট্রীয় চুক্তিৰ আধাৰত গঠিত এক আন্তঃচৰকাৰী মঞ্চ হিচাপে, আই এছ এ-ই ইয়াৰ সদস্য দেশসমূহক বৃহৎ পৰিসৰত সৌৰ শক্তি গ্রহণত সহায় কৰিবলৈ কাৰিকৰী দিহা-পৰামর্শ, নীতিগত নেতৃত্ব আৰু বৈশ্বিক সমন্বয় আগবঢ়ায়।

স্বচ্ছ শক্তি উৎপাদনৰ বিকাশৰ অন্যতম প্রধান চালিকাশক্তি হিচাপে সৌৰ শক্তিৰ উত্থান ঘটিছে। ২০১৪ চনৰ মাত্র ২.৮ গিগাৱাটৰ পৰা বৃদ্ধি পাই বর্তমান ই প্রায় ১৬৫ গিগাৱাট হৈছেগৈ। একেদৰে, বতাহ শক্তিৰ ক্ষমতা ২০১৪ চনৰ ২১ গিগাৱাটৰ পৰা বৃদ্ধি পাই ৫৮ গিগাৱাটৰো অধিক হৈছেগৈ।

সৌৰ, জল, বায়ু আৰু পাৰমাণৰিক শক্তিৰ পৰা বিদ্যুৎ উৎপাদন

ভাৰতে অ-জীৱাশ্ম ইন্ধনৰ উৎস- সৌৰ, জল, বায়ু আৰু পাৰমাণৰিক শক্তিৰ পৰা বিদ্যুৎ উৎপাদনৰ ক্ষমতা ধাৰাবাহিকভাৱে বৃদ্ধি কৰি আহিছে। ২০২৬ চনৰ ৩১ জুলাইলৈকে এই উৎপাদন ক্ষমতাই ৩০০ গিগাৱাটৰ সীমা অতিক্রম কৰিছে। ভাৰতে ২০৩০ চনৰ ভিতৰত ৫০০ গিগাৱাটৰ লক্ষ্য নির্ধাৰণ কৰিছে; বর্তমানৰ ক্ষমতাই সেই লক্ষ্যৰ ৬০ শতাংশতকৈয়ো অধিক অংশক প্রতিনিধিত্ব কৰে। তদুপৰি, দেশৰ মুঠ ৫৫২ গিগাৱাট বিদ্যুৎ উৎপাদন ক্ষমতাৰ ভিতৰত অ-জীৱাশ্ম ইন্ধনৰ উৎসৰ পৰা আহৰণ কৰা অংশ ৫৪ শতাংশ অতিক্রম কৰিছে।



প্রদান কৰিছে, যিয়ে 'এক সূর্য, এক বিশ্ব, এক গ্রিড' উদ্যোগক অধিক শক্তিশালী কৰি তুলিছে। বিকেন্দ্রীকৃত নৱীকৰণযোগ্য শক্তি ব্যৱস্থা, সৌৰ জলসিঞ্চন আৰু 'গ্ল'বেল ছ'লাৰ ফেচিলিটি'ৰ দৰে অভিনৱ বিত্তীয় মঞ্চসমূহৰ জৰিয়তে আন্তঃৰাষ্ট্রীয় সৌৰ মিত্রজোঁটে সদস্য ৰাষ্ট্রসমূহক সৌৰ সমাধান কার্যকৰী কৰাত সহায় কৰি আছে। মিত্রজোঁটৰ কাম-কাজেই প্রমাণ কৰে যে শক্তিৰ উত্তৰণ সর্বগ্রাহী, জনকেন্দ্রিক আৰু ৰূপান্তৰকাৰী হ'ব পাৰে। তদুপৰি, সদস্য ৰাষ্ট্র আৰু অংশীদাৰসকলৰ ক্রমৱর্ধমান প্রয়োজনীয়তাসমূহ পূৰণ কৰাৰ উদ্দেশ্যে মিত্রজোঁটে শেহতীয়াকৈ এটা ৰেবছাইট মুকলি কৰিছে। ভাৰতত সৌৰ শক্তিৰ উন্নয়নে এক নতুন যুগত প্রৱেশ কৰিছে। সৌৰ বজাৰত ভাৰতৰ সফলতাই ধাৰাবাহিক নীতিগত সমর্থন, সম্প্রসাৰিত উৎপাদন, সুদৃঢ় আন্তঃগাঁথনি আৰু জনসাধাৰণৰ ক্রমৱর্ধমান অংশগ্রহণক প্রতিফলিত কৰে। আন্তঃৰাষ্ট্রীয় সৌৰ মিত্রজোঁটৰ সমর্থনত ভাৰতে ২০৭০ চনৰ ভিতৰত ইয়াৰ 'পঞ্চামৃত' প্রতিশ্রুতি আৰু 'নেট-জিৰ" লক্ষ্যৰ দিশে আগবাঢ়ি যোৱাৰ সময়ত সৌৰ শক্তি এক মূল আধাৰ হৈ ৰৈছে। ২০৩০ চনৰ ভিতৰত ভাৰতক ৫০০ গিগাৱাট অ-জীৱাশ্ম ইন্ধনভিত্তিক ক্ষমতাৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰাৰ ক্ষেত্রতো সৌৰ শক্তিয়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিব।

কাশীৰ নমো ঘাটত বায়ু সেনাৰ বীৰত্বৰ প্ৰদৰ্শন

২৫ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নমো ঘাটত অনুষ্ঠিত ভাৰতীয় বায়ু সেনাৰ বায়ু প্ৰদৰ্শনী 'উইঙছ অভাৰ গংগা'ত অংশগ্ৰহণ কৰে। তেওঁ বস্ত্ৰ উৎপাদনৰ এক নতুন প্ৰকল্প মুকলি কৰে, যিয়ে বহুতো সংস্থাপনৰ সৃষ্টি কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে বাৰাণসীত এক ৰোড শ্ব'তো অংশগ্ৰহণ কৰে, য'ত হাজাৰ হাজাৰ জনতাই তেওঁক উষ্ম আদৰণি জনায়।

মহিলাৰ বাবে সংস্থাপনৰ সুযোগ

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ প্ৰদেশৰ বাৰাণসীত বস্ত্ৰ উৎপাদনৰ এক নতুন প্ৰকল্প মুকলি কৰে। এই প্ৰকল্পটোৱে ভাৰতৰ বস্ত্ৰ আৰু সাজ-পাৰ উৎপাদন ব্যৱস্থাক শক্তিশালী কৰাৰ লগতে অঞ্চলটোৰ ঔদ্যোগিক বিকাশ ত্বৰান্বিত কৰাৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। আধুনিক উৎপাদন প্ৰণালীৰ ওপৰত গুৰুত্ব আৰোপ কৰি, এই উদ্যোগে বিশেষকৈ মহিলাসকলৰ বাবে অৰ্থপূৰ্ণ সংস্থাপনৰ সুযোগ সৃষ্টি কৰিব আৰু অঞ্চলটোৰ অৰ্থনৈতিক প্ৰগতিত বৰঙনি যোগাব। এই শুভাৰম্ভণিয়ে ঔদ্যোগিক বিনিয়োগ আৰু উৎপাদন-নিৰ্ভৰ উন্নয়নৰ এক প্ৰধান কেন্দ্ৰ হিচাপে উত্তৰ প্ৰদেশৰ ক্ৰমৰৰ্ধমান ভূমিকাকো প্ৰতিফলিত কৰিছে। ইয়াত উৎপাদিত বস্ত্ৰ সমগ্ৰ বিশ্বৰ বজাৰত উপলব্ধ হ'ব। মূলতঃ মহিলাৰ দ্বাৰা পৰিচালিত এক প্ৰচেষ্টা হিচাপে, ই 'মহিলা-নেতৃত্বাধীন উন্নয়ন'ৰ এক শক্তিশালী প্ৰতীক হৈ পৰিছে। বাৰাণসীৰ ঔদ্যোগিক বিকাশ বৃদ্ধি কৰাৰ উপৰিও, এই প্ৰচেষ্টাই মহিলাসকলক স্বাৱলম্বী হোৱাৰ লগতে জীৱনত অধিক আগবাঢ়ি যোৱাৰ নতুন সুযোগ প্ৰদান কৰিব।

ৰাফেল আৰু মিৰাজৰ শক্তি আৰু নিখুততাৰ প্ৰদৰ্শন

বায়ু সেনা দিৱস উপলক্ষে প্ৰধানমন্ত্ৰীয়ে বাৰাণসীৰ নমো ঘাটত এক আকাশী প্ৰদৰ্শনী প্ৰত্যক্ষ কৰে। ভাৰতীয় বায়ু সেনাৰ ৯৪ সংখ্যক বৰ্ষপূৰ্তি উপলক্ষে অনুষ্ঠিত এই অনুষ্ঠানৰ মূল বিষয়বস্তু আছিল 'উইঙছ অভাৰ গংগা'। এই আকাশী প্ৰদৰ্শনীত তেজছ, লঘু যুঁজাৰু হেলিকপ্টাৰ 'প্ৰচণ্ড', ছুখয়-৩০এম কে আই আৰু ৰাফেলৰ লগতে বিভিন্ন পৰিবাহী বিমানে অংশগ্ৰহণ কৰে। ভাৰতীয় বায়ু সেনাৰ আগশাৰীৰ প্ৰদৰ্শনী দল- সূৰ্য কিৰণ এৰোবেটিক টিম আৰু সাৰংগ হেলিকপ্টাৰ ডিছপ্লে' টিমেও ইয়াত অংশগ্ৰহণ কৰে। এই প্ৰদৰ্শনীয়ে নিৰ্ভুল উৰণ, সমন্বয় আৰু কাৰ্যকৰী উৎকৰ্ষক প্ৰতিফলিত কৰে।

প্ৰদৰ্শনীৰ সময়ত এখন ছুখয়-৩০ যুঁজাৰু বিমানে দুখন জাগুৰাৰ বিমানক বাধা প্ৰদান কৰে, যিয়ে ভাৰতীয় বায়ু সেনাৰ যুদ্ধ কৌশল আৰু আকাশী প্ৰতিৰক্ষা ক্ষমতাৰ এক আভাস দাঙি ধৰে। আনহাতে, 'নীলকণ্ঠ ফৰমেচন'ত উৰণ সম্পন্ন কৰা তিনিখন ৰাফেল যুঁজাৰু বিমানে এক আকৰ্ষণীয় 'থ্ৰী-ৰে সপ্টি' প্ৰদৰ্শন কৰে। আকাশমাৰ্গৰ এই নিৰ্ভুল কলা-কৌশলে ভাৰতীয় বায়ু সেনাৰ দক্ষতা আৰু নিখুঁত সমন্বয়ক জিলিকাই তোলে।



"কাশীৰ ৰোড শ্ব'ৰ সময়ত মোৰ পৰিয়ালৰ সদস্যসকলৰ পৰা পোৱা অপৰিসীম মৰম আৰু আশীৰ্বাদত মই অভিভূত হৈ পৰিছোঁ।

নৰেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

প্ৰধানমন্ত্ৰী মোদীৰ সম্পূৰ্ণ কাৰ্যসূচী চাবলৈ কিউ আৰ ক'ড স্কেন কৰক।



PMO India
@PMOIndia

हमारे किसान, हमारे अन्नदाता, विकसित भारत के सबसे मजबूत स्तंभों में से एक है।

और हमारी सरकार ने हमेशा किसानों के कल्याण को, किसानों को सशक्त करने को प्राथमिकता दी है: PM @narendramodi



Rajnath Singh @rajnathsingh ·
सरदार पटेल ने भारत की एकता और अखंडता को आकार दिया, लेकिन लंबे समय तक उनकी गौरवशाली विरासत को वह सम्मान नहीं मिला जिसके वे हकदार थे। प्रधानमंत्री @narendramodi ने स्टैच्यू ऑफ यूनिटी, राष्ट्रीय एकता दिवस और देशव्यापी आयोजनों के माध्यम से उनकी गौरवशाली विरासत को उचित सम्मान और नई पहचान दिलाई, क्योंकि हमारा मानना है कि सरदार पटेल का सम्मान, भारत का सम्मान है।



Amit Shah
@AmitShah

इसी वर्ष 31 मार्च को देश नक्सलमुक्त हो चुका है और अब 31 दिसंबर 2029 तक गांव से पूरी तरह मुक्त होगा। 'विकसित भारत' का पहला चरण नक्सलमुक्त भारत ही है।



Nitin Gadkari
@nitin_gadkari

A PROUD MOMENT FOR INDIA!🇮🇳

Our para-athletes have scripted history at the Asian Para Games, bringing home a record 114 🥇🥈🥉 and showcasing the extraordinary power of courage, perseverance and sporting talent.

Heartiest congratulations to every athlete who made the Tricolour soar high. Under the leadership of Hon'ble PM Shri @narendramodi Ji, India's commitment to nurturing sporting talent is opening new horizons for our athletes to excel on the global stage.💪🔥



Kiren Rijiju @KirenRijiju ·
आज हमने Defence, Space और Nuclear Energy के संबंधों को प्रगाढ़ करने पर सहमति बनाई है। इन सभी Strategic क्षेत्रों में हम पोलैंड की Companies को भारत के साथ Co-Development और Co-Production करने के लिए आमंत्रित करते हैं: माननीय प्रधानमंत्री श्री @narendramodi जी

#IndiaPolandFriendship



Arjun Ram Meghwal @arjunrammeghwal
देश की 560 से अधिक रियासतों का एकीकरण कर अखंड भारत की नींव मजबूत करने वाले सरदार पटेल जी का अदम्य साहस, दूरदर्शिता एवं राष्ट्रसेवा सदैव प्रेरणास्रोत रहेंगे।

भारत की एकता एवं अखंडता के प्रतीक लौह पुरुष सरदार वल्लभभाई पटेल जी की जयंती 'राष्ट्रीय एकता दिवस' की आप सभी को हार्दिक शुभकामनाएँ।

#SardarPatelJayanti #NationalUnityDay

Opposition has forgotten its duty, believes in obstruction now: Modi

PM warns of 'intellectual Naxalism' at 151st birth anniversary of Sardar Patel in Ekta Nagar

DILIP SINGH KSHATRIYA

PRIME Minister Narendra Modi on Saturday sharpened his attack on the Opposition, accusing it of abandoning its constitutional role and turning into an "obstructionist force" against development. He also warned against "intellectual Naxalism" and urged people to protect national unity.

Modi was addressing a gathering at the Parade Ground in Gujarat's Ekta Nagar on the occasion of National Unity Day, marking the 151st birth anniversary of Sardar Vallabhbhai Patel. He administered the unity pledge ahead of the Rashtriya Ekta Parade.

The PM said the Opposition has transformed from "Vividh Paksh" (opposition) into "Avidh Paksh" (obstruction). While questioning government policies was its responsibility, deliberately stalling development and fuelling divisions could not be defended as democratic dissent, he added.

"It is our misfortune that the Opposition in this country has forgotten its duty," Modi said, alleging that political frustration has made obstructionism the core of its politics. He accused unnamed forces of undermining the Constitution and conspiring to trigger conflict among communities. Referring to alleged meetings abroad and support from "anti-India forces", he said those who were echoing the language of the country's enemies. He did not identify individuals or provide details of the alleged links.

The PM called for vigilance against attempts to damage India's image through social media. Although Naxalism has been eradicated from across the country, he said, "ideological Naxalism" remains a threat. His warning against "disruptive Naxals" extended the government's security narrative beyond armed insurgency to an ideological challenge.

"No matter how dire the circumstances may become, we must not allow the great economy of India to be destabilised," the PM said, invoking Patel's role in integrating more than 550 princely states after Independence. Modi described the Statue of Unity as a symbol of the collective contribution that built the nation. He said freedom gave India the power to shape its future, while the Constitution provided direction and ensured accountability to citizens.

Modi said the parade was a celebration of participation and national pride, showcasing the valour of police and security personnel alongside India's heritage and aspirations. He urged every effort to be guided by the goal of building a strong, developed India by 2047. Earlier, Modi paid tribute to Patel at the Statue of Unity, as two Indian Air Force helicopters showered petals on the monument. He inaugurated and laid foundation stones for projects worth more than ₹600 crore.

During his visit, Modi toured Ekta Nagar's Rain Forest and Vanaa Vividh Vatika. Spread across 17,000 square metres near Vajpayee Chowk and the Nava Gora Bridge, the Rain Forest was developed at a cost of ₹3.49 crore. Its 320-metre glass-deck skywalk is among its attractions. The Prime Minister walked across the bridge and inspected the facility, adding a tourism development dimension to the day's political messaging.



PM Modi during the 'Rashtriya Ekta Parade' celebrations in Gujarat's Ekta Nagar | PIB

Artistes from Maoist-hit dists present transformation

Two thousand artistes from 216 districts, which were once under the shadow of Maoist insurgency, presented a story of their transformation from a landscape of fear and violence to Naxal-free India in a performance at the Ekta Diwas Parade in the presence of the PM.

Monitor welfare schemes closely: PM to chief secys

New Delhi: PM Narendra Modi Wednesday called for tighter monitoring of welfare schemes and infrastructure projects, asking chief secretaries to review their implementation with DMs every month.

Chairing the monthly IT-based Pragati meeting, PM is learnt to have raised concerns over delay in land acquisition for projects and slow progress in redevelopment of Ahmedabad railway station. He directed agencies to complete the redevelopment project by Aug 2027 at any cost, an official said.

Modi reviewed infrastructure projects worth over Rs 16,000 crore covering railways, PM Ekta Malls and bulk drug parks across 11 states and Union territories.

He underlined that PM Ekta Malls should provide markets for local products, strengthen livelihoods of artisans and help them expand their enterprises. TNN

Will serve people of India till my last breath: Modi

Seen as riposte to Cong chief Mallikarjun Kharge's 'baap' remark

DILIP SINGH KSHATRIYA

PRIME Minister Narendra Modi on Friday said that he would serve the people of India till his last breath, in an indirect response to Congress president Mallikarjun Kharge's recent controversial remark that "even Modi's father will have to go".

"Jeevan ke antim shwas tak janta ki seva karta rahoonga (I will continue to serve the people until my last breath)," Modi said while addressing farmers after inaugurating the Bharat Bovine Breeding and Research Centre at Bhilodi town in Gujarat's Banaskantha district.

During the roadshow, Modi's supporters were seen carrying placards that read Modi kahin nahi jayega (Modi is not going anywhere) as a direct counter-response to Kharge's comment made at a public rally in Bihar last week, which kicked up a political storm.

In his address, Modi accused the Opposition parties of projecting wherever the country faces a crisis. He alleged they tried to spread panic over the availability of fertilisers and cooking gas amid the ongoing conflict in West Asia.

Without taking names, he said: "They soaked fear among farmers, claiming fertilisers would become unavailable. They created artificial queues and created a sense of panic."

After laying the foundation stones for development projects worth ₹1,066 crore, he claimed farmers across the country have received or saved more than ₹50 lakh crore through major government schemes, adding that his government transformed agricultural support through direct transfers, fertiliser subsidies, MSP payments and crop insurance.

Modi said his government has placed farmers, particularly small cultivators, at the centre of its policies. He also took a swipe at previous governments, accusing them of neglecting small farmers.

"Since independence, the needs of those small-scale farmers were never understood, and they were never even consulted," Modi said, adding that farmers cultivating small landholdings account for more than 85% of the country's farming population.

Highlighting the financial assistance extended to farmers, the PM said the agricultural budget has increased fivefold and around ₹4.5 lakh crore has been transferred directly to farmers' accounts under PM Kisan Samman Nidhi.

On Friday, ₹18,000 crore was released to nearly 10 crore farmers, including over 36 lakh beneficiaries in Gujarat.



Prime Minister Narendra Modi speaks at an event in Banaskantha, Gujarat | PTI

> There are those who wish to see the country in distress—they actually derive pleasure when the nation faces hardship. Whenever a crisis befalls the country, they find joy in it
>
> — Narendra Modi, PM

Cabinet clears ₹29,267 cr for container, sports goods mfg



Poverty removal not just slogan: PM on WB data

Says Gareebi Hatao is Govt's Commitment

Employment, Modi said, grew by 11.4cr between 2017 & 2023, nearly twice the rise in the working-age population, while India's Gini index fell by over 20% from 79 in 2011 to 73 in 2023, indicating lower income inequality

PM to Meet Niti Aayog Leadership on Nov 5

Modi is likely to hear sectoral priorities and review think tank's work as govt begins shaping the FY28 Budget

Virginius Xaxa

Taking Stock

PM MODI TO VISIT NITI AAYOG



ৰাষ্ট্ৰীয় কেডেট ক'র্পছ (এন চি চি) দিৱস: ২২ নৱেম্বৰ

এন চি চি ঃ যুৱ শক্তিৰ সৱলীকৰণ

এন চি চি হৈছে এনে এক মঞ্চ যিয়ে যুৱপ্ৰজন্মক আত্মবিশ্বাসী, শৃংখলাবদ্ধ আৰু নিজৰ দেশৰ প্ৰতি সমৰ্পিত সংবেদনশীল নাগৰিক হিচাপে গঢ়ি তোলাত পথ প্ৰদৰ্শন কৰে। সমগ্ৰ দেশতে এন চি চিৰ নেটৱৰ্ক শক্তিশালী কৰাৰ প্ৰয়াসৰ অংশ হিচাপে, সীমান্তৱৰ্তী অঞ্চলত বসবাস কৰা অধিকসংখ্যক যুৱক-যুৱতীক এন চি চিত অন্তৰ্ভুক্ত কৰাৰ বাবে এক অভিযান চলাই থকা হৈছে। এন চি চি হৈছে এনে এক সংস্থা যিয়ে ভাৰতৰ যুৱপ্ৰজন্মৰ মনত আত্মবিশ্বাসী, সক্ষম আৰু সামাজিকভাবে দায়বদ্ধ নাগৰিক হোৱাৰ মানসিকতা জগাই তোলে।

"

এন চি চিয়ে মোৰ স্কুল আৰু কলেজীয়া দিনৰ স্মৃতি সজীৱ কৰি তোলে। মই নিজেই এজন এন চি চি কেডেট আছিলো আৰু মই লাভ কৰা অভিজ্ঞতাসমূহ অমূল্য। এন চি চিয়ে যুৱপ্ৰজন্মৰ মাজত শৃংখলা, নেতৃত্ব আৰু সেৱাৰ মনোভাৱ গঢ়ি তোলে।

নৱেন্দ্ৰ মোদী, প্ৰধানমন্ত্ৰী

এন চি চিত ২০ লাখতকৈয়ো অধিক কেডেট

- ১৯৪৮ চনত ২০,০০০ কেডেটেৰে প্ৰতিষ্ঠা হোৱা এন চি চি বৰ্তমান ২০ লাখতকৈয়ো অধিক কেডেটেৰে বিশ্বৰ সৰ্ববৃহৎ সমসাজ পৰিহিত যুৱ সংস্থালৈ পৰিণত হৈছে।
- ২০১৪ চনৰ পৰা ২০২৫ চনৰ ভিতৰত সংস্থাটোৰ শক্তি ৬ লাখ কেডেট বৃদ্ধি পাইছে। বৰ্তমান সমগ্ৰ দেশৰ ৭৫০খনতকৈয়ো অধিক জিলাত ইয়াৰ উপস্থিতি আছে।



নিউ ইণ্ডিয়া
সমাচাৰ
পযেকীয়া

আৰ এন আই, **DELHIN/2020/78811,** ১৬-৩০ নৱেম্বৰ, ২০২৬
RNI পঞ্জীয়ন নং DELENG/2020/78811 (Publishing Date: November 4, 2026, Pages-46)

EDITOR IN CHIEF
Dhirendra Ojha
Principal Director General
Press Information Bureau, New Delhi

PUBLISHER:
Kanchan Prasad
Director General, on behalf of
Central Bureau Of Communication

PUBLISHED FROM:
Room No–278, Central Bureau Of Communication, 2nd Floor, Soochna Bhawan, New Delhi -110003